# Assam
# Legislative Assembly
# Debates

# OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE EIGHTH
GENERAL ELECTION UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

OCTOBER SESSION

**VOL. II**
**NO. 4**

The 9th October 1987

Price Rs. 21·50

## CONTENTS

### OCTOBER SESSION

Volume. II. No 4

Dated, the 9th October 1987


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Miscellaneous Discussions | 62 |
| 3. | Announcement from the Chair | 65 |
| 4. | Ruling from the Chair | 66 |
| 5. | Matter under Rule 301 | 71 |
| 6. | Private Members Business, Special Motion | 85 |
| 7. | Adjournment | 91 |
| 8. | Annexure—I, II, III | 92 |

# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY
## Friday, October 9, 1987

The House met at Eight hours Thirty Munites of the Clock in the Assembly Chamber, Dispur, with Mr. Speaker in the Chair.

## STRARRED
## QUESTIONS AND ANSWERS
( To which oral replies were given )

**বিষয় :— লেংটিচিঙা বজাৰ খহনীয়াৰ পৰা ৰক্ষা কৰা।**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে—

*৪১। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত লেংটিচিঙাৰ পৰা বালাৰ গুদামলৈ মথাউৰিটো জাই আৰু মানাহ নদীৰ গঢ়া খহনীয়াত ভাঙি যোৱা কথাটো চৰকাৰৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত উক্ত মথাউৰিটো ৰক্ষা কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছিল ?

(গ) বাননিয়ন্ত্ৰণ বিভাগৰ হেমাহিৰ কাৰণে উক্ত মথাউৰিটো ছিঙাৰ কাৰণ বুলি উঠা অভিযোগ সচানে ?

(ঘ) উক্ত গঢ়াখহনীয়াৰ পৰা গোৱালপাৰা জিলাৰ শ্ৰেষ্ঠ মৰাপাটৰ বিক্ৰী কেন্দ্ৰ লেংটিচিঙা বজাৰখন ৰক্ষা কৰাৰ কাৰণে স্থায়ী বান্ধ দিয়াৰ কথা চৰকাৰে কিবা ভাবিছে নেকি ?

শ্ৰীছামচিং হান্সে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) উত্তৰ শালমাৰা মহকুমাত লেংটিচিঙাৰ পৰা বালাগুদামলৈ নামা-কৰণেৰে কোনো মথাউৰি নাই। কিন্তু লেংটিচিঙাৰ পৰা মেৰেশ্বৰলৈ থকা মথাউৰিটোত অংশ বিশেষ খহনীয়াৰ কবলত পৰা কথাটো চৰকাৰে জানে।

(খ) মথাউৰিটো ৰক্ষা কৰিবলৈ অস্থায়ী ব্যৱস্থা (temporary protection) লোৱা হৈছিল।

(গ) সত্য নহয়।

(ঘ) হয়, কাৰিকৰী উপদেষ্টা কমিটিৰ অনুমোদন সাপেক্ষে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় বিত্ত সাহায্য পালেহে স্থায়ী বান্ধ দিয়াৰ ব্যৱস্থা কৰিব পৰা হ'ব।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে অস্থায়ী ভাৱে ব্যৱস্থা লোৱা হৈছে, এই ব্যৱস্থাত কিমান টকা খৰছ কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীছামচিং হান্সে (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অস্থায়ী ভাৱে কৰিবলৈ যাওঁতেও বহুখিনি কাম-কাজ কৰি লবলগীয়া হৈছে আৰু সেয়েতো প্ৰায় ১০ লাখমান টকা খৰছ কৰিবলগীয়া হৈছে।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে অস্থায়ী ব্যৱস্থাতে ১০ লাখ টকা খৰছ কৰিবলগীয়া হৈছে। কিন্তু এই বান্ধটোৰ কাৰণে ১৯৭৯ চনতে মাটি অধিগ্ৰহণ কৰা হৈছিল। প্ৰায় ১৮৮ হাজাৰ বিঘা মাটি অধিগ্ৰহণ কৰা হয় কিন্তু এই মাটিৰ মালিক সকলে আজিলৈকে ক্ষতিপূৰণ হিচাপে একো পোৱা নাই। আকৌ এতিয়া মথাউৰিটো কিছু অংশ ছিগি যোৱাত প্ৰায় ৪০ হাজাৰ মান মানুহ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভৱনা আছে। নতুনকৈ মথাউৰিৰ বাবে আকৌ মাটি অধিগ্ৰহণ কৰিব লাগিব গতিকে আগৰ সেই মাটিৰ মালিক সকলক ক্ষতিপূৰণখিনি দি লোৱাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীছামচিং হান্সে (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, আচলতে মথাউৰি চিগা নাই খহনীয়াহে হৈছে। আমাৰ মাননীয় সদস্য গৰাকীয়ে লগতে জানে নিশ্চয় যে আমাৰ বিভাগে বা যি কোনো বিভাগে মাটি অধিগ্ৰহণ কৰিলে ৰাজহ বিভাগৰ জৰিয়তে কৰিব লাগে, ৰাজহ বিভাগত টকা পইচা জমা দিলেহে সেই মাটিত কাম কৰিবলৈ দিয়ে নহলে নিদিয়ে। গতিকে সদস্য গৰাকীয়ে ৰাজহ বিভাগৰ পৰা এইটো নিশ্চিত হৈ ললে ভাল হয়। মই আগতেই কৈছো আমাৰ বিভাগে প্ৰত্যেক্ষভাৱে টকা নিদিয়ে, আমি ৰাজহ বিভাগক জমা দিছো।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ :— মাননীয় অধ্যক্ষ মহোদয়, কথাটো বৰ চিৰিয়াচ, যোৱাবাৰ মই ৰাজহ বিভাগক এই বিষয়ে প্ৰশ্ন কৰিছিলো তেতিয়া ৰাজহ মন্ত্ৰীয়ে কৈছিল যে বাননিয়ন্ত্ৰণ বিভাগৰ পৰা টকা নোপোৱাৰ কাৰণেই

ৰাইজৰ টকা দিবপৰা হোৱা নাই বুলি কৈছিল। সেয়ে এতিয়া বাননিয়ন্ত্ৰণ মন্ত্ৰীয়ে জনাবনে কোনটো কথা সচা ?

শ্ৰীছামচিং হান্সে (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই মাটি অধিগ্ৰহণৰ টকা ৰাজ্য চৰকাৰৰ টকা। আমি ইতিমধ্যে জমা দিছো হয়তো কিবা কাৰণত বন্ধ হৈ থাকিব পাৰে, কি কাৰণত বন্ধ হৈ আছে সেইটো মই চাম।

**বিষয় :— ডিগবৈ পুবেৰুণ ভোক্তা সন্থা**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে।

*৪২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিগবৈ মাৰ্ঘেৰিটা অঞ্চলৰ লোকক সামৰি ডিগবৈ পুবেৰুণ ভোক্তা সন্থা নামেৰে এখন সমবায় থকা কথা চৰকাৰে জানেনে ?

(খ) এই সমবায়ৰ যোগে কি কি ব্যৱসায় কৰা হয় ?

(গ) সমবায়খনত মুঠ সভ্যৰ সংখ্যা কিমান ?

(ঘ) অংশীদাৰ সকলক যোৱা ৫ বছৰৰ ভিতৰত কোন কোন বছৰত কিমান লাভাংশ দিয়া হৈছে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) হয়।

(খ) এই সমবায়ৰ যোগেদি গ্ৰাহকক সুলভ মূল্যত চেনি, চাউল আদি যোগান ধৰা হয়। তাৰোপৰিও অন্য নিত্য ব্যৱহাৰ্য সামগ্ৰী যোগান ধৰা হয়।

(গ) এই সমবায় সমিতিৰ ৩০।৬।৮৬ ইং তাৰিখলৈকে মুঠ সভ্যৰ সংখ্যা ৭৪৮ জন।

(ঘ) যোৱা ৫ বছৰত কোনো লাভাংশ বিতৰণ কৰা হোৱা নাই।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই বছৰ লাভৰ অংশ ৬৪ হাজাৰ হোৱা সত্য নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, হয়, এইটো সঁচা।

Shri Santi Ranjan Dasgupta :

Mr. Speaker Sir, will the honourable Minister kindly let us know whether in every Samabai Samiti there is any audited account to be submitted before the election is completed ?

Profit or loss, that is there. It is audited every year. Without that there cannot be any election in Samabai Samiti. Profit or loss is known to the Minister.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, মই এইটো স্পষ্ট কৰি দিব খুজিছোঁ যে আগতে এইটো অনিয়মিত ভাৱে চলিছিল কিন্তু যোৱা বছৰৰ পৰা মই নিজেই এইটো ষ্ট্ৰিক্ট কৰিছোঁ যে সাধাৰণ সভা আহ্বান কৰাৰ লগে লগে এই সভাতে সেই বছৰৰ লাভালাভ তেওঁলোকে তাত চাবমিট কৰিব লাগিব। যি সকল সম্পাদকে চাবমিট কৰিব নোৱাৰিব তেওঁলোকৰ ওপৰত এক্‌চন লোৱা হব।

শ্ৰীচিলভিউচ কন্দপানে সুধিছে—

**বিষয় :— মাজবাট সমষ্টিত জলসিঞ্চন আঁচনি।**

*৪৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মাজবাট সমষ্টিৰ অন্তৰ্গত ফুলগুৰি নদীত জলসিঞ্চন আঁচনিৰ বাৱে কি আঁচনি লোৱা হৈছে ?

(খ) এই সমষ্টিৰ অধীনত জিঙাবিল আৰু কাদবিল নামৰ আঁচনি দুখন বৰ্ত্তমান কি অৱস্থাত আছে আৰু কেতিয়া এই দুখন আঁচনিৰ কাম শেষ হব ?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে—

(ক) ফুলগুৰি নদীত বৰ্ত্তমানে কোনো জলসিঞ্চন আঁচনি লোৱা হোৱা নাই।

(খ) জিঙাবিল আঁচনিৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে আৰু কাৰীকৰি অনুমোদনৰ বাবে প্ৰাক্‌কলন প্ৰস্তুত কৰা হৈছে। কাদবিল আঁচনিৰ কাৰীকৰি অনুমোদন দিয়া হৈছে। জিঙাবিল আঁচনিখন ১৯৮৯ চনৰ মাৰ্চ মাহত আৰু কাদবিল আঁচনিখন ১৯৮৮ চনৰ মাৰ্চ মাহত সম্পূৰ্ণ হোৱাৰ আশা আছে।

শ্ৰীচলিভিউচ কন্দপান :— মাননীয় অধ্যক্ষ মহোদয়, এই ফুলগুৰী অঞ্চলটো ওখ ঠাই, ইয়াত জলসিঞ্চন আঁচনিৰ অবিহনে মানুহে ভালদৰে খেতি-বাতি কৰিব নোৱাৰে এই অঞ্চলৰ ৰাইজৰ অসুবিধালৈ লক্ষ্য ৰাখি মাননীয় মন্ত্ৰী মহোদয়ে উক্ত অঞ্চলত জলসিঞ্চন আঁচনিৰ কাম খৰগতিৰে কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীপবিন্দ্ৰ ডেকা ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনৰ বাজেটত মাজবাট অঞ্চলৰ জলসিঞ্চন আঁচনি জৰীপ সাপেক্ষে চৰকাৰে গ্ৰহণ কৰিছিল কিন্তু জৰীপ ঠিক মতে নোহোৱাৰ বাবে নতুন জলসিঞ্চনৰ

তালিকাত এই আঁচনি অন্তৰ্ভুক্ত কৰিব পৰা ন'গল। এই আঁচনিৰ খচৰা প্ৰাক্কলন প্ৰস্তুত কৰিব পৰা হব, বিকেন্দ্ৰীকৃত আঁচনিৰ জৰিয়তেহে।

**বিষয়ঃ— ধুবুৰী চহৰত খহনীয়া।**

শ্ৰীমছিৰ উদ্দিন সেখে সুধিছে—

*৪৪। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰী অঞ্চলৰ উকীল সন্থাৰ ঘৰৰ সন্মুখত আৰু যোগমায়া আশ্ৰমৰ কাষত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত চহৰৰ বৃহত এলেকা খহি যোৱাৰ উপক্ৰম হোৱাৰ কথা চৰকাৰৰ অৱগতনে ?

(খ) যদি হয় তেন্তে ধুবুৰী চহৰখন ব্ৰহ্মপুত্ৰৰ পৰা ৰক্ষা কৰাৰ কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীছামচিং হান্সে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) হয়, অবগত।

(খ) উক্ত অঞ্চল কেইটা ইতিমধ্যে ৰূপায়িত কৰা ধুবুৰী চহৰ প্ৰতিৰক্ষা আঁচনীৰ অন্তৰ্ভুক্ত। যোৱা বানপানীত হোৱা এই আচনীৰ ক্ষয়ক্ষতি মেৰামতিৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীমছিৰ উদ্দিন সেখ :— মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী চহৰৰ যোগমায়া আশ্ৰমৰ কাষত হোৱা খহনীয়াই ভয়ংকৰ ৰূপ লৈছে। ধুবুৰীৰ চ কিট হাউচ, কৰ্ট বিলডিং বাৰ এচোচিয়েচনৰ কাৰ্য্যালয় আদি থকা অঞ্চলত খহনীয়া আৰম্ভ হৈছে। মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই চহৰখন ৰক্ষা কৰাৰ কাৰণে, স্থায়ী ব্যৱস্থা চৰকাৰে সোনকালে লবনে ? এই কাম আকৌ বাৰিষা হোৱাৰ আগতেই সম্পূৰ্ণ কৰিব পৰা যাবনে ?

শ্ৰীছামচিং হান্সে, ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, কাম হাতত লোৱা হৈছেই। আমাৰ বিভাগত কাম পৰি নাথাকে। ধুবুৰী চহৰ ৰক্ষাৰ কাৰণে আমাৰ বিভাগে ১ লাখ ১২ হেজাৰ ৫০০ টকাৰ এখন আঁচনি গ্ৰহণ কৰিছে। চলিত বাৰিষা বতৰ শেষ হলেই কাম চাব পৰা হব।

**বিষয়ঃ— বাননিয়ন্ত্ৰণৰ স্থায়ী সমাধানৰ আঁচনি**

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে—

*৪৫। মাননীয় বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ বানপানীৰ স্থায়ী সমাধানৰ বাবে অসম চৰকাৰে কিবা মাষ্টাৰ প্লেনৰ আঁচনি লৈছে নেকি ?

(খ) যদি লৈছে কেতিয়াৰ পৰা কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে ?

শ্ৰীছামচিং হান্সে (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে—

(ক) অসম চৰকাৰে এতিয়ালৈকে কোনো মাষ্টাৰ প্লেনৰ আঁচনি লোৱা নাই যদিও, বিষয়টো বিবেচনা কৰি থকা হৈছে। আচলতে কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ বৰ্ড এক্টৰ ১২ নম্বৰ অনুচ্ছেদ অনুযায়ী মাষ্টাৰ প্লেন তৈয়াৰ কৰাৰ দায়িত্ব ব্ৰহ্মপুত্ৰ বৰ্ডকহে দিছে।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীদিলিপ কুমাৰ শইকীয়াঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে অসমৰ বানপানীৰ স্থায়ী সমাধানৰ কাৰণে ইতিমধ্যেই এখন মাষ্টৰ প্লেনৰ কথা বিবেচনা কৰি থকা হৈছে। কিন্তু ইতিমধ্যেই অসমত এই বছৰ যি বৃহৎ ৫ টাকৈ বানপানী হৈ গ'ল, এই বানপানীৰ পৰা অসমক ৰক্ষা কৰাৰ কাৰণে ততাতৈয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ লগত য়োগাযোগ কৰি কিবা এটা কনক্ৰিট ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নোৱাৰেনে ?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী )ঃ— অধ্যক্ষ মহোদয়, আমি অসমৰ বানপানীৰ কথা সকলোৱেই জানো। বানপানীৰ স্থায়ী সমাধানৰ কাৰণে প্ৰচেষ্টা চলাই থকা হৈছে আৰু ইতিমধ্যে ব্ৰহ্মপুত্ৰ বোৰ্ডে এখন মাষ্টাৰ প্লেন প্ৰস্তুত কৰিছে। তেওঁলোকে এই ক্ষেত্ৰত অসম চৰকাৰৰ মতামত বিচাৰিছে আৰু ইতিমধ্যে আমি আমাৰ মতামত প্ৰেৰণ কৰিছো। ইয়াৰ দ্বাৰা বানপানীৰ স্থায়ী সমাধান হব বুলি আশা কৰিছো। তাৰোপৰি আমি নিজা ধৰীয়াকৈ এটা কনক্ৰিট পলিচি লোৱাৰ কথাও চিন্তা কৰিছো।

শ্ৰীদিলীপ কুমাৰ শইকীয়াঃ— এই মাষ্টাৰ প্লেনৰ কাৰণে কিমান টকা খৰচ হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী )ঃ— অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ বোৰ্ডে মাষ্টাৰ প্লেন দিয়া মতে ৩০০ কোটি আৰু ৮০০ কোটি টকাৰ আঁচনি আছে। তাৰ ভিতৰত দিহিং আৰু শোৱনসিৰিৰ কথাটো সকলোৱেই জানে। ৰাজ্য চৰকাৰে যি আঁচনি লৈছে তাতো ১২০০ মান কোটি টকাৰ প্ৰয়োজন হব বুলি ভাবিছো।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীঃ অধ্যক্ষ মহোদয়, অসমত ৫টাকৈ বানপানী হোৱাৰ কাৰণটো কি বুলি মন্ত্ৰী মহোদয়ে ভাবে জনাবনে ?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী )ঃ— অধ্যক্ষ মহোদয়, এইটো সহজতে কৈ থও— বৰষুণ বেছি হলেই পানী বেছি হয় আৰু পানী বেছি হলেই বানপানী হয় বুলি আমি জানো।

Shri Shanti Ranjan Das Gupta :— Sir, whether the jurisdiction of the Brahmaputra River Control Board also falls on the river Kopili which has become more damaging this year and last year because of some damages done to the hydroelectric system? What about controlling the river Kopili?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এইটো বান্ধ ভগাৰ কাৰণে হৈছে বুলি বাতৰি কাকতত ওলাইছিল আৰু এই বিষয়ে আমাৰ তৰফৰ পৰা অনুসন্ধান কৰা হৈছিল কিন্তু কথাটোৰ সত্যতা আমি নাপালো। বৰষুণৰ কাৰণেই আচলতে এইটো হৈছিল। কপিলীৰ বাবে আমি বিশেষ আঁচনিৰ কথা ভবা নাই— অন্যান্য নদীৰ বাননিয়ন্ত্ৰণ ব্যৱস্থাৰ লগতেই ইয়াৰো হব।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ মন্ত্ৰীয়ে জনাবনে নদীবোৰ বাম হোৱাৰ কাৰণে মথাউৰি ভাঙি যায় পানী বেছি হৈ। আৰু টকাৰ অভাবতেই কাম নহয় বুলি প্ৰায়েই শুনা যায়। গতিকে বান-নিয়ন্ত্ৰণ কৰিবলৈ এই বিভাগে এই বছৰ বেছি টকা ধাৰ্য্য কৰাৰ ব্যৱস্থা কৰিবনে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, নদী বাম হৈছে বুলিময়ো শুনিছো কিন্তু নিজে নামি চোৱা নাই। ইয়াক কেনেকৈ সমাধান কৰা হব চিন্তা কৰিব লাগিব।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— অধ্যক্ষ মহোদয়, টকাৰ কথাটো মন্ত্ৰী মহোদয়ে নকলে, বানপানী সমস্যা সমাধানৰ কাৰণে এই বছৰ মন্ত্ৰী মহোদয়ে আৰু বেছি টকা ধাৰ্য্য কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি এই বিষয়ত কনক্ৰিট পলিচি লবলৈ বিচাৰিছো তাৰ ভিতৰত নদী খন্দাৰ কথাটো থাকিব।

শ্ৰীগুনীন হাজৰিকা :— অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি মাষ্টাৰ প্লেন লোৱা হৈছে এই সম্পৰ্কত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ১৯৮৮ চনৰ ভিতৰত এই কাম কৰিব পৰাকৈ এটা নিৰ্দ্দিষ্ট তাৰিখ ঠিক কৰি দিব নোৱাৰেনে?

শ্ৰীছামচিং হান্সে, ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এইটো কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত এটা নিৰ্দ্দিষ্ট তাৰিখ ঠিক কৰি দিব পৰা যায় কিন্তু কামত নাহিব। এতিয়া

প্ৰশ্ন হৈছে মাষ্টাৰ প্লেনখন কি ভিত্তিত গ্ৰহণ কৰা যায় ? কেন্দ্ৰীয় চৰকাৰে ইয়াৰ দ্বাৰা বিদ্যুত্ উৎপাদনত অগ্ৰাধিকাৰ িহে আৰু অসম চৰকাৰৰ মতামত বিচাৰিছে। অৱশ্যে অসম চৰকাৰে বানপানী নিয়ন্ত্ৰণটোহে প্ৰথম উদ্দেশ্য হব লাগে বুলি কৈছে।

শ্ৰীভবেন নাৰ্জাৰী :— অধ্যক্ষ মহোদয়, আমি শুনিছো ব্ৰহ্মপুত্ৰ নদী ৰাম হোৱাৰ কাৰণে তাৰ ওপৰেদি জাহাজ নচলা হৈছে— এইটো সঁচা নেকি ?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী ) :- অধ্যক্ষ মহোদয়, খবৰটো লৈছিলো, আমাৰ পৰিবহন মন্ত্ৰীও ইয়াত আছে। জাহাজ চলাইছিল কিন্তু ব্ৰহ্মপুত্ৰৰ মাজতে বালিত লাগি জাহাজ বন্ধ হৈ চলাচল কৰিব নোৱাৰিলে।

শ্ৰীদেবেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰে বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত বেছি টকা ধৰাৰ কথাটোত কিমান দূৰ আগবাঢ়িছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচামচিং হান্সে ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই বিষয়ে চৰকাৰে বিবেচনা কৰিছে। এই বছৰ যিখিনি টকা ধৰা হৈছে সেইখিনি ভগাই দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত টকা দিবলৈ ৰাজি নহয়। অতিৰিক্ত টকা পালে কাম হাতত লম।

**Shri Santi Ranjan Das Gupta—May I know from the hon'ble Minister whether the Flood Control Department maintains any research centre still now which they had in the past ?**

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী ) :— নদী গবেষণা কেন্দ্ৰ আছে।

শ্ৰীদেৱ কুমাৰ বৰা :—মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে, বানপানী নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়াটো এপ্ৰিল মাহত আৰম্ভ হয়। টকাটো চেঙচন হয় ৩১ মাৰ্চ্চত গতিকে ডিচেম্বৰ মাহৰ ভিতৰত পেনডিং স্কীমৰ টকা ৰিলিজ কৰাৰ ব্যৱস্থা কৰিব নে ? ৭ম ৫ বছৰীয়া পৰিকল্পনাত ৭০ কোটি টকা ধাৰ্য্য কৰা আছে। ১৪ কোটিকৈ টকা খৰছ হৈছে নে জনাব নে ?

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী ) :— বছৰত যিখিনি টকা ধাৰ্য্য কৰা আছে সেই খিনি ৰিলিজ কৰাৰ কাৰণে হেমাহি হোৱা নাই। কেতিয়াবা মাটি ৰাৰী আদি পোৱাত পলম হয়। চৰকাৰে ভাল ভাবে টকা খিনি ব্যৱহাৰ কৰি আহিছে। কেতিয়াবা বেচিকৈ খৰছ কৰিব লগা হৈছে। যোৱা বছৰ সমূহত ১৯ কোটি বেচি খৰছ কৰিব লগা হৈছে। আৰু এতিয়া আমাৰ লাইবেলিটি ৩৩ কোটি খৰছ হৈছে।

**বিষয়ঃ হুদ্‌পাৰা পানী যোগান আঁচনি।**

শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে সুধিছেঃ

*৪৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) চাচনি মৌজাৰ অন্তৰ্গত হুতুপাৰা পানী যোগান আঁচনি পুনঃ নিৰ্ম্মাণৰ বাবে চৰকাৰে টকা অনুমোদন জনোৱাটো সচানে?

(খ) যদি সচা তেন্তে কিমান টকা অনুমোদন জনাইছে?

(গ) উক্ত আঁচনিৰ বাবদ চৰকাৰে বৈদ্যুতিক বিভাগক প্ৰতিমাহে কিমান টকা আদায় দিব লাগে?

(ঘ) এই হিচাবত বৰ্ত্তমানলৈকে কিমান টকা আদায় দিয়া হ'ল?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) জলসিঞ্চন বিভাগৰ অধীনত হুতুপাৰা নামৰ কোনো আঁচনি নাই। চাচনি অঞ্চলত বুঢ়ী দিহিং নদীৰ উত্তোলন জলসিঞ্চন আঁচনিৰ (L.I.S. from river Buridehing in Sassani Area) দ্বাৰা হুতুপাৰা অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰা হয়। এই আঁচনিৰ Remodellingৰ কাৰণে চৰকাৰে টকা অনুমোদন কৰা কথাটো সচা।

(খ) এই আঁচনিৰ বাবে চৰকাৰে ২৯,৭০,০০০ (উনত্ৰিশ লাখ সত্তৰ হাজাৰ) টকা অনুমোদন জনাইছে।

(গ) আঁচনিৰ বাবদ বৈদ্যুতিক বিভাগক প্ৰতিমাহে গড় হিচাবত ৩,০২০.০০ (তিনি হেজাৰ বিশ) টকা আদায় দিব লাগে।

(ঘ) এই হিচাবত ১৯৭৮ চনৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈকে ২,৭৭,৮৪০.০০ (দুই লাখ সাতসত্তৰ হাজাৰ আঠশ চল্লিশ) টকা আদায় দিয়া হৈছে।

শ্ৰীকুসুম্বৰ টাইৰাইঃ হুতুপাৰা পানী যোগান আঁচনি ৰিমডেলিংৰ বাবে অনুমোদন জনাইছে। এই ১০ বছৰে আঁচনিখনৰ বিনিময়ত বিকল্প আঁচনিৰ বাবে বিদ্যুত বিভাগত মাহে আঢ়ৈ হাজাৰ টকাকৈ দিব লগা হৈছে। মন্ত্ৰী মহোদয়ে ৰিমডেলিংৰ অনুমোদন জনাই কাম আৰম্ভ কৰাৰ ব্যৱস্থা হাতত লবনে?

শ্ৰীপবিন্দ্ৰ ডেকা (মন্ত্ৰী): যিমান সোনকালে পৰা যায় এই আঁচনিখন সম্পূৰ্ণ কৰি কাম আৰম্ভ কৰাৰ ব্যৱস্থা লোৱা হব।

**Re : Requirement of A.S.T.C. Buses in Cachar.**

Sri Altaf Hussain Mazumdar asked :

*47. Will the Minister, Transport be pleased to state :

(a) Is it a fact that there is extreme shortage of A. S. T. C. Buses in Cachar and what is the total number of Buses in running condition linewise ?

(b) Is it a fact in all lines there is demand for more Buses and if so the total number of Buses will be required to place adequate number of Buses in lines ( linewise ) ?

(c) Is it fact that most of the Buses of Cachar are old and gets out of order and break down takes place very often ?

(d) Will the Government consider the plying of short distance/City Buses from Silchar to Raniferry in view of very large numbers of passengers to Silchar and back from Raniferry ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, শিলচৰ সংমণ্ডলত কিছু পৰিমাণে বাচৰ নাটনি আছে, বৰ্ত্তমান ২৯ খন বাচ চলি আছে।

বাচবোৰ তলত দিয়া ধৰণে পথবোৰত চলি আছে।

| পথ | বাচৰ সংখ্যা |
|---|---|
| শিলচৰ—গুৱাহাটী | ২ |
| শিলচৰ—ধৰ্ম্মনগৰ | ১ |
| শিলচৰ—চৰাইবাৰি | ১ |
| শিলচৰ—লোৱাইৰপোৱা | ১ |
| শিলচৰ—ৰামকৃষ্ণনগৰ | ২ |
| শিলচৰ—কালিচৰিয়া | ১ |
| শিলচৰ—হাইলাকান্দি | ২ |
| শিলচৰ—কৰিমগঞ্জ | ৩ |
| শিলচৰ—হাফলং | ১ |

| | |
|---|---|
| শিলচৰ—লক্ষীপুৰ | ২ |
| কৰিমগঞ্জ—চিলং | ২ |
| কৰিমগঞ্জ—কাটলিচেৰা | ১ |
| কৰিমগঞ্জ—শিলচৰ | ২ |
| হাইলাকান্দি—শিলচৰ | ২ |
| লালাবাজাৰ—শিলচৰ | ২ |
| কাটলিচেৰা—শিলচৰ | ১ |
| কাটলিচেৰা—কৰিমগঞ্জ | ১ |
| ভব্ব্যান্দ—শিলচৰ | ১ |
| বদৰপুৰ—কৰিমগঞ্জ—শিলচৰ | ১ |
| | ২৯ |

(খ) হয়. কিছু বেছি সংখ্যক বাচৰ দাবি আছে। শিলচৰ-সংমণ্ডলৰ সকলো নিৰ্দ্ধাৰিত সেৱা সমূহ চলোৱাৰ বাবে ৪০ খন বাচৰ দৰকাৰ তলত উল্লেখ কৰা পথসমূহত দৰ্কাৰী বাচৰ সংখ্যা দেখুৱা হ'ল।

| | |
|---|---|
| শিলচৰ—গুৱাহাটী | ২ |
| শিলচৰ – ধৰ্ম্মনগৰ | ১ |
| শিলচৰ—চৰাইবাৰি | ১ |
| শিলচৰ—লোত্ৰাইৰপোৱা | ১ |
| শিলচৰ –ৰামকৃষ্ণ নগৰ | ২ |
| শিলচৰ—কাটলিচেৰা | ১ |
| শিলচৰ—হাইলাকান্দি | ২ |
| শিলচৰ—কৰিমগঞ্জ | ৩ |
| শিলচৰ—হাফ্‌লং | ১ |
| শিলচৰ – লক্ষিপুৰ | ২ |
| কৰিমগঞ্জ—শিলং | ২ |
| কৰিমগঞ্জ—কাটলিচেৰা | ১ |
| কৰিমগঞ্জ—শিলচৰ | ৩ |
| হাইলাকান্দি—শিলচৰ | ৩ |
| লালাবাজাৰ—শিলচৰ | ২ |
| কাটলিচেৰা – শিলচৰ | ১ |

| | |
|---|---|
| কাটলিচেৰা—কৰিমগঞ্জ | ১ |
| দৰৱব্ৰন্দ—শিলচৰ | ১ |
| বদৰপুৰ—কৰিমগঞ্জ-শিলচৰ | ১ |
| শিলচৰ—কুম্ভিৰগ্ৰাম | ১ |
| শিলচৰ—ভগাবজাৰ | ২ |
| শিলচৰ—গগ্‌লাচেৰা | ১ |
| শিলচৰ—চ্‌ৰমুৰা | ১ |
| শিলচৰ—ডুল্লভচেৰা | ১ |
| শিলচৰ—লালাবাজাৰ | ২ |
| শিলচৰ—জিৰিঘাট | ১ |
| | ৪০ খন |

(গ) শিলচৰ-সংমণ্ডলৰ বাচবোৰ তুলনামূলক ভাবে নতুন। আন আন সংমণ্ডলৰ তুলনাত নষ্ট হোৱা বাচৰ সংখ্যা এই সংমণ্ডলত কম।

(ঘ) নিগমত বৰ্ত্তমান প্ৰচলিত নিয়ম অনুসৰি গুৱাহাটী মহানগৰীৰ বাহিৰে আন কোনো নগৰতে নগৰ পৰিবহন সেৱাকম দূৰত্তৰ সেৱা প্ৰৱৰ্ত্তনৰ পৰিকল্পনা নাই।

Shri Altaf Hussain Mazumdar : Will the Minister kindly tell us out of the total number of buses how many buses are out of order aed not in the line and how many buses are plying ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী): ৪৪ খন আছিল। তাৰে ২৯ খন চলি আছে আৰু ১০ খনৰ মেৰামতি চলি আছে।

শ্ৰীমহেন্দ্ৰ মোহম ৰায় চৌধুৰী: দৰং জিলাত পৰিবহন বিভাগৰ কিমান বাচ চলিছে? এই বাচ বিলাক চাফা কৰাৰ ব্যৱস্থা নাই নেকি?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী): শিলচৰত বেয়া বাচ তুলনামূলক ভাবে কম। গুৱাহাটীত শতকৰা ১২, বঙাইগাওত শতকৰা ৩২, নগাওত শতকৰা ২২, তিনিচুকীয়াত শতকৰা ২৫, উত্তৰ লক্ষীমপুৰত শতকৰা ২৪, তেজপুৰত শতকৰা ২২, শিলচৰত শতকৰা ১৪। শিলচৰত পূৰণি বাচৰ সংখ্যা কম আছে। বাচ বিলাকৰ ক্ষেত্ৰত চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী বাচত নাই ষ্টেচনত আছে।

শ্ৰীদীলিপ শইকীয়া: ধেমাজী গুৱাহাটী নৈশ বাচৰ ওপৰেদি পানী পৰাৰ কথাটো জানে নে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : কেতিয়াবা নতুন বাচতো পানী পৰে। এই বিষয়টো মোৰ দৃষ্টি গোচৰ হৈছে।

Shri Charan Narzari : May I know from the Hon'ble Minister as to how many new buses have been purchased last year and also this year ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : ইয়াৰ বাবে নতুন প্ৰশ্নৰ প্ৰয়োজন যদিও মই কৈছো যোৱা বছৰ ১৭৩ খন আৰু এই বছৰ ১৩৪ খন বাচ কিনাৰ ব্যৱস্থা কৰা হৈছে।

Shri Altaf Hussain Mazumdar : Will the Honlble Minister kindly say that the shortfall in Silchar Division will be tried to be filled up ? The Hon'ble Minister has stated that there is shortage of buses. Will the Government take steps to meet the shortage, in view of large number of passengers ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : ইতিমধ্যে এই ক্ষেত্ৰত যত্ন কৰি আছো আৰু নতুন বাচ অহাৰ লগে লগে শিলচৰৰ অভাৱ পূৰণ কৰিব পাৰিম।

Shri A.F. Golam Osmani : It is seen that Hon'ble Minister answers in a manner whereby we are compelled to laugh, but he does not laugh at all.

**Re : Erosion of river Beki**

Sri A.F. Golam Osmani, asked :

*48 Will the Minister, Flood Control Be pleased to State.

(a) Whether the Government is aware that all extensive area of Kadong of Jania Mauja of Barpeta district is being erroded away due erosion of River Beki during the flood of June-July-August, 1987 ?

(b) Whether the Government is aware that unless immediate protection was taken up Kadong Market along with Kadong High School will be wa hed away ?

(c) Is it a fact that the Minister visited Kadong area during this flood personally ?

(d) What action the Department proposes to take to stop further errosion ?

(e) Whether there is any proposal for protection work this year and plan estimate prepared thereto ?

শ্রীছামচিং হান্সে, ( বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে।

(খ) হয় !

(গ) স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে পৰিদৰ্শন কৰাটো সচা।

(ঘ) গড়াখহনীয়া প্ৰতিৰোধৰ বাবে এখন আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

(ঙ) আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

Shri A. F. Golam Osmani : The Minister goes on replying about the shortage of fund. It has become a routine affair. Every session, we observe that the Minister can barely meet any demand on financial ground. I would like to draw the attention of the Minister that in very State of India, a percentage of fund is made available for flood protection and other works from the state fund. It is seen that in Assam, there is no such budget any provision for this purpose. As a result, we have become completely dependent on the Central Government. Would the Government consider to make some allocation from the State head so that whenever any emergency arises, we can meet it. Whenever we go to Delhi, we demand contribution from central Government as grant-in-aid, but we cannot get it always, as demanded. So, this is a very important matter. I would request the Hon'ble Chief Minister as well as the Flood Control Minister to consider this at the time of preparation of the next budget.

শ্ৰীছামচিং হাঞ্চে ( মন্ত্ৰী ): এই বছৰত যিমান বাজেট এলোকেচন আছে তাতকৈ অতিৰিক্ত পালে খৰছ কৰিব পাৰি। এতিয়া কথা হ'ল কোনো বিভাগে এৰি নিদিব। এই বিষয়ে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিম।

শ্ৰীদীলিপ শইকীয়াঃ এই বছৰ কিমানখন নদী গড়াখহনীয়াৰ কবলত পৰিছে ?

শ্ৰীছামচিং হাঞ্চে ( মন্ত্ৰী ): ৯৪ টা নদীৰ গড়াখহনীয়া হৈছে।

শ্ৰীআবদুল হামিদ : এতিয়া কেনে ধৰণৰ প্ৰস্তুতি কৰি থকা হৈছে ?

শ্ৰীছামচিং হাঞ্চে ( মন্ত্ৰী ): এতিয়া যি ধৰণে খহনীয়া হৈছে কাদং হাইস্কুল নদীৰ বুকুলৈ গুচি যাব। সেই কাৰণে আচনি প্ৰস্তুত কৰিছো। বেকী নদীৰ আচনিত বেচিকৈ টকা খুজিছো।

শ্ৰীজয়নাথ শৰ্মা: বেকী নদীকে ধৰি অসমৰ সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত গড়াখহনীয়া হৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ কথাটো ৰাজ্যিক বাৰ্ষিক পৰিকল্পনাত কি কাৰণে সোমোৱা নাই ?

শ্ৰীছামচিং হাঞ্চে ( মন্ত্ৰী ): ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান-নিয়ন্ত্ৰনৰ দায়িত্ব সম্পূৰ্ণকৈ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিছে বুলি কোৱা হৈছে।

শ্ৰীজয়নাথ শৰ্মাঃ বৰাক ভেলিক যদি ষ্টেট প্লেনত ধৰিব পাৰে তেন্তে ব্ৰহ্মপুত্ৰ উপত্যকাক কিয় নোৱাৰে ?

শ্ৰীছামচিং হাঞ্চে ( মন্ত্ৰী ): মই আগৰ অধিবেষণত কৈ আহিছো যে ব্ৰহ্মপুত্ৰ বোৰ্ডক ব্ৰহ্মপুত্ৰ উপত্যকাৰ দায়িত্ব দিয়া হৈছে। অসম বাসী ৰাইজে আপত্তি কৰিছে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বানপানীৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাবে লব লাগে।

**বিষয়: ঘিলামৰাত বৈদ্যুতিক উপ-ষ্টেচন স্থাপন।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

*৪৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঘিলামৰাত চৰকাৰে ৬৬ কে, বি উপ-ষ্টেচন ( বিদ্যুত) স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে নেকি ?

(খ) যদি লৈছে, এই সিদ্ধান্ত কেতিয়া লৈছিল আৰু বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

(গ) বাস্তৱিকতে এই উপষ্টেচন ঘিলামৰাত স্থাপন কৰা হবনে?

(ঘ) এই উপ-ষ্টেচনৰ মুখ্য উদ্দেশ্য কি আছিল ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, শক্তি ( বিদ্যুত, ) বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) হয়।

(খ) গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত ( ১৯৮১ চনৰ মাৰ্চ ) মাহত ঢকুৱাখানাত এটা ৬৬ কে, বি বৈদ্যুতিক উপ-ষ্টেচন স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। ঢকুৱাখানাত উপযুক্ত মাটিৰ অভাৱৰ বাবে এই উপ-ষ্টেচনটো ঘিলামৰাত স্থাপন কৰাৰ সিদ্ধান্ত কৰা হয়। ১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহত ঘিলামৰাত এই উপ-ষ্টেচন কেন্দ্ৰ স্থাপনৰ বাবে মাটি পোৱা হয়। এই উপষ্টেচনৰ কামৰ বাবে নিবিদা বিচৰাৰ বাবে ব্যৱস্থা লোৱা হৈ আছে।

(গ) হয়, বৈদ্যুতিক উপ-ষ্টেচনটো ঘিলামৰাত স্থাপন কৰা হব।

(ঘ) এই উপ-ষ্টেচনটো স্থাপনৰ উদ্দেশ্য ঘিলামৰা আৰু ঢকুৱাখানা অঞ্চলত বিজুলী যোগান ধৰা।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিত কিমান টকা খৰছ কৰাৰ কাৰণে ধাৰ্য্য কৰা হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিৰ বাবে কিমান টকা খৰছ হব সেইটো এতিয়াই কব পৰা নহব। বিভাগে এই বিষয়ে জৰীপ কৰি আছে। গতিকে পিছতহে কবপৰা হব।

### বিষয় : এ ডি এ পদত নিযুক্তি

শ্ৰীদেৱ কুমাৰ বৰাই সুধিছে :

৫৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দ্বাৰা অনুস্থিত কৰা এ ডি এৰ পদৰ নিযুক্তিৰ বাবে বাছনি পৰীক্ষা কোন তাৰিখত অনুস্থিত হৈছিল ?

(খ) কিমান পদ খালি আছে ?

(গ) উক্ত পদ সমূহ কেতিয়ালৈ পুৰণ কৰা হব ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, শক্তি ( বিদ্যুৎ ) বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) লিখিত বাচনি পৰীক্ষা যোৱা ১৯৮৪ চনৰ অক্টোবৰ মাহৰ ১২ আৰু ১৩ তাৰিখে অনুস্থিত হৈছিল আৰু মৌখিক পৰীক্ষা যোৱা ১৯৮৬ চনৰ ২৪-৬-৮৬ তাৰিখৰ পৰা ৮-১০-৮৬ তাৰিখৰ ভিতৰত অনুস্থিত হৈছিল।

(খ) সৰ্ব্বমুঠ ১০২ টা

(গ) অসম চৰকাৰৰ ঘোষিত নীতি অনুসৰি আৰু পৰিষদে লোৱা সিদ্ধান্ত ক্ৰমে ওপৰত উল্লেখ কৰা সৰ্ব্বমুঠ পদ সমূহৰ পঞ্চাশ শতাংশ পুৰণ কৰা বাবে সিদ্ধান্ত লোৱা হৈছে আৰু ইতিমধ্যে ৫১ জন প্ৰাৰ্থীক নিযুক্তিৰ প্ৰস্তাব প্ৰেৰণ কৰা হৈছে।

শ্ৰীদেৱকুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এ, ডি. এৰ নিযুক্তিৰ ক্ষেত্ৰত বহুত পলম হোৱাৰ কাৰণেই এই প্ৰশ্ন উত্থাপন কৰা হৈছে। চৰকাৰী ঘোষণা মতেই অসমত নিবনুৱাৰ সংখ্যা হৈছে ১৮ লাখ। ১০২ জন এ, ডি, এক নিযুক্তি দিওঁতেই অসম চৰকাৰৰ ১৯৮৪ চনৰ পৰা তিনিবছৰ সময় লাগিব। এনে ক্ষেত্ৰত চৰকাৰে ঘোষণা কৰা ১৮ লাখ নিবনুৱাক নিযুক্তি দিওঁতে কিমান বছৰ লাগিব সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব পাৰিবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই কব খোজো যে, এই নিযুক্তিৰ কাম ১৯৮৪ চনৰ পৰাই হোৱা নাই। ইয়াৰ আগৰ পৰাই এই কাম চলি আছে। ১৯৮০ চনৰ পৰাই এইটো চলি আছে। আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিছতহে বৰ্ত্তমান এই পৰ্য্যায়লৈ আহিছে। ইতিমধ্যে মৌখিক পৰীক্ষা পাতি এই বছৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এ, ডি, এৰ এই পদ বিলাক একাউন্টিং, অডিটিং আৰু কালেকশ্বন'ৰ লগত জড়িত। এই বিলাক যাতে হব নোৱাৰে তাৰ কাৰণে ষড়যন্ত্ৰ মূলক ভাৱেই ইয়াৰ নিযুক্তি বন্ধ ৰখা হৈছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে নেভাৱেনে? যাৰ ফলত কোটি কোটি টকা স্বাৰ্থজড়িত মহলে আত্মস্যাত্ কৰি আছে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নোত্তৰত ইতিমধ্যেই কৈছোৱেই। ১৯৮০ চনৰ পৰাই এই বিলাক নিযুক্তি নিদিয়াকৈ চলি আছে। কিন্তু আমি ক্ষমতালৈ অহাৰ পিছত ইতিমধ্যে মৌখিক পৰীক্ষা আদি পাতি শতকৰা ৫০ ভাগক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছো। বাকী ৫০ ভাগো যথাসময়ত নিযুক্তি দিয়া হব।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, বাকী শতকৰা ৫০ ভাগক কিয় ৰাখিলে আৰু তেওঁলোকক কেতিয়া নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যি সকলৰ মৌখিক পৰীক্ষা লোৱা হৈছে তেওঁলোকলৈ নিয়োগ পত্ৰ সোনকালেই প্ৰেৰণ

কৰা হব আৰু বাকী সকলকো যিমান পাৰি সোনকালেই দিয়াৰ ব্যৱস্থা কৰা হব।

শ্ৰীভৱেন ভড়ালী ঃ মাননীয় অধ্যক্ষ মহোদয়, বাকী শতকৰা ৫০ ভাগক কেতিয়া নিয়োগ কৰিব ? এই পদ বিলাক পূৰণ নকৰি কিয় পেলাই থোৱা হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ নীতি অনুসৰিয়েই এই বাকী থকা পদ বিলাক পূৰণ কৰা হোৱা নাই।

**বিষয় ঃ বিদ্যুত শক্তি উৎপাদন ।**

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*৫১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ১৯৮৬-৮৭ চনত নিজাববীয়াকৈ কিমান বিদ্যুৎ শক্তি উৎপাদন কৰিছে আৰু অন্যান্য উৎসৰ পৰা কিমান বিদ্যুত শক্তি ক্ৰয় কৰিছে।

(খ) উক্ত সময় ছোৱাত বিদ্যুৎ শক্তি ক্ৰয় কৰাত কিমান খৰচ হ'ল আৰু নিজাকৈ উৎপাদনত বিদ্যুৎ পৰিষদে কিমান খৰছ কৰিলে ?

(গ) বিদ্যুৎ শক্তি বিক্ৰি কৰি উক্ত বছৰটোত কিমান টকাৰ ৰাজহ সংগ্ৰহ কৰা হল ?

(ঘ) বিদ্যুৎ শক্তি বিতৰণ কৰোতে Feeder wise মিটাৰ ৰখাৰ ব্যৱস্থা আছেনে ?

(ঙ) যদি নাই, কিয় নাই জনাবনে ?

(চ) যদি আছে Feeder wise Metering ব্যৱস্থাৰে ৰাজহ সংগ্ৰহ কৰা হৈছে নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ১৯৮৬-৮৭ চনত নিজাববীয়াকৈ ৯৯৭.১৪ নিযুত ইউনিট শক্তি উৎপাদন কৰিছে আৰু ৪৭১.৩৭ নিযুত ইউনিট বিদ্যুৎ শক্তি ক্ৰয় কৰিছে।

(খ) উক্ত সময় ছোৱাত অৰ্থাৎ ১৯৮৬-৮৭ চনত বিদ্যুৎ পৰিষদে মুঠ ২৮.৫০ কোটি টকা বিদ্যুৎ শক্তি ক্ৰয় কৰাত খৰচ কৰিছে আৰু নিজাকৈ বিদ্যুৎ উৎপাদনৰ বাবদ মুঠ ৫১.৫৭ কোটি টকা খৰচ কৰিছে।

(গ) ১৯৮৬-৮৭ সময় চোৱাত বিদ্যুৎ পৰিষদে মুঠ ৬২.১৯ কোটি টকা বিদ্যুৎ শক্তি বিক্ৰি কৰাৰ বাবদ ৰাজহ সংগ্ৰহ কৰা হয়।

(ঘ) বেছিভাগ ফিদাৰৰ ( Feeder ) বাবে মিটাৰ স্থাপন কৰা হৈছে। পৰ্য্যায় ক্ৰমে অহা ২ বছৰৰ ভিতৰত বাকী বিলাকতো মিটাৰ স্থাপন কৰা হব বুলি আশা কৰা হৈছে।

(ঙ) প্ৰযোজ্য নহয়।

(চ) এই ফিডাৰ উৱাজ মিটাৰ ব্যৱস্থাৰ জৰিয়তে সদায় ৰাজহ সংগ্ৰহ কৰা নহয়।

শ্ৰীজয়নাথ শৰ্ম্মাঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে, টোটেল ব্যয় হ'ল ৭৯ কোটি টকা। আৰু সেই বছৰটোত ৰাজহ দেখুৱাইছে ৬২ কোটি টকা। বাকী ১৭ কোটি টকা কলৈ গ'ল? ইয়াৰ এটা অনুসন্ধান কৰিব লাগে। হাইলেভেল এংকুৱেৰী হব লাগে। বিদ্যুত শক্তি এনেকৈ ডাঙৰ ডাঙৰ হোটেলত চুৰ কৰি যোগান ধৰা হয় যাৰ ফলত কোনো ৰেভিনিউ নাপায়। এটা বছৰত যদি ১৭ কোটি টকা লোকচান হব পাৰে তেতিয়াহলে দেখা যায় যে বছৰি বছৰি হাজাৰ হাজাৰ কোটি টকা লোকচান হৈ আছে। তাৰ মানে শক্তি উৎপাদন আৰু বিতৰণৰ কোনো হিচাব ৰখা নাই।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা উত্থাপন কৰিছে এই ক্ষেত্ৰত মই ইয়াকে কব বিচাৰো যে কিছুমান কাম কাজ যে চলি আছে এইটো কথা থিক।

শ্ৰীজয়নাথ শৰ্ম্মা: কাম-কাজ মানে কি বুজাইছে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)ঃ ইয়াৰ লগতে কিছুমান কথা আছে, যেনে ধৰণে কাৰোবাৰ পৰা হাজাৰ হাজাৰ টকা পাবলগীয়া আছে। দ্বিতীয়তে আমাৰ যিখিনি টকা পাবলগীয়া আছে সেইখিনি এতিয়াও পোৱা হোৱা নাই। কাৰোবাৰ ক্ষেত্ৰত এই টকা দিবলৈ কোৱা হৈছে আৰু কাৰোবাৰ ক্ষেত্ৰত বিদ্যুৎ কৰ্ত্তন কৰিবলৈ কোৱা হৈছে। কিন্তু কিছুমানে এই সম্পৰ্কত কেচ কৰিছে কেচত ষ্টে অৰদাৰ হৈছে। তেনেধৰণে কিছুমান পাবলগীয়া টকাও আমি পোৱা নাই। বৰ্ত্তমান আমাৰ এ, এচ, ই, বিৰ ফালৰ পৰা এই ব্যৱস্থা লোৱা হৈছে। আৰু এনেকৈয়ে ৰাজহ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই বছৰত যি সংগ্ৰহ হৈছে তাৰ ভিতৰত যোৱা বছৰৰ সংগ্ৰহো দেখুৱা হৈছে। ৬২ কোটি টকা যি দেখুৱা হৈছে তাৰ ভিতৰত যোৱা বছৰৰো পাবলগীয়া আছে। এতিয়া কথাটো হৈছে এ, এচ, ই, বিয়ে ব্যৱস্থা লোৱাত মই সন্তুষ্ট হোৱা নাই কাৰণ উদক ভেটা ৰখীয়া পতাৰ নিচিনাহে হৈছে। গতিকে সদনৰ ফালৰ পৰা এখন অনুসন্ধান কমিটি পতা হওক। এ,এচ,ই, বি যেতিয়া মনোপলি বিজিনেচ তাত লোকচান হোৱা কোনো কথাই নাই।

শ্ৰীহেমেন দাস ঃ সদনে যেহেতু ইচ্ছা কৰিছে তেতিয়া এখন কমিটি পাতি দিব লাগে।

Shri A. F. Gulam Osmani : Sir, We approve the suggestion given by the Hon'ble Member Shri Zoi Nath Sarma. Sir, at the same time we Would like to know how much the Electricity Board is to get from the Government of Assam i. e. the outstanding dues and I believe it is running to crores and crores of rupees. may be exceeded 20 crores.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মই কওঁ যে বহু কোটি টকা ইতিমধ্যে অসম চৰকাৰে বিদ্যুৎ পৰিষদক গ্যাৰাণ্টি লৈ দিয়াৰ ব্যৱস্থা কৰিছে। কিহৰ কাৰণে এইটো লষ্ট হৈছে মই ৫ কোটি টকাৰ হিচাব এটা দাখিল কৰিবলৈ বিচাৰিছো।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, লষ্ট হৈছে আৰু ধাৰ ১১৩২ কোটি টকা। মনোপলি বিজিনেচত ইমান টকা ধাৰ হয় নেকি ?

মাননীয় অধ্যক্ষ ঃ বিষয়টো যেতিয়া গুৰুত্বপূৰ্ণ সদনৰে এখন কমিটি কৰি দিয়া হ'ল।

**বিষয় ঃ ষ্টেটফেডৰ লাভালাভ।**

শ্ৰীদূৰ্গা দাস বড়োৱে সুধিছে ঃ

*৫২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৬-৮৭ চনত ষ্টেটফেডৰ কিমান টকা লাভ বা লোকচান হৈছে।

(খ) স্থানীয় শিক্ষিত যুৱকক উক্ত বিভাগৰ যোগেৰে বস্তু বাহানি ক্ৰয় কৰাৰ বৰ্ত্তমানেও ব্যৱস্থা চলি আছে নেকি ?

(গ) যদি আছে, বৰ্ত্তমানলৈকে কি কি সামগ্ৰী কিমানজন স্থানীয় যুৱকৰ দ্বাৰা ক্ৰয় কৰিলে তাৰ তালিকা এখন মেজত ৰাখিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬-৮৭ সমবায় বিত্তিয় বছৰত ষ্টেটফেডৰ লোকচান হয়। এই লোকচানৰ পৰিমাণ অপৰিক্ষিত হিচাপ মতে ২ কোটি ৭৯ লাখ ৯৯ হেজাৰ টকা। ( ২৭৯'৯৯ লাখ টকা )।

(খ) হয়, উক্ত ব্যৱস্থা এতিয়াও চলি আছে।

(গ) এতিয়ালৈকে প্ৰায় ২০০ ৰ অধিক যুৱকক বিভিন্ন সামগ্ৰী যোগান ধৰাৰ বাবে ব্যৱসায়িক সুবিধা দিয়া হৈছে। তালিকা সদনৰ মেজত ৰখা হৈছে।

[ তালিকা অনুবন্ধ '১' ত চাওঁক ]

**বিষয়ঃ গুৱাগাছা মৰাপাট কল:**

শ্ৰীকুমাৰ দীপক দাসে সুধিছেঃ

*৫৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটাৰ গুৱাগাছাত সমবায় খণ্ডত নিৰ্ম্মাণ কৰিব খোজা মৰাপাট কলটো কি পৰ্য্যায়ত আছে ?

(খ) গুৱাগাছা সমবায় মৰাপাট কলৰ সভাপতি আৰু সদস্য আছে নেকি ?

(গ) যদি আছে নাম আৰু ঠিকনা জনাবনে ?

(ঘ) উক্ত সমবায় খনৰ নামত বৰ্ত্তমান বেংকত থকা টকাৰ পৰিমাণ কিমান?

(ঙ) উক্ত সমবায় খনৰ জমা খৰচৰ হিচাব জনাবনে ?

(চ) সমবায় খনৰ নামত থকা গাড়ী, কাৰ্য্যালয়ৰ আচবাব কি পৰ্য্যায়ত আছে আৰু কাৰ জিম্মাত আছে জনাবনে ?

(ছ) উক্ত সমবায় খন ( গুৱাগাছা মৰাপাট ক'ল সমবায় )ৰ সলনি অইন কোনো উদ্যোগ স্থাপনৰ বাবে যো-জা কৰি অন্য এখন সমবায় লৈ ৰূপান্তৰিত কৰিব পৰা যাব নেকি ?

(ঝ) সমবায় খনৰ টকা পইচাৰ কিবা খেলি মেলি বিভাগৰ দৃষ্টি গোচৰ হৈছে নেকি ?

(ঞ) যদি হৈছে, তাৰ বিশদ বিৱৰণ জনায় যেন ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে:

(ক) বৰ্ত্তমান অচল অৱস্থাত আছে।

(খ) নাই ; এজন বিভাগীয় কাৰ্য্যবাহী বিষয়া নিয়োগ কৰা হৈছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বৰ্ত্তমান সমিতিৰ নামত বেংকত ৯৭,১৫৯·৬০ টকা জমা আছে।

(ঙ) লগত গাঠি দিয়া ১৯৮৫-৮৬ চনৰ উদ্ধৃত পাত্ৰ ( বেলেঞ্চ চিট )ত সবিশেষ পাব।

[ উতধৃত আদি অনুবদ্ধ '২' ত চাওঁক ]

(চ) সকলোখিনি কাৰ্য্যবাহী বিষয়াৰ জিম্মাত আছে কিন্তু গাড়ীখন অচল অৱস্থাত মটৰ কাৰখানাত পৰি আছে।

(ছ) সদ্যহতে তেনে কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

(ঝ) হয়।

(ঞ) ১৯৮৫-৮৬ চনৰ উদ্ধৃত পত্ৰ মতে সমিতিখনৰ পুজিৰ ৪৫৭৩·২৫ টকা ( চাৰি হেজাৰ পাচশ তেশত্তৰ টকা পচিশ পইচা ) চাৰিজন প্ৰাক্তন সম্পাদক আৰু এজন প্ৰাক্তন সভাপতিৰ পৰা পাওনা আছে।

Starred Question no, 54 was not Called for.

**Undisposed starred Question :**

( Starred Question No. 55 to 60—to which oral answers were not called for want of time. However, written answers deemed to have been laid on the Table as follows : )

**Re : Extension of term of N C, Hills District Council.**

Shri G. C. Langthasa, asked :

*55. Will the Minister, Hill Areas be pleased to state :

(a) Whether the present extended term of the N C. Hills District Council, which will be completed on 25th September, 1987 will be further extended ?

(b) If not, when the election of the District Council of N. C. Hill District will be held ?

Shri Samsing Hanse, ( Minister, Hill Areas Department) replied :

(a) & (b)—It has not been extended. It has been decided to hold the election on 16.11 87 in respect of all the Constituencies of N. C. Hills District Council except the 14-Langting Constituency and Government Notifications on the same has been issued.

**বিষয় : ধুমকুৰাৰ মঠাউৰি ।**

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*৫৬। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিগাওঁ মহকুমাৰ ধুমকুৰা ( সোনাৰী গাওঁ ) মেকানিকেল বিভাগৰ কামৰ হেমাহীৰ বাবে মঠাউৰি ভঙা বুলি উঠা অভিযোগটো সচানে ?

(খ) যদি সচা হয় তেন্তে এই সন্দৰ্ভত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীছামছিং হাঞ্চে, ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) সচা বুলি কব নোৱাৰি ।

(খ) প্ৰশ্ন নুঠে ।

**বিষয় : শিশু ভৱন নিৰ্মাণ**

শ্ৰীমতী জোৎস্না সোনোৱালে সুধিছে ঃ

*৫৭। মাননীয়া সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

প্ৰতিটো ব্লক পৰ্য্যায়ত একোটা শিশু ভৱন খোলাৰ চিন্তা চৰকাৰে কৰিছেনে ?

শ্ৰীৰেখাৰাণী দাসবড়ো, ( নাৰী আৰু সমাজ কল্যাণ, মন্ত্ৰী )য়ে উত্তৰ দিছে :

ব্লকপৰ্য্যায়ত শিশুভৱন খোলাৰ কোনো আঁচনি বৰ্ত্তমানে চৰকাৰৰ হাতত নাই ।

**বিষয় : কলীয়া ভোমোৰা দলংৰ ওচৰত গৰাখহনীয়া :**

শ্ৰীগুনীন হাজৰিকাই সুধিছে :

*৫৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান কলিয়া ভোমোৰা দলংওৰ ওচৰত হৈ থকা ব্যাপক গৰা-খহনীয়া "গাইড বান্ধ ( Guide Bund ) নিৰ্ম্মাণৰ ফলতেই যে হৈছে এই কথা অসম চৰকাৰৰ বাননিয়ন্ত্ৰণ বিভাগে পূৰ্বে আশংকা কৰি উত্তৰ-পূৰ পৰিষদ তথা কেন্দ্ৰীয় চৰকাৰক 'গাইড বান্ধ' নিৰ্ম্মাণৰ সময়ত জনাইছিলনে ?

(খ) যদি জনাইছিল, প্ৰতিৰোধৰ ব্যৱস্থা কিয় লোৱা নহল ?

(গ) বৰ্ত্তমান হোৱা ব্যাপক ক্ষতিৰ বাবে ক্ষতিপূৰণ সহ খহনীয়া প্ৰতি-ৰোধৰ সমস্ত ব্যয় উত্তৰ-পূৰ পৰিষদ তথা কেন্দ্ৰীয় চৰকাৰৰ পৰা আদায় কৰা ব্যৱস্থা লবনে ?

(ঘ) অহা বাৰিষাৰ আগতে খহনীয়া প্ৰতিৰোধক ব্যৱস্থা লৈ নগাওঁ জিলাৰ সমস্ত পূৰ্ব্বাঞ্চলৰ ৰাইজ আৰু কলিয়া ভোমোৰা দলংৰ পথ বিশ্চিন্ন হোৱাৰ নিশ্চিত বিপদৰ পৰা ৰক্ষা পৰাৰ আশ্বাস দিবনে ?

শ্ৰীছামছিং হাঞ্চে, ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) এই আশংকাৰ কথা পূৰ্বেই উত্তৰ-পূৰ পৰিষদে এই সংক্ৰান্ত গঠন কৰি দিয়া ( Review and Monitoring Committee ) আৰু কাৰিকৰি কমিটিত ব্যাক্ত কৰা হৈছিল ।

(খ) উক্ত দুই কমিটিয়ে এই আশংকা সদ্যহতে অমূলক বুলি সিদ্ধান্ত কৰে আৰু অৱস্থা নিৰিক্ষণ কৰাৰ পৰামৰ্শ দিয়ে। গতিকে তেতিয়া কোনো কাৰ্য্যকৰী ব্যাৱস্থা লব পৰা নহল।

(গ) উত্তৰ-পূৰ পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত খহনীয়া প্ৰতিৰোধক ব্যৱস্থা লবৰ বাবেই বা এই বিভাগক এই ব্যৱস্থা লবৰ কাৰণে মঞ্জুৰী দিবৰ বাবে ইতিমধ্যে যোগাযোগ কৰা হৈছে।

(ঘ) ওপৰোক্ত প্ৰতিৰোধ ব্যৱস্থাৰ বাবে উত্তৰ-পূৰ পৰিষদ নাইবা কেন্দ্ৰীয় চৰকাৰৰ পৰা আবশ্যকীয় মঞ্জুৰী আৰু বিত্তৰ যোগান পালেহে উক্ত প্ৰতিৰোধ ব্যৱস্থাৰ কাম হাতত লব পৰা হব।

**বিষয়ঃ মৈৰাবাৰীৰ উত্তৰ ফালে থকা মথাউৰি মেৰামতি।**

শ্ৰীশ্বহিতুল ইছলামে সুধিছে :

*৫৯। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৈৰাবাৰীৰ উত্তৰ ফালে মথাউৰিৰ ৰিং বান্ধ ছিগিছে এই কথা চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত মথাউৰি মেৰামতি কৰিবলৈ চৰকাৰে সোনকালে কিবা ব্যৱস্থা লবনে ?

(গ) মথাউৰিত যোৱা মাটিৰ ক্ষতিপূৰণৰ কাৰণে ৰাজহ বিভাগত বাননিয়ন্ত্ৰণ বিভাগে কিবা যোগাযোগ কৰিছে নেকি ?

শ্ৰীছামচিং হাঞ্চে, ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, চৰকাৰে জানে।

(খ) হয়. বানপানী কমাৰ পিছত মেৰামতিৰ ব্যৱস্থা লোৱা হব।

(গ) হয়।

**Re: Probable erosion in Sukchar.**

Shri Aminul Islam asked :

*60. Will the Minister of flood control be pleased to state ?

(a) Whether the Government is aware of the fact that the existence of Sukchar ( in Mankachar, Constituency ) is being threatened by the erosion of ever approaching Brahmaputra ?

(b) If yes, what steps are being taken for the protection of Sukchar ?

শ্ৰীছামচিং হাঞ্চে, ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) শুকচৰত তেনেকুৱা ভয়াবহ ধৰণৰ খহনীয়া হোৱা নাই।

(খ) বৰ্ত্তমান কোনো প্ৰস্তাৱ নাই।

**Unstarred Questions.**

**বিষয়ঃ ক্ৰীড়া আৰু যুৱকল্যাণ আঁচনি :**

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

৯৫। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৭-৮৮ চনত অসমৰ ক্ৰীড়া আৰু যুৱকল্যাণৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে ?

(খ) অসমৰ কোন কোন খণ্ড উন্নয়ন এলেকাত ১৯৮৭-৮৮ চনত খেলৰ উন্নয়নৰ বাবে সৰু খেলপথাৰ (মিনি ষ্টেডিয়াম) দিয়াৰ বাবে ব্যৱস্থা হাতত লৈছে?

(গ) প্ৰত্যেক খন খেল পথাৰে কিমান টকাৰ অনুদান পাব?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মূল আঁচনি সমূহ হ'ল :

(১) প্ৰতি খণ্ড উন্নয়ন এলেকাত মিনি ষ্টেডিয়াম নিৰ্ম্মাণ।

(২) থলুৱা ক্ৰীড়া আৰু খেল সমূহৰ উন্নয়ন।

(৩) শৰীৰ চৰ্চ্চা শিক্ষাৰ প্ৰসাৰ আৰু উন্নয়ন।

(৪) গ্ৰাম্য ক্ৰীড়া আৰু খেল-ধেমালী প্ৰসাৰ আৰু উন্নয়ন।

(৫) ইনড'ৰ হল নিৰ্ম্মাণ।

(৬) যুৱকল্যাণ আঁচনি।

(৭) ৰাজ্যিক ভিত্তিত আৰু বিদেশত খেল আৰু ক্ৰীড়া প্ৰশিক্ষন।

(৮) যুৱ-নিবাস নিৰ্ম্মাণ।

(৯) উত্তৰ পূৱ এলেকাৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া অনুস্থানৰ (N.I.S.) আঞ্চলিক কেন্দ্ৰ স্থাপন।

(১০) ক্ৰীড়া যুৱ-নিবাস নিৰ্ম্মাণ।

(১১) চুইমিং পুল নিৰ্ম্মাণ।

(১২) জাতীয় ক্ৰীড়া প্ৰতিভা বিকাশ প্ৰতিযোগিতা।

(১৩) "অডিঅ' ভিচুৱেল" মাধ্যম যোগে ক্ৰীড়া উন্নয়ন।

(১৪) গ্ৰাম্য ক্ৰীড়া প্ৰতিভা সন্ধান আঁচনি।

(খ) ১৯৮৭-৮৮ চনত মিনি ষ্টেডিয়াম তৈয়াৰ কৰিব লগীয়া উন্নয়ন খণ্ড সমূহৰ নাম এতিয়াও নিৰ্ব্বাচিত হোৱা নাই।

(গ) প্ৰতিখন মিনিষ্টেডিয়াম নিৰ্ম্মাণৰ বাবে পাঁচ লাখ বাসত্তৰ হেজাৰ টকাৰ মঞ্জুৰী দিয়াৰ আঁচনি আছে। ইয়াৰে প্ৰথম কিস্তিত এক লাখকৈ টকা দিয়া হয়।

**Re. : Expenditure incurred in Silchar Sub – Division.**

Shri Swarup Upadhaya asked :

96. Will. the minister, flood control be pleased to state :

(a) Expenditure incurred subdivisionwise of Silchar Flood Control Division for

(a) F.D.R

(b) Original work

(c) Payment of dues under different heads to contractors. During the year 1986-87 and up to June of 1987 ( from 1st April, 1987 be shown seperately yearwise )?

Shri Samsing Hanse, (Minister, Flood Control,) replied :

(A) Expenditure incurred Sub-divisionwise for F.D.R works as following during 1986-87.

(i) Silchar Flood Control Sub-division

No. (i).... ... ... .... .... .. Rs. 19.71 lakhs.

(ii) Silchar F.C. Sub-division

No. (ii)... .... .... ....Rs. 35.21 lakhs.

(iii) Sonai F.C Sub-division ....Rs. 13.05 ,,

(B) Expenditure incurred Sub-divisionwise for Original works during, 1986-87.

(i) Silchar F.C. Sub-division.

No. I .... ... .... .... ....Rs. 46.40 lakhs.

(ii) Silchar F.C. Sub-division.

No. (ii) .... .... .... .... ....Rs. 6 34 ,,

(iii) Sonai F.C. Sub-division, Sonai Rs. 0.01 ,,

(c) payment of dues under different heads as follows ( Repair works )

(i) Silchar F C. Sub-division

No (i) .... ... .... .... ...Rs. 15.03 lakhs.

(ii) Silchar F.C. Sub-division.

No. (ii)··· .... .... ... ...Rs. 12·72 ,,

(iii) Sonai F.C. Sub-division. Rs. 12·59 ,,

Expenditure up to June/1987.

(A) Expenditure for F.D.R. work. .... .... ... .... .... .... Nil.

(B) Expenditure for original works.

(i) Silchar F.C. Sub-division No. i Rs. 15 50 lakhs

(ii) Silchar F.C. Sub-division No (ii).... ... .... Rs. 1.43 "

(iii) Sonai F.C. Sub-Division .... ... Nil.

(C) Expenditure for Repair works up to June/87.

(i) Silchar F.C. Sub-division No.(i) Rs. 6.07 lakhs.

(ii) Silchar F.C.Sub-division No. (ii) Rs. 5.11 "

(iii) Sonai F.C. Sub-division.... ...Rs. 2.34 "

**Re : Ratabari Agricultural land submerged by water.**

Mrs Kumari Rabi Das. asked :

97. Will the Minister, Irrigation be pleased to State :

(a) Whether Government is aware that Vast part of Agricultural land in Ratabari (SC) area remain under water for the last 3/4 years due to lack to proper drainage and other facilities ?

(b) If so whether the Government have taken up any schemes to clearout that canals to remove water lodging ?

(c) Whether the Government has taken up any major schemes for Irrigation in the S.C. Villages like Fanairbond Cheragi Bidyanagar, Singleherra, Harinagar, Veterbond etc, ?

Shri pabindra Deka, ( Minister Irrigation ) replied :

(a) Yes. occassionally the area remains waterlogged during the high stage of river shingla and due to heavy rainfull in the locality.

(b) No. Drainage schemes of such nature is taken up by the Irrigation Department.

[c) There is no proposal for any major Irrigation Scheme for the said area. However, there is a proposal for Deep Tube Well Scheme in the Village Fanair bond in the sub-divisional level planning for 1988-89.

**Re : Total load sheding within the State**

Shri Ardhendu Kr. Dey, asked :

98. Will the Minister, Power be pleased to State :

(a) What is the total load sheding within the State from Ist January, 1987 to 31st August, 1987 ?

(b) What is the primary cause of such Load Sheding ?

Shri Lalit Chandra Rajkhowa (Minister, Power) replied :

(a) The Load Sheding in the State during peak-hours varies everyday. The maximum load Sheding and average load Sheding during the months from January/87 to August/87 is shown below :

| | Maximum Load Sheding in peak hours (MW) | Average Load Sheding during the month, during peak hours (MW) |
|---|---|---|
| January/87 | 156.0 | 63·1 |
| February/87 | 83.8 | 35·5 |
| March/87 | 89.2 | 44·9 |
| April/87 | 94.9 | 32·0 |
| May/87 | 130.5 | 54·4 |
| June/87 | 112.2 | 58·0 |
| July/87 | 111.1 | 47.4 |
| August/87 | 127.6 | 65.1 |

(b) The Primary causes of load-sheding in the State are as below :

1. Non-availability of machines at Bongaigaon Thermal Power stations. Only one out of four units of B.T.P.S. was available most of the time except in the months of April/87 and May/87, when two units were running.

2. Non availability of desired import from Meghalaya.
3. Non-availability of import from Kopili Hydro Project.
4. Prolonged failure of transmission line of Manipur Government from Lok-tak Power Station and non availability of power from Loktak due to running of only one of three units at Lok-tak Powor Station.
5. Lower generation in Namrup Thermal Power Station due to shut down of three out of six units and unsatisfactory supply of natural gas by Oil India Ltd.
6. Though three units were available for runing since 3.77. 86 at Lakwa only two units could be run for non availability of natural gas. Additional gas was made available only from 18.8.87 for runing three units and that two not full quantity.

**Re : Plying of Night Super :**

Sri Digendra purkayasta, asked :

99. Will the Minister, Transport be pleased to state :

(a) Is it a fact that the A. S. T. C. Night Super is plying every alternate day from Silchar to Guwahati and vice versa ?

(b) If so, what is the reasons for not plying daily ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) শিলচৰস্থ অসম ৰাজ্যিক পৰিবহন নিগমৰ নৈশবাছখন যোৱা ১২ জুলাই/৮৭ তাৰিখে দুৰ্ঘটনাগ্ৰস্থ হোৱাৰ ফলত গুৱাহাটীৰ পৰা শিলচৰলৈ নৈশবাছ সাময়িক ভাবে এদিনৰ অন্তৰে অন্তৰে চলাচল কৰি আছিল।

(খ] এই নৈশ সেৱা বাছখনৰ মেৰামতিৰ পিচত ১১-৯-৮৭ তাৰিখৰ পৰা দৈনন্দিন সেৱা হিচাবে পুনৰ প্ৰবৰ্ত্তন কৰা হৈছে।

**Re. : Remodelling of Irrigation Scheme.**

Sri Monilal Gowala asked :

100. Will the Minister, Irrigation be pleased to State :

(a) Whether there is any proposal with the Government for the remodelling of old irrigation schemes under patharkandi Sub-division (Karimganj Division)

(b) If so, what interim measures does the Government propose to take run the said old schemes in the interest of the local agriculturists.

Sri Pabindra Deka (Minister Irrigation) replied :

(a) No. But there are two numbers of old surface lift Irrigation scheme from river Longai namely Patharkandi Electrically Lift Irrigation schemes and Patharkandi Extension Electrically Lift Irrigation Schemes are being remodelled as per schemes Administratively approved during the year 1980 and 1986 respectively.

(b) Under Patharkandi E.L.I.S. out of 4 nos of lift points 3 nos lift points are under operation. The remaining one will be put into operation shortly.

Under Patherkandi Extension E. L. I. S. out of 6 nos lift Points 2 nos are in running condition 1 No of lift point is abandoned due to tachnical grounds and remaining 3 nos lifting points are demaged due to flood. The same will be repaired on receipt of flood demage grant.

**বিষয় : বৃদ্ধ পেঞ্চন পোৱা মানুহৰ সংখ্যা।**

শ্ৰীমুকতাৰ হুছেইনে, সুধিছে :

১০১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বৰ্ত্তমান কিমানজন মানুহে বৃদ্ধ পেঞ্চন পাই আছে? (জিলা ভিত্তিক পৰিসংখ্যা দিব)

[খ] বৃদ্ধ পেঞ্চন হিচাপে প্ৰত্যকজন মানুহক কিমান টকা দিয়া হয়?

(গ) এইটো সচানে যে বৃদ্ধ সকলৰ পেঞ্চনৰ পাব লগা টকা ১৫/১৬ মাহ ধৰি বাকী ৰৈ আছে?

শ্ৰীমতী ৰেখাৰাণী দাসবড়ো, (ৰাজ্যিক মন্ত্ৰী, নাৰী আৰু সমাজ কল্যাণ) মহোদয়াই উত্তৰ দিছে :

[ক] মুঠ ৩২.৭৫৮ জন [ জিলা ভিত্তিক পৰিসংখ্যা পৰিশিষ্ট 'ক'ত দিয়া হ'ল ] ।

[ পৰিসংখ্যা অনুবন্ধ 'ত'ত চাওক ]

[খ] প্ৰতিজনকে মাহে ৬০ টকাকৈ দিয়া হয় ।

[গ] চৰকাৰৰ হাতত তেনে কোনো তথ্য নাই ।

**Re. : Rural Consumers Coop : Societies**

Sri Dileswar Tanti asked :

102. Will the Minister, Co-operation be pleased to state ?

(a) The number of rural consumers Co-operative Societies in Tinsukia Subdivision ?

(b) The names of these societies and which are the Co-operatives which are running in losses ? ( Information may be furnished namewise. yearwise and the amount of losses against each ).

(c) What steps the Government is proposes to take to improve the conditions of these co-operative which are incurring losses and to Punish the persons concerned who are responsibles for these losses ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, [ সমবায় বিভাগৰ মন্ত্ৰী ]য়ে উত্তৰ দিছে :

[ক] তিনিচুকীয়া মহকুমাত ১৮ খন গাওঁ পঞ্চায়ত সমবায় সমিতি আছে। এই সকলোবোৰ গাঁৱলীয়া গ্ৰাহক সমবায় সমিতি ।

[খ] উক্ত সমিতি সমূহৰ নাম তলত দিয়া হল ।

১। বাপুজী সমবায় সমিতি লি:

২। বজালতলী সমবায় সমিতি লিঃ

৩। বৰবীল সমবায় সমিতি লিঃ

৪। বেৰিকুৰি সমবায় সমিতি লিঃ

৫। গাভৰু ভেটি " " "

৬। কেটেটিং " " "

৭। কাক্ পথাৰ " " "

৮। লিডু সমাবায় সমিতি লিঃ
৯। লাই পুলি " " "
১০। মাৰ্ঘেৰিটা সমবায় সমিতি লিঃ
১১। টিপুক " " "
১২। টিৰাপ " " "
১৩। টিংবাই " " "
১৪। টুঙলা " " "
১৫। টালাপ " " "
১৬। বুঢ়ীদিহিং " " "
১৭। ডাঙৰী " " "
১৮। চৈখোৱা " " "

যোৱা তিনিবছৰত লোকচান ভৰিথকা সমিতি সমূহৰ বছৰি লাভ লোকচানৰ পৰিমান সহ তালিকা তলত দিয়া হ'ল।

| সমিতিৰ নাম | ১৯৮৪-৮৫ চন | ১৯৮৫-৮৬ চন | ১৯৮৬-৮৭ চন |
|---|---|---|---|
| ১। গাভৰু ভেটি সমবায় সমিতি | (-) ১৩,১০৬ টকা | (+) ৫,০৭০ টকা | (+) ২,০৩৯ টকা |
| ২। কাকপথাৰ " " | (+) ৪,৭৬৩ " | (+) ৬,৯০৫ " | (-) ৩৬,৬৫৬ " |
| ৩। টঙনা " " | (-) ১৮,০৮১ " | (-) ২৬,৪০৩ " | হিচাব পৰীক্ষা হোৱা নাই। |
| ৪। বাপুজী " " | (-) ১৭,৩৫৬ " | (-) ২১,৩১৮ " | (-) ৬,৫৪৭ " |
| ৫। বজালতলী " " | (-) ৮ ৭৭৩ " | (-) ১৪,১৩১ " | (-) ১৮ ৬০০ " |
| ৬। লাইপুলী " " | (+) ৬,০৩৩ " | (-) ৩,০৭৭ " | (+) ৫,২৩৬ " |
| ৭। টিংবাই " " | (-) ৬,৫৩১ " | (+) ১,৯১৩ " | (+) ২,৩৯০ " |
| ৮। কেটেটং " " | (-) ১০,২২০ " | (+) ৭,৪৫১ " | (-) ১৩,৬০১ " |
| ৯। বৰবীল " " | (+) ৪,৭৩৫ " | (-) ৯,৭৪২ " | (-) ২৯,৬৭৩ " |
| ১০। মাৰ্ঘেৰিটা " " | (+) ৮১২ " | (-) ১,১৬৪ " | (-) ১২,৬৪৪ " |
| ১১। লিডু " " | (-) ১১,৫৪৮ " | (-) ১৪,৩৪৭ " | (+) ২,৩১৪ " |
| ১২। তালাপ " " | (-) ১৩,৬৬৩ " | ( ) ২৮,৩৬৬ " | (+) ১৫৯ " |
| ১৩। টিৰাপ " " | (-) ৯ ৭৫৫ " | (-) ৯,৪১৩ " | (+) ১,৪০০ " |
| ১৪। চৈখোৱা " " | (-) ২৪,৭৬১ " | (-) ২৩,৯৪৫ " | হিচাব পৰীক্ষা হোৱা নাই |
| ১৫। ডাঙৰী " " | (-) ১২,৩৪৮ " | (-) ১৯,২৬৩ " | (-) ১৪,৫৮৪ " |
| ১৬। বুঢ়ীদিহিং " " | (-) ২,৬৭৭ " | (-) ৩৭৫ " | (+) ৪,২৪৭ " |

(গ) সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়ক সকলৈ লোকচানৰ বিষয়টো দ-কৈ ফঁহিয়াই চাবলৈ আৰু আৰ্থিক পৰিস্থিতি উন্নত কৰিবৰ কাৰণে বিহিত ব্যৱস্থা লবলৈ চৰকাৰৰ ফালৰ পৰা নিৰ্দ্দেশ দিয়া হৈছে।

**Re : Enquiry of filling of breach at Kharikhona Sildubi Bundh.**

Shri Santi Ranjan Dusgupta asked :

103. Will the Minister, Flood Control be pleased to state ?

(a) Whether by D.O. letter No.M/HAD/16/86 dated 20·6 87 the Minister assured the questioner to make an enquiry of filling of breach at Khrikhona sildubi Bundh at the Akanta Jamunasit point by the Secretary Flood Control ?

(b) If so, What was the result of the Enquiry ?

(c) Whether there was any mis-appropriation of money ?

(d) If so, what step the Government has taken against the concerned person/persons ?

শ্ৰীছামছিং হাঞ্চে ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) তদন্ত কৰিবলৈ দিয়া হৈছে।

(গ) তদন্ত এতিয়াও শেষ নোহোৱাৰ বাবে তদন্ত প্ৰতিবেদন পোৱা হোৱা নাই।

(ঘ) তদন্ত প্ৰতিবেদন পোৱাৰ পাচত যথোচিত ব্যৱস্থা লোৱা হব।

**বিষয় : সমবায় আন্দোলন শক্তিশালী কৰণ।**

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে :

১০৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জাতীয় সমবায় নীতি নিৰ্দ্ধাৰণৰ ( National Co-operative Policy Resolution ) অনুসৰি পৰিকল্পনা বিকেন্দ্ৰীকৰণৰ প্ৰধান আহিলা হিচাপে লৈ অৰ্থ নৈতিক উন্নয়ন আৰু সামাজিক বিকাশৰ আঁচনি সমূহ ৰূপায়িত কৰোতে সকলো পৰ্য্যায়তে সমবায়ক নিবিড় ভাবে জৰিত কৰি গণ-তান্ত্ৰিক সমাজ বাদৰ ভিত্তিত অৰ্থনীতি পুনৰ গঠনত উচিত ভূমিকা লব পৰাকৈ সমবায় আন্দোলন ব্যাপক আৰু শক্তিশালী কৰাৰ বাবে চৰকাৰে কিবা আঁচনি লৈছেনে ?

(খ) যদি লৈছে, কি বিশেষ আঁচনি লৈছে ?

(গ) যদি লোৱা নাই, কিয় লোৱা নাই ?

(ঘ) ১৪ দফীয়া আৰ্থসামাজিক কাৰ্য্যসূচীত সমবায়ক কিবা ভূমিকা দিয়া হৈছেনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) ১৯৭৭ চনৰ জাতীয় সমবায় নীতি নিৰ্দ্ধাৰক প্ৰস্তাৱৰ বিভিন্ন প্ৰস্তাৱ সমূহ সম্পূৰ্ণ কৈ কাৰ্য্যকৰী হোৱা নাই যদিও পৰিকল্পনাৰ ক্ষেত্ৰত ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰটোত বিকেন্দ্ৰীকৰণ কাৰ্য্যকৰী কৰা হৈছে। অৰ্থ-নৈতিক উন্নয়ন আৰু সামাজিক বিকাশৰ আঁচনি সমূহ ৰূপায়িত কৰোতে সকলো পৰ্য্যায়তে সমবায়ক নিবিড় ভাবে জড়িত কৰিবলৈ সম্ভৱ হোৱা নাই যদিও, অসমত গাওঁ পঞ্চায়ত সমবায় সমিতিৰ জৰিয়তে কৃষি ঋণ আদি দি গ্ৰাম্য অৰ্থ নৈতিক উন্নয়ন আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত সমৰায়ে এটা বিশেষ ভূমিকা লৈছে। সমবায় আন্দোলন ব্যাপক আৰু শক্তিশালী কৰিবৰ বাবে চৰকাৰে বিভিন্ন সময়ত বিভিন্ন আঁচনি লৈছে।

(খ) ১) সমবায় সমিতি সমূহলৈ আৰ্থিক সাহায্যৰ পৰিমাণ বৃদ্ধি কৰা হৈছে।

২) সমৱায়ৰ কাৰ্য্যক্ষেত্ৰত পৰিসৰ ক্ৰমান্নয়ে বিভিন্ন দিশলৈ বিস্তাৰ কৰা হৈছে।

৩) সমবায় সমিতি বিলাকৰ পৰিচালনাৰ কাৰণে সমবায় বিভাগটো শক্তি-শালী কৰিতোলা হৈছে আৰু বিকেন্দ্ৰীকৰণ কৰা হৈছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ১৪ দফীয়া আৰ্থসামাজিক কাৰ্য্যসূচীত যদিও সমৱায়ৰ নাম উল্লেখ কৰা হোৱা নাই তথাপি ইয়াৰ সুলভ মূল্যত অত্যাৱশ্যকীয় সামগ্ৰী যোগান। আৰু দূৰাদশ ৰক্ষাত ( বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ যোগে সমাজৰ দুৰ্বলতৰ শ্ৰেণীৰ উপকাৰ ) সমবায় জড়িত আছে।

**Re : Repairing of transformer :**

Shri Hemen Das, asked :

105. Will the Minister, power be pleased to state :

(a) It is a fact that a 100 KV transformer was installed at village Julalpur under Panchgram Electrical Sub-division in Cachar district an it went out of order after three days from the date of installation ?

(b) If so, whether has now been repaired ?

Shri Lalit Chandra Rajkhowa (Minister, Power) replied

(a) Yes.

(b) The defective 100 KVA transformer has been removed for rectification.

**Re : Payment of Old Age Pension :**

Shri Maziruddin Ahmed, asked :

106. Will the Minister of Social Welfare be pleased to state :

(a) Whether Old age pension is being paid regularly at Goalpara ?

(b) If not, for how long the arrear is pending ?

(c) Whether henceforth the pension will be paid regularly ?

Smt. Rekha Rani Das Boro, Minister of State, Social Welfare replied :

(a) No.

(b) From July, 1987 onward. the payment is pending.

(c) Steps are being taken for regular payment.

**বিষয় : আমগুৰি পৰিবহন নিগমৰ বাছ আস্থান।**

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে:

১০৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আমগুৰি নগৰত নতুনকৈ এটা পৰিবহন নিগমৰ বাচ আস্থান নিৰ্মান কৰাতকৈ আমগুৰি নগৰতে বহু বিঘা মাটি অধিকাৰ কৰি থকা নগালেণ্ডৰ বাছ আস্থানটোকে গুৱাহাটী পল্টন বজাৰৰ বাছ আস্থানটোকে আন্তঃ ৰাজ্যিক বাছ আস্থান হিচাবে ব্যৱহাৰ কৰিব নোৱাৰি নেকি ?

(খ) যদি পাৰি তেন্তে অতি সোনকালে ব্যৱস্থা কৰাৰ দিহা কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) আৰু (খ) প্ৰশ্নটো স্পষ্ট নহয়। এইটো সচাঁ যে আমগুৰিত এটা আস্থান গৃহ নিৰ্মাণৰ আঁচনি অসম ৰাজ্যিক পৰিবহন নিগমৰ হাতত আছে। তথাপি আমগুৰিত থকা নগালেণ্ড পৰিবহনৰ আস্থানটো অসম ৰাজ্যিক

পৰিবহনৰও ব্যৱহাৰৰ বাবে আৰু ইয়াক এক আন্তঃ ৰাজ্যিক আস্থানলৈ ৰূপান্তৰিত কৰাৰ বাবে নগালেও চৰকাৰৰ লগত যোগাযোগ কৰা হব ।

**Re. : Bhairab Kunda Mini Hydel Project.**

Shri Binai Khungur Basumatary, asked :

**108.** Will the Minister, Power be pleased to state :

(a) The date of completion of the Bhairab Kunda Mini Hydel Project ?

(b) The present position of construction works ?

(c) The names and addresses of all the Contractors involved in this Project ?

(d) The number of Scheduled tribe (Plains) personnel employed in this Project ?

Shri Lalit Chandra Rajkhowa, (Minister Power) replied :

(ক) বৰ্ত্তমান নিৰ্দ্ধাৰণ কৰা সময়সূচী অনুসৰি ধনশিৰি ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পটো শেষ কৰাৰ সময়সীমা ১৯৯০ চনৰ ৩১ মাৰ্চত ধাৰ্য্য কৰা হৈছে।

(খ) ধনশিৰি জলবিদ্যুৎ প্ৰকল্পটোত তলত দিয়া কাম কেইটা সম্পাদন কৰিব লাগিব :

(১) ৩ × ১·৩৩ মেগাৱাত শক্তি সম্পন্ন ৫ টা পাৱাৰ হাউচ।

(২) গৃহ আৰু ৰাস্তা নিৰ্মাণ।

(৩) বৈদ্যুতিক কামৰ ভিতৰত বৈদ্যুতিক যন্ত্ৰৰ যোগদান আৰু সেইবিলাকৰ সংস্থাপন চুইচয়াৰ্দ নিৰ্মান ইত্যাদি।

ধনশিৰী ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ প্ৰাৰম্ভিক কাম ১৯৮৬ চনৰ ২২ মে তাৰিখৰ পৰা আৰম্ভ হয়। সেই তাৰিখত ধনশিৰী জলবিদ্যুৎ প্ৰকল্পৰ কামৰ কাৰণে উপ-সংমণ্ডল বিষয়া নিয়োগ কৰা হয় আৰু তেওঁৰ মুখ্য-কাৰ্য্যালয় ১৯৮৬ চনৰ নবেম্বৰ মাহত ভৈৰৱকুন্দলৈ স্থানান্তৰ কৰা হয়। ইয়াৰ পিছত ১৯৮৭ চনৰ ফেব্ৰুৱাৰী মাহত লংপি জলবিদ্যুৎ প্ৰকল্পৰ পৰা এটা সংমণ্ডল (ব্যৱহাৰীক) ধনশিৰী প্ৰকল্প নিৰ্মান সংমণ্ডল ৰূপে নামাকৰণ কৰি ভৈৰৱকুণ্ডলৈ স্থানান্তৰিত কৰা হয়। তেওঁৰ লগত থকা আন এটা উপ-সংমণ্ডল ভৈৰৱকুণ্ডলৈ সমূহ কৰ্মচাৰীৰ সৈতে স্থানান্তৰিত কৰা হৈছে। বৰ্ত্তমান প্ৰকল্পত চলি থকা কামৰ অগ্ৰগতিৰ বিৱৰণ এটি তলত দিয়া হ'ল।

(অ) ভূমি অধিগ্ৰহণ : ধনশিৰী জলবিদ্যুৎ প্ৰকল্পটোৰ আৱাস গৃহ আৰু

চ্ৰাইচয়াৰ্দৰ কাৰণে মুঠতে ৯১ বিঘা ২ কঠা ৫ লেচা মাটি অধিগ্ৰহণ কৰা হয়। এই মাটি ১৯৮৬ চনৰ নৱেম্বৰ মাহত ওদালগুৰি ভূমি অধিগ্ৰহণ বিষয়াই আগ-তিয়াকৈ হস্তান্তৰ কৰি দিয়ে ৫ টা পাৱাৰ হাউচৰ কামৰ কাৰণে প্ৰয়োজনীয় ভূমি জলসিঞ্চন বিভাগৰ দাৰা আগতে অধিগ্ৰহণ কৰা হৈছে যদিও পৰিষদক এতিয়াও তেওঁলোকে হস্তান্তৰ কৰা নাই। অধিগ্ৰহণ কৰা মাটিৰ চাৰিসীমাৰ বেৰৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

(আ) ভড়াল গৃহ নিৰ্মাণ: পৰিষদৰ নিৰ্মাণ কাৰ্য্যত ব্যৱহাৰ কৰিবলগীয়া সামগ্ৰী সমূহ ৰাখিবৰ কাৰণে ভৈৰৱকুণ্ডত ইতিমধ্যে এটা ভড়াল ঘৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হৈছে।

(ই) কৰ্মচাৰীৰ কাৰণে অস্থায়ী কাৰ্য্যলয় নিৰ্মাণ: ভৈৰৱকুণ্ডত পৰিষদৰ কাম কাজ সুচাৰুৰূপে কৰাৰ কাৰণে ৩ টা অস্থায়ী কাৰ্য্যালয় নিৰ্মাণ কাৰ্য্য ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

(ঈ) কৰ্মচাৰীৰ বাবে অস্থায়ী আৱাস গৃহ: ভৈৰৱকুণ্ডত থাকিবলগীয়া নিতান্ত প্ৰয়োজনীয় কৰ্মচাৰী-বিষয়াৰ কাৰণে ১৭ টা অস্থায়ী বাস-গৃহ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হৈছে।

(উ) বৰ্ত্তমান সম্পূৰ্ণ হোৱা আৱাস গৃহ আৰু কাৰ্য্যলয় গৃহলৈ ওলোৱা সোমোৱা কৰিবলৈ ৰাস্তা ঘাট নিৰ্মাণ কাৰ্য্য চলি আছে।

(ঊ) নিৰ্মাণ কাৰ্য্যত প্ৰয়োজনীয় ১০০০ মে: টঃ লোহা কিনি ইতিমধ্যে গুৱাহাটীৰ পৰা নিয়াৰ ব্যৱস্থা কৰা হৈছে।

(ঋ) কৰ্মচাৰী সকলৰ প্ৰয়োজনীয় স্থায়ী আৱাস গৃহৰ কাৰণে ইতিমধ্যে ব্যৱস্থা কৰা হৈছে আৰু এনেকুৱা ৩৭ টা স্থায়ী আৱাস গৃহ নিৰ্মাণৰ কাৰণে কাৰ্য্যা দেশ দিয়া হৈছে।

(এ) এই প্ৰকল্পৰ কাৰণে প্ৰয়োজনীয় ৫ টা পাৱাৰ হাউচৰ ইতিমধ্যে নিবিদা জাননী প্ৰচাৰ কৰা হৈছে আৰু এই বছৰৰ ভিতৰত পাৱাৰ হাউচৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰাৰ সম্ভাৱনা আছে।

(ঐ) ববিন ফৰেছ নামৰ কোম্পানী এটাৰ প্ৰয়োজনীয় ১৫ টা জেনেৰেটৰ যোগান ধৰিবলৈ ইতিমধ্যে আদেশ দিয়া হৈছে।

(গ) প্ৰকল্পত কাম কৰা ঠিকাদাৰ সকলৰ তালিকা তলত দিয়া হ'ল।

| ঠিকাদাৰৰ নাম | ঠিকনা | কামৰ নাম সমূহ |
|---|---|---|
| ১। শ্ৰীউত্তম চন্দ্ৰ ডেকা | ওদালগুৰি | ঘৰৰ ভিতৰত পানী যোগান ব্যৱস্থা |

| ঠিকাদাৰৰ নাম | ঠিকনা | কামৰ নাম সমূহ |
|---|---|---|
| ২। শ্ৰীদয়াল চন্দ্ৰ ওজা | ওদালগুৰি | টাইপ ফাইভ আৰ চি চি ৰাষ্টা টাইপ |
| ৩। " জেমানসিংহ ব্ৰহ্ম | " | টাইপ ফ'ৰ " " " " |
| ৪। " অগ্নিশিখা বসুমতাৰী | " | টাইপ ফাইভ " " " " |
| ৫। " জয়সিং দৈমাৰী | বনন্দৰগুৰী | টাইপ ফৰ " " " " |
| ৬। " জ্ঞানশংকৰ বসুমতাৰী | " | চেনিটেৰি ফিটিং টু টাইপ বি। |
| ৭। " এপ এচ দাস ইলেকট্ৰিকেল এণ্টাৰপ্ৰাইজ। মঙ্গলদৈ। | এল,-এন ৰোদ,— | ইলেকট্ৰিকেচন টাইপ 'চি' |
| ৮ " মেঘনাথ ব্ৰহ্ম। | অংগ্ৰজুলি, | ভৈৰৱকুণ্ড ওৱাটাৰ চাপ্লাই টাইপ বি। |
| ৯। " দেৱব্ৰট বিশ্বাস | টংলা-দৰং | ইলেকট্ৰিফিকেছন টাইপ এ |
| ১০। " মায়া ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং ওৱৰ্কছ | ওদালগুৰী | ইলেকট্ৰিফিকেছন টাইপ এ |
| ১১। " খনিন্দ্ৰ বড়া | নামঘৰ পথ আৰ জি বৰুৱা পথ গুঃ-৩ | টাইপ চিক্‌চ আসাম টাইপ বিল্ডিং |
| ১২। " জয়ন্ত বসুমতাৰী। | ওদালগুৰি | টাইপ চিক্‌ছ ৮ " " " |
| ১৩। " লুইীত চন্দ্ৰ ভূঁঞা। | নগাওঁ চাউঠ হয়বৰগাওঁ | " " " " " |
| ১৪। " বেঞ্জামিন দৈমাৰী। | ওদালগুৰী | " " " " " |
| ১৫। " বিহন দৈমাৰী। | কহিবাৰী ওদালগুৰী দৰং | " থ্ৰি " " " |
| ১৬। " প্ৰভাত দাস, বিন্দাবন হাঁতী, | বৰপেটা | " " " " " |
| ১৭। " কুবেৰ চন্দ্ৰ চেট্ৰি, | ওদালগুৰী— | " চিক্‌চ " " " |
| ১৮। " উপেন বসুমতাৰী, | ভৈৰৱকুণ্ড— | ওৱৰ্ক প্লেন ফোলৰ |
| ১৯। " নবীন মুচাহাৰী, | ভৈৰৱকুণ্ড— | ডিপষ্টৰি টেংক |
| ২০। " বিহন দৈমাৰী, | কহিবাৰী, ওদালগুৰী— | টেৰ্ঞ্চপটেচন অৰ ষ্টিল মেটেৰিয়েল। |
| ২১। " এম/ এচ, বৰুৱা, কন্সট্ৰাকচন ইঞ্জিনিয়াৰিং কোঃ | তেজপুৰ | " " " " " |
| ২২। " বেঞ্জামিন দৈমাৰী | ওদালগুৰী— | " " " " " |
| ২৩। " অংগদ লহকৰ। | গুৱাহাটী-৬ | ইন্টাৰনেল ইলেকট্ৰিফিকেচন টাইপ থ্ৰি |
| ২৪। " কুবেৰ চন্দ্ৰ চেট্ৰি, | ওদালগুৰী— | ইঃ ইঃ চ অফিচ বিলডিং |
| ২৫। " জয়সিং দৈমাৰী। | বান্দৰগুৰী— | টাইপ 'এ' |
| ২৬। " জ্ঞানশংকৰ বসুমতাৰী। | " | " 'বি' |

ঠিকাদাৰৰ নাম ঠিকনা কামৰ নাম সমূহ

২৭। "বেঞ্জামিন দৈমাৰী। বান্দৰগুৰী—টাইপ এ

২৮। "এইচ বৰ্মণ। ভঙ্গাগড়, গুৱাহাটী-৭ „ 'চি'

২৯। মঃ কমল আনোৱাৰ। নাৰেঙ্গী, গুৱাহাটী-২৬ টাইপ চি

৩০ শ্ৰীহেম শৰ্মা। নানক নগৰ
গুৱাহাটী " 'এ'

৩১। "শ্যামসুন্দৰ নাথ। পাণবজাৰ, গুৱাহাটী-৩ " "

৩২। "এইচ চৌধুৰী। চান্দমাৰী, গুৱাহাটী-৩ টাইপ 'বি'

৩৩। "দিগন্ত কুমাৰ অধিকাৰী। শান্তিপুৰ " 'চি'

৩৪। "তৰনি বসুমতাৰী। ভৈৰৱকুন্দ, এ-এচ ৰোড

৩৫। "চবিন বসুমতাৰী। " — ক'লনি ৰোড

৩৬। "চামৰেল নাৰজাৰী। „ — এপৰোচ ৰোড টু ষ্টাৰ

৩৭। „বিনয় দৈমাৰী। বান্দৰগুৰী—স্প্ৰেডিং চেণ্ড গ্ৰেতেল।

৩৮। „তৰনী বসুমতাৰী। ভৈৰৱকুন্দ – দাইৱাৰ্চন অৱ দং।

৩৯ „ „ „ „ —জাংগল প্লিয়াৰেন্স।

৪০। „জয়ন্ত বসুমতাৰী। ওদালগুৰি—এচ-ডি-ও অফিচ।

৪১। „এইচ কে চৌধুৰী। গুৱাহাটী-৩—বাউন্দাৰী ওৱাল

৪২। „কুবেৰ চেট্ৰি। ওদালগুৰী — " "

৪৩। „অমূল্য দাস। গুৱাহাটী — " "

৪৪। „খনিন্দ্ৰ ওজা। ওদালগুৰী —ষ্টাৰ বিল্ডিং।

৪৫। মঃ এন আহমেদ। নতুন শৰণীয়া— টাইপ চি
গুৱাহাটী-৭

৪৬। শ্ৰীউমেশ চন্দ্ৰ বৈশ্য। হেঙ্গেৰাবাৰী—আৰ-চি-চি বিং: ওৱেল।

৪৭। „কুবেৰ চন্দ্ৰ চেট্ৰি। ওদালগুৰী—কনচট্ৰাকচ অৱ এচ, ডি, ও
অফিচ বিল্ডিং।

৪৮। „মতিলাল মহন্ত। ভৈৰৱকুন্দ—টেষ্ট বৰা হল।

৪৯। "মেঘনাদ ব্ৰহ্ম। আংগাজুলি—ৰেমৰো ফেন্সিং এৰাউন্দ ষ্টোৰ

৫০। "ৰিশিমন্ত মুচাহাৰী। গমগাওঁ—ৰেমৰো " ই, ই, এণ্ড
এচ-ডি-ও অফিচ বিল্ডিং।

(ঘ) এই প্ৰকল্পত এতিয়ালৈকে মাথোন এজন কৰ্ম্মচাৰীক নিয়োগ কৰা হৈছে। সেইজন হৈছে স্থানীয় অনুসূচিত ভৈয়ম জনজাতি আৰু তেওঁৰ নাম হৈছে শ্ৰীবাবুৰাম বসুমতাৰী। অন্য এজন কৰ্ম্মচাৰী শ্ৰীফনীয়া ৰাম বড়োক সংমণ্ডলৰ সৈতে কাৰ্বিআংলংৰ পৰা স্থানন্তৰিত কৰি অনা হৈছে।

## বিষয় : W/C সহায়কৰ চাকৰি ।

শ্রীমকবুল হুচেইনে সুধিছে ঃ

১০৯। माननीয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ জলসিঞ্চন বিভাগত W/C সহায়ক ( Helper ) হিচাবে ৮/১০ বছৰ ধৰি কাম কৰি থকা স্বত্তেও আজিলৈ তেওঁলোকৰ চাকৰি পূৰ্ণ পৰ্য্যায়ৰ ( Regularise ) কৰি লোৱা হোৱা নাই ইয়াৰ কাৰণ কি জনাবনে ?

(খ) উক্ত পৰ্য্যায়ৰ কৰ্মচাৰী সকলক পাঁচ বছৰ কাম কৰাৰ পিচত তেওঁলোকৰ চাকৰি পূৰ্ণ পৰ্য্যায়ৰ কৰি লোৱাৰ বাবে বিভাগীয় কৰ্ত্তৃপক্ষৰ নিয়ম আছে নে ?

(গ) উক্ত পৰ্য্যায়ৰ কৰ্মচাৰী সকলৰ পদোন্নতি ( Promotion )ৰ নিয়ম আছেনে ?

(ঘ) যদি আছে তেন্তে কি নিয়মত পদোন্নতি ( Promotion ) দিয়া হয় জনাবনে ?

শ্রীপবিন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ বিধিমতে একেবাৰে ৫ বছৰ চাকৰি কৰা সহায়ক ( Helper ) সহ সকলো W/C কৰ্মীক নিয়মীয়া কৰি থকা হৈছে । নকৰাৰ প্ৰশ্ন নুঠে।

(খ) হয় আছে ।

(গ) হয় আছে ।

(ঘ) খালি থকা P. P. O./Astt. Mech ৰ পদত অৰ্হতা আৰু সংমণ্ডলৰ ভিতৰত জ্যেষ্ঠতাৰ ভিত্তিত দিয়া হয় ।

## বিষয় : কলাজল নদীৰ মঠাউৰী ঃ

শ্রীময়ত্বল ইছলাম বৰাই সুধিছে :

১১০। মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি উত্তৰ দিবনে ?

(ক) কমলপুৰ সমষ্টিৰ অন্তৰ্গত কলাজল নদীৰ দুয়োপাৰে মঠাউৰী নথকা হেতু নদীৰ দুয়োপাৰে থকা খেতি পথাৰ সমূহ প্ৰতি বছৰে ক্ষতিগ্ৰস্ত হয় বাবে উক্ত নদীৰ দুয়োপাৰে মঠাউৰী দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা কৰিছে নেকি ?

(খ) যদি কৰা নাই, কিয় কৰা নাই জনাবনে ?

(গ) যদি কৰিছে কি কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীছামছিং হাঞ্চে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, কলাজল নদীৰ দুয়োপাৰে মথাউৰি দিয়াৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) প্ৰশ্ন নুঠে।

(গ) এই সংক্ৰান্তত এখন আঁচনিৰ প্ৰাক্‌কলন প্ৰস্তুত কৰি থকা হৈছে।

**বিষয় : ডিগবৈ টিংৰাইত গভীৰ নলী নাদ।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিগবৈ টিংৰাই পথাৰত কেইটা গভীৰ নলী-নাদ আছে আৰু কেতিয়া বহোৱা হৈছিল ?

(খ) কৃষকে এই গভীৰ নলী-নাদৰ পৰা কৃষিৰ বাবে পানী পাইনে ?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ৬ টা নলী-নাদ ১৯৮১-৮২ চনত বহুৱা হৈছিল আৰু তাৰে ৫ টাৰ যাবতীয় সকলো কাম ১৯৮৫-৮৬ চনত সম্পূৰ্ণ কৰা হৈছিল।

(খ) বৰ্ত্তমান ৪ টা গভীৰ নলী-নাদৰ পৰা কৃষকৰ অনুৰোধ সাপেক্ষে পানী যোগানৰ ব্যৱস্থা কৰা হৈছে।

**বিষয় : ফুলগুৰি নদীৰ জলসিঞ্চন আঁচনি।**

শ্ৰীচিলবিউচ কন্দপানে সুধিছে :

১১২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বহুদিন ধৰি মাজবাট অঞ্চলৰ খেতিয়ক ৰাইজে আশা কৰি থকা ফুলগুৰি নদীক ভিত্তি কৰি লব খোজা জলসিঞ্চন আঁচনি চৰকাৰে কেতিয়া হাতত লব ?

(খ) বৰ্ত্তমান এই আঁচনি কি অৱস্থাত আছে ?

(গ) মাজবাট অঞ্চলক কেন্দ্ৰ কৰি চৰকাৰে কেতিয়া মাজবাটত বিভাগৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয় স্থাপন কৰিব ?

শ্ৰীপবিন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) বিকেন্দ্ৰীভূত পৰিকল্পনাৰ অধীনত মহকুমা পৰিকল্পনা পৰিষদে অনুমোদন জনোৱাৰ পিছতহে এই আঁচনিখন কাৰ্য্যকৰী কৰাৰ বিষয়ে যাবতীয় ব্যৱস্থা লোৱা হব।

(খ) পৰবৰ্ত্তী বিত্তীয় বছৰত বিকেন্দ্ৰীভূত পৰিকল্পনাৰ অধীনত মহকুমা পৰিকল্পনা পৰিষদে অনুমোদন জনালে আৰু তাৰ বাবে অৰ্থ বণ্টন হলেহে

যাবতীয় জৰীপ ও অনুসন্ধানৰ কাম হাতত লোৱা হব।

(গ) বৰ্ত্তমান তেনে কোনো প্ৰস্তাৱ নাই।

**Re: Auctioning of Vehicle.**

Sri Silvius Condpan asked :

113. **Will the Minister, Transport be pleased to state: What steps has the Government, taken for auctioning the unserviceable Government vehicles which are lying uncared in different premises of the Government offices throughout in the state ?**

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

অযোগ্য প্ৰমাণ কৰণ মণ্ডলীৰ ( Condemnation Board ) সিদ্ধান্ত ক্ৰমে চৰকাৰী নিয়ম অনুযায়ী ব্যৱহাৰৰ অযোগ্য গাড়ী বিলাক নিলাম কৰাৰ ব্যৱস্থা কৰা হয়। বিতং তথ্য পাতি এতিয়াও পোৱা নাই। তথ্যপাতি বিভিন্ন বিভাগৰ পৰা সংগৃহিত হলে সময়ত প্ৰয়োজন হলে বিতং উত্তৰ পেচ কৰিব পৰা হব।

**বিষয় : নাহৰকটিয়াত মিনি ষ্টেডিয়াম।**

শ্ৰীকুসুম্বৰ টাইৰাই ( গগৈ )য়ে সুধিছে :

১১৪। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৬ চনতে চৰকাৰে খন্দ-উন্নয়ন পৰ্য্যায়ত অনুমোদন জনোৱা নাহৰ-কটীয়া সমষ্টিৰ "মিনি গ্ৰাম্য ষ্টেডিয়াম" খনৰ কাম বৰ্ত্তমানেও কিয় আৰম্ভ হোৱা নাই জনাবনে ?

(খ) এই ষ্টেডিয়ামৰ বাবে চৰকাৰে টকা কিমান অনুমোদন জনাইছিল ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ ( ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ১৯৮৬ চনত নাহৰকটীয়া উন্নয়ন খন্দৰ বাবে মিনি ষ্টেডিয়াম তৈয়াৰ কৰিবলৈ কোনো অনুমোদন দিয়া হোৱা নাছিল।

(খ) প্ৰশ্ন নুঠে।

**বিষয় : মঠাউৰীৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপুৰণ।**

শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে সুধিছে :

১১৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৩০ ( ত্ৰিশ ) বছৰৰ পুৰ্বে নিৰ্মাণ কৰা বুঢ়ীদিহিং নদীৰ গেটুপথাৰ মঠাউৰীৰ

বাবে অধিগ্ৰহণ কৰা মাটিৰ বাবদ ৰাইজে ক্ষতিপুৰণৰ পৰিবৰ্ত্তে উক্ত অধিগ্ৰহণ কৰা মাটিৰ খাজনা দি থকাটো সচানে ?

(খ) ডিমাপুৰ টিপাম, বুঢ়ীদিহিং ফাকিয়াল, দিঘলী সাপমাৰি মথাউৰীৰ নিৰ্মাণৰ বাবেও অধিগ্ৰহণ কৰা ৰাইজৰ মাটিৰ ক্ষতিপূৰণ এতিয়াও নিদিয়া কথাটো সচানে ?

শ্ৰীছামছিং হাঞ্চে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) খাজনা দি থকা কথাটো বাননিয়ন্ত্ৰণ বিভাগৰ অৱগত নহয়।

(খ) কথাটো আংশিক ভাবেহে সচা। টিপাম, বুঢ়ীদিহিং, ফাকিয়াল আৰু দীঘলী সাপমাৰী গাওঁৰ ক্ষতিপূৰণ দিব পৰা হোৱা নাই। অৱশ্যে ডিমাপুৰ নামেৰে কোনো গাওঁৰ মাটি অধিগ্ৰহণ কৰাৰ কোনো তথ্য এই বিভাগত নাই।

**বিষয়: নাহৰকটীয়াৰ পৰা গড়াখহনীয়া ৰোধ।**

শ্ৰীকুসুম্বৰ টাইৰাই ( গগৈ )য়ে সুধিছে :

১১৬। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নাহৰকটীয়া নগৰত হোৱা প্ৰবল গড়া খহনীয়াৰ কথা চৰকাৰৰ জ্ঞাত নে ?

(খ) বৰ্ত্তমান উক্ত গড়া খহনীয়া ৰোধ কৰিবৰ বাবে চৰকাৰে মঠাউৰী দিয়াৰ কথা চিন্তা কৰিছে নেকি ?

(গ) বৰ্ত্তমান নগৰ খনক ৰক্ষা কৰিবৰ বাবে অস্থায়ীভাবে ব্ৰোজ বা স্পাৰৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীছামছিং হাঞ্চে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) কিছুপৰিমানে গড়া খহনীয়া হোৱাৰ কথা চৰকাৰে জানে।

(খ) মথাউৰী দিয়াৰ কথা চৰকাৰে ভবা নাই।

(গ) অস্থায়ী ভাবে floating raft ৰ ব্যৱস্থা লোৱা হৈছে।

**Re. : Borkhola phase II Embankment.**

Shri Altaf Hussain Mazumder Asked :

118. Will the Minister. Flood Control Be Pleased to State :

(a) Whether Government. is aware that Borkhola ph-II Embankment on right bank of Barak, though useful has become in errective protect back side of Borjatrapur, Durgapur, Hiarbond etc. from flood for non construc-

tion of embankment from Patakhai to Harincherra on the right bank of Jatinga ?

(b) If so when did it first came to notice of the Government ?

(c) Will the Government. remove this anamoly and direct construction of Embankment form Patakhai to Harincharra uuder Jurisdication of Flood Control Division, Silchar ?

(d) Is the Government aware that non construction of embankment on right bank of Katakhal near Salchapra the area suffers from aggravated flood as left bank is protected ?

(e) If so will the Government construct Dyke on left bank of Katakhal in that area ?

Shri Samsing Hanse, (Minister Flood Control) replied :

(a) Yes, The areas, concerned, are affected during the high floodsin the Jatinga.

(b) During 1977.

(c) The construction of the embankment, already taken up in 1979-80, had to be stopped due to vehement public objection to the alignment. The scheme may be considered if then be co-operation from the local public for its execution.

(d) Yes.

(e) This will be examined subject to availability of fund.

**Re : Erosion of Rampur and Dalu Barman Basti.**

Sri Altaf Hussain Mazumder Asked :

119. Will the Minister, Flood Control Be Pleased to State :

(a) whether it is fact that erosion at Rampur (SC) and Dalu Borman Basti (ST) (Within the jurisdication of Flood Control Division Silchar ) is taking place and

the protection has been approved by T. A. C. and if so what is the estimated cost ?

(b) Will the Government. provide fund for execution of the protection work to protect one scheduled castes and one tribal village ?

Sri Samsing Hanse (Minister, Flood Control) replid :

(a) Yes. The scheme has been approved by the technical Advisory Committee at an estimated cost of Rs. 10·02 lakhs.

(b) The scheme is not included in the Annual plan for current year 1987-88. Due to inadequate plan allocation hence the work has not been taken up for execution and nofund provided.

**Re : Draining out of Flood Water.**

Shri Altaf Hussain Mazumdar Asked :

120. Will the Minister, Flood Control Be Pleased to State :

(a) Is the Government. aware that Hiarbond within the Jurisdications of Executive Engineer Flood Control, Silchar is a village inhabitated by schedule caste people and their cultivation field remains sub merged for want of proper drainage ?

(b) Is it a fact that representation was made to Executive Engineer Flood Control to take steps for draining out water by clearing water channels nearby and local flood control officers visited and surveyed the area ?

(c) According to Flood Control Department what is the reason of such innudation of paddy field of Hiarbond, under Borkhola Police Station and what immediate steps are required to clear the water to enable the villages and cultivate their lands ?

(d) Besides short term measures what longterm measures are necessarily and will the Government take measures in order to save the poor cultivator and help production ?

Shri Samsing Hanse (Minister Flood Control) replid :

(a) Yes.

(b) Yes, preliminary survey was done during the site visit.

(c) The accumulation of water is due to inadequate drainage facilities in the area. The dead course of river Harang is required to be regraded.

(d) As long term measure the existing channels such as Patakhai. Barakarkhal, Hirachal etc. are to be regr aded besides the dead course of the Harang. such measures may be taken up after detailed investigations subject to the availability of fund.

**Re : Plying of Private Buses in Guwahati City.**

Sri A.F. Golam Osmani, Asked :

121. Will the Minister Transport be pleased to state .

(a) Wnether the Assam State Transport Corporation intends to hand over its Guwahati City Service to private hands for plying of buses ?

(b) If not, why the collection of fares from City Bus Commuters has been given to conductors on fixed return basis ?

(c) The amount of fixed return per Conductor per trip on different City routes ( please furnish details ) ?

(d) The amount spent monthly for keeping City Buses clean ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নহয়

(খ) বেচি পৰিমানৰ ৰাজহ সংগ্ৰহ কৰাৰ কাৰণে কণ্ডাক্টৰক প্ৰতি কিলোমিটাৰত নিম্নত্তম এটা নিৰ্দ্দিষ্ট হাৰত ভাৰা জমা দিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

(গ) কোনো নিৰ্দ্দিষ্ট ভাৰা নিৰিখ বন্ধা হোৱা নাই যদিও চিটি বাছৰ ভাড়া কাৰ্য্যালয় খোলাৰ দিনত প্ৰতি কিলোমিটাৰৰ নিম্নত্তম ৪·৫০ টকা আৰু বন্ধৰ দিনত ৪·০০ টকাৰ তলত গ্ৰহণ যোগ্য নহব বুলি পৰিচালক সকলক জনাই দিয়া হৈছে।

(ঘ) গড় হিচাপত মাহিলি খৰচ টকা ৫,৫০০ ৰ পৰা ৬,০০০ টকাৰ ভিতৰত হয়।

**Re : Service condition of ASEB employees.**

Sri A.F. Golam Osmani, asked :

122 Will the Minister, Power be pleased to state :

(a) Whether it is a fact that the Chairman's Power Rules, 1962 does not empower the Chairman ASEB to cause necessary change in service condition the employees of the Board

(b) And whether it is a fact that the Board as defined under section 5 of the Indian Electricity Act, 1948 ( Act No. 54jof 1948 ) is only competent to do SC as per provision of the Section 79 (C) of the Indian Electricity ( Supply ) Act 1948 (Act.) No. 54 of 1948).

(c) And whether it is a fact that any change of service condition of the Grade III employees the Chairman's office of the ASEB are subject to fulfilment of procedures laid down in the Section 9-A of the Industrial Disputes Act. 1947.

(d) If so, whether the ASEB will discontinue the system of conducting examination for the purpose of Promotion to the cadre of Sr. Asstt. from Jr. Asstt. in the chairman's office and its modification issued vide office order No. ASEB/PL/153/77/7, dtd. 27th Sept. 1979 or ensure that such examination do not affect any employees service career as these have not observed the conditions as stated at (b) and (c) above.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( শক্তিবিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয়

(খ) হয়

(গ) হয়

(ঘ) প্ৰশ্ন নুঠে।

**বিষয়: ঢকুৱাখানাত গ্ৰাম্য বৈদ্যুতিকৰণৰ কাৰ্য্যালয়।**

শ্ৰীভৰত চন্দ্ৰ নৰহে, সুধিছে:

১২৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) গ্ৰাম্য বৈদ্যুতিকৰণ উপসংমণ্ডলৰ কাৰ্য্যালয় ঢকুৱাখানাত খুলিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে নেকি?

(খ) যদি লৈছে, এই সিদ্ধান্ত কেতিয়া লৈছে আৰু বৰ্ত্তমান কি পৰ্য্যায়ত আছে।

(গ) গ্ৰাম্য বিদ্যুতিকৰণ উপসংমণ্ডলৰ কাৰ্য্যালয় কি কি উদ্দেশ্যত ঢখুৱাখানাত খুলিবলৈ লৈছে আৰু এই উদ্দেশ্যসমূহ চৰকাৰে কেতিয়া পুৰণ কৰিব?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি (বিদ্যুত) বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) হয়।

(খ) এই সিদ্ধান্ত ১৯৮৭ চনৰ ফেব্ৰুৱাৰী মাহৰ আগভাগতে লৈ ২৫ ফেব্ৰুৱাৰীৰ দিনা কাৰ্য্যকৰী কৰা হয়।

(গ) ঢকুৱাখানা থানাৰ অন্তৰ্গত গাওঁসমূহৰ বৈদ্যুতিকৰণ খৰতকীয়া কৰিবৰ বাবেই তাত এটা গ্ৰাম্য বৈদ্যুতিকৰণ উপসংমণ্ডল খোলা হৈছে আৰু সপ্তম পঞ্চবাৰ্ষীক পৰিকল্পনাৰ ভিতৰতে এই থানাৰ অন্তৰ্গত প্ৰায়বোৰ গাৱঁৰ বৈদ্যুতিকৰণ আশা কৰা হৈছে।

**বিষয়: পৰিবহন নিগমৰ লাভালাভ।**

শ্ৰীদুৰ্গাদাস বড়োয়ে সুধিছে:

১২৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮৬-৮৭ চনত পৰিবহন বিভাগৰ কিমান টকা লাভ বা লোকচান হৈছে?

(খ) এই বিভাগে যোৱা দুটা বছৰত কিমানখন নিগমৰ বাচ কিনিছে?

(গ) ইতিমধ্যে ক্ৰয় কৰা নিগমৰ বাচ কোন জিলাত কিমানখন চলাচল কৰিছে।

(ঘ) উক্ত নতুন বাচৰ ভিতৰত পানেৰী সমষ্টি চুই যোৱাকৈ এখনমান বাচ চলোৱাৰ ব্যৱস্থা কৰা হৈছে নেকি?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ ১৯৮৬-৮৭ চনত প্ৰায় ৬৩২·৬৩ লাখ টকা লোকচান হব বুলি অনুমান কৰা হৈছে।

(খ) পৰিবহন নিগমে ১৯৮৫-৮৬ আৰু ১৯৮৬-৮৭ চনত ক্ৰমে ১৪৪ খন আৰু ১৭৩ খন বাচ কিনিছে।

(গ) পৰিবহন নিগমৰ বাচবোৰ জিলা ভিত্তিক পেচ নকৰি সংমণ্ডলভিত্তিক পেচ কৰা হয়। তলত দিয়া ধৰণে সংমণ্ডলবোৰত বাচবোৰ ভগাই দিয়া হৈছে।

| সংমণ্ডল | বাচৰ সংখ্যা | |
|---|---|---|
| | ১৯৮৫-৮৬ | ১৯৮৬-৮৭ |
| নগৰ পৰিবহন | | ৫১ |
| গুৱাহাটী | ৩৪ | ২১ |
| নগাও | ২০ | ১৯ |
| তিনিচুকীয়া | ৩২ | ১৯ |
| যোৰহাট | ১৬ | ১৬ |
| উত্তৰ লক্ষীমপুৰ | ১০ | ১৭ |
| তেজপুৰ | ১০ | ১০ |
| বঙ্গাইগাওঁ | ১৩ | ১২ |
| শিলচৰ | ৯ | ৮ |
| | ১৪৪ | ১৭৩ |

(ঘ) উক্ত বাচৰ ভিতৰৰ ASX 3406 আৰু ASX 3503 বাচ দুখন যথাক্ৰমে চেপ্তেম্বৰ/৮৬ আৰু ফেব্ৰুৱাৰী/৮৭ ত পানেৰী সমষ্টি চুই যোৱাকৈ চলোৱাৰ ব্যৱস্থা কৰে।

**বিষয় : গাৱঁত বিদ্যুৎ যোগান।**

কুমাৰ দীপক দাসে সুধিছে :

১২৭। মাননীয় শক্তি মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা সমষ্টিত অসম গণ পৰিষদৰ দিনত আজিলৈকে কিমানখন গাওঁত বিদ্যুৎ যোগানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) গাওঁ কেইখনৰ নাম জনাবনে ?

(গ) গাওঁ কেইখনলৈ বিদ্যুৎ যোগান আঁচনিৰ কাম সমাপ্ত হৈছে নেকি ?

(ঘ) যদি সমাপ্ত হোৱা নাই কেতিয়া সমাপ্ত হব ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ২৫ খন।

(খ) গাওঁ কেইখনৰ নাম হ'ল :—(১) সাত ভনীৰ টুপ (২) বাহবাৰী (৩) নুনমাটি (৪) জয়পুৰ (৫) নগৰডগৰ (৬) দেউলীপাৰা (৭) কঠলিজাৰ (৮) ফুলকীপাৰা (৯) থোচীহাতী (১০) হাতীজান (১১) বগাইজান (১২) দত্তকুছি (১৩) গৰেমাৰী (১৪) বাহমূৰা (১৫) খন্দকাৰপাৰা (১৬) ধানবান্ধা (১৭) খোটী (১৮) মাজকুছি (১৯) নসত্ৰ (২০) ধকুৱা (২১) মাইলকুছি (২২) শ্বাকদহ (২৩) টেমুৰা (২৪) পহুমাৰা (২৫) দংৰা ।

(গ) আঁচনিমতে কাম সম্পূৰ্ণ কৰা হৈছে।

(ঘ) প্ৰশ্ন নুঠে ।

**বিষয় : বাননিয়ন্ত্ৰণ বিভাগৰ আঁচনি।**

কুমাৰ দীপক দাসে সুধিছে :

১২৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা সমষ্টিত অসম গণ পৰিষদ চৰকাৰৰ দিনত কি কি আঁচনি বাননিয়ন্ত্ৰণ বিভাগৰ দ্বাৰা লোৱা হৈছে ? (বিশদভাৱে জনাব)

(খ) উক্ত আঁচনি সমূহৰ বাবে কিমান কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(গ) এই আঁচনি সমূহৰ কাম সমাপ্ত হৈছে নে ?

(ঘ) যদি কোনো আঁচনিৰ কাম শেষ হোৱা নাই আঁচনিবোৰ কি জনাবনে ?

(ঙ) এনে আঁচনিৰ কাম কেতিয়া সমাপ্ত হব ?

(চ) নতুন কিবা আঁচনি চৰকাৰৰ হাতত আছে নেকি আৰু যদি আছে সেয়া কি কি ?

শ্ৰীছামছিং হাঞ্চে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চাৰিখন আঁচনি হাতত লোৱা হৈছে। (১) ব্ৰহ্মপুত্ৰ নদীৰ চকা বাউসী গাওঁত গড়াখহনীয়া প্ৰতিৰোধ (২) ন খন্দা নদীত গড়াখহনীয়া প্ৰতিৰোধ (৩) ন সত্ৰত ন খান্দা নদীৰ গড়াখহনীয়া প্ৰতিৰোধ আৰু (৪) মানাহ নদীৰ দাৰ্বান্দীয়া লাংলা মথাউৰীৰ গড়াখহনীয়া প্ৰতিৰোধৰ আঁচনি।

(খ) ১ নং আঁচনিৰ বাবে ৫৪·২০ লাখ, ২ নং আঁচনিৰ বাবে ১৪·১২ টকা ৩ নং আঁচনিৰ বাবে ৩১·০৩ লাখ আৰু ৪ নং আঁচনিৰ বাবে ৫১·২৬ লাখ টকা ধাৰ্য্য কৰা হৈছে ।

(গ) হয় ।

(ঘ) প্ৰশ্ন নুঠে ।

(ঙ) প্ৰশ্ন নুঠে।

(চ) নতুন আঁচনি হাতত লোৱা নাই।

**বিষয় : জলসিঞ্চন বিভাগৰ নতুন আঁচনি।**

কুমাৰ দীপক দাসে সুধিছে :

১২৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা সমষ্টিত অসম গণ পৰিষদ চৰকাৰৰ দিনত জলসিঞ্চন বিভাগৰ দ্বাৰা কি কি নতুন আঁচনি এতিয়ালৈকে লোৱা হৈছে (বিশেষ ভাৱে জনাব) ?

(খ) উক্ত আঁচনি সমূহৰ কাম আৰম্ভ হৈছে নে ?

(গ) যদি হোৱা নাই কেতিয়া কোন কোন আঁচনিৰ কাম আৰম্ভ হব ?

(ঘ) উক্ত সমষ্টিটোৰ বাবে ভবিষ্যতৰ আঁচনি সমূহ কি কি ?

(ঙ) অতীতৰ কি কি আঁচনিৰ কাম সফল ভাবে চলি আছে ?

(চ) কি কি আঁচনিৰ কাম বন্ধ আছে আৰু কিয় আছে ( বিশদ ভাবে জনাব ) ?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) (১) বাৰাদি উত্তোলন জলসিঞ্চন আঁচনি।

(২) কেওঁটকুছি গভীৰ নলী নাদ আঁচনি।

(১) বাৰাদি উত্তোলন জলসিঞ্চন আঁচনি : এই আঁচনি ১৯৮৬-৮৭ চনত ৩৩,১৭,০০০ টকাৰ বাবে প্ৰশাসনীয় অনুমোদন হয় চিঠিৰ নং—আই, জি, এন (পি) ৫১৭/৮৬/২ তাং—১৮/২/৮৭ এই আঁচনিৰ দ্বাৰা ৩০০ হেক্টৰ মাটিত জলসিঞ্চন কৰিব পৰা হব আৰু তলত দিয়া গাওঁ কেইখন উপকৃত হব। পালাহৰতল, পশ্চিম আৰু দক্ষিণ ভেৰানদি, ন-বাৰাদি, বামুণ বাৰাদি, কেওঁটকুছি।

২। কেওঁটকুছি গভীৰ নলী-নাদ আঁচনি : এই আঁচনি ১৯৮৬-৮৭ চনত ৮,২৭,০০০ টকাৰ বাবে প্ৰশাসনীয় অনুমোদন হয়। চিঠিৰ নং—আই, জি, এন (পি) ১৯৩/৮৭/১ তাং—৩১/৩/৮৭ এই আঁচনিৰ দ্বাৰা ৩৫ হেক্টৰ মাটিক জলসিঞ্চন কৰিব পৰা হব আৰু এই আঁচনিৰ দ্বাৰা কেওঁটকুছি গাওঁ উপকৃত হব।

(খ) উক্ত আঁচনি সমূহৰ এতিয়ালৈকে কাম আৰম্ভ কৰিব পৰা হোৱা নাই।

(গ) উক্ত আঁচনি সমূহৰ প্ৰশাসনীয় অনুমোদন পোৱা হৈছে। অহা জানুৱাৰী ১৯৮৮ চনৰ পৰা কাম আৰম্ভ কৰা হব।

(ঘ) উক্ত সমষ্টিৰ বাবে নিম্নলিখিত আঁচনি সমূহ ধৰা হৈছে :

১। গণককুছি উত্তোলন আঁচনি ( অনুসূচিত জাতি )

২। মৈৰামাৰা উত্তোলন আঁচনি।

৩। সুন্দৰদিয়া উত্তোলন আঁচনি।

৪। পৰাভৰাল উত্তোলন আঁচনি।

৫। পাটবাউসী জলসিঞ্চন আঁচনিৰ উন্নয়ণ।

(ঙ) বৰপেটা সমষ্টিৰ অন্তৰ্গত পাটবাউসী জলসিঞ্চন আঁচনি আংশিক সফলতাৰে চলি আছে আৰু পাটবাউসী জলসিঞ্চন আঁচনিৰ সম্প্ৰসাৰণ সফল ভাবে চলি আছে।

(চ) বৰ্ত্তমান বাৰাদি উত্তোলন আঁচনি আৰু কেওঁটকুছি গভীৰ নলী-নাদ আঁচনিৰ কাম বন্ধ আছে।

১। বাবাদি উত্তোলন জলসিঞ্চন আঁচনি: এই আঁচনিত এই বিভাগৰ যান্ত্ৰিক বৈদ্যুতিক আৰু চিভিল শাখাৰ দ্বাৰা কাম কৰিব লাগে। ইয়াৰ কাৰণে বিস্তৃত প্ৰাক্‌কলন প্ৰস্তুত কৰা কাম চলি আছে। ইয়াৰ কাৰণে উপায়ুক্ত মহোদয়ৰ জৰিয়তে মাটি অধিগ্ৰহণ কৰিব লাগে। যিহেতু বৰ্ত্তমান পথাৰত পানী আৰু শস্যাদি আছে সেইবাবে মাটি অধিগ্ৰহণৰ বাবে জৰিপ কাৰ্য্য কৰিব পৰা নাযায় আৰু লগতে অন্যান্য কাম ও বন্ধ আছে।

২। কেওঁটকুছি গভীৰ নলী-নাদ আঁচনি: এই আঁচনিতো প্ৰথম অৱস্থাত গভীৰ নলী-নাদ বহুৱাৰ কাৰণে গধুৰ যান্ত্ৰিক সজুলী চলাচলৰ প্ৰয়োজন। যিহেতু পথাৰত পানী আৰু শস্যাদি আছে তাৰ কাৰণে নিৰ্দ্দিষ্ট ঠাইত উক্ত যান সমূহৰ চলাচল বন্ধ থাকে। ইয়াৰ ফলত কাম কৰিব পৰা হোৱা নাই।

**বিষয়: পৰিবহন বিভাগৰ আঁচনি।**

কুমাৰ দীপক দাসে সুধিছে:

১৩০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰপেটা সমষ্টিত পৰিবহন বিভাগৰ অধীনত কি কি উন্নয়নমূলক আঁচনি অসম গণ পৰিষদ চৰকাৰৰ দিনত এতিয়ালৈ লোৱা হৈছে? (বিশদ ভাবে জনাব)

(খ) উক্ত সকলো আঁচনিৰ কাম সমাপ্ত হৈছেনে?

(গ) যদি হোৱা নাই কি কি আঁচনিৰ কাম শেষ হোৱা নাই? (বিশদ ভাবে জনাব)

(ঘ) এই আঁচনি বোৰৰ কাম কেতিয়া শেষ কৰিব পৰা হব?

(ঙ) বৰপেটা সমষ্টিটোৰ উন্নয়নৰ বাবে এই বিভাগত কিবা আৰু নতুন আঁচনি লোৱা হৈছে নেকি?

(চ) যদি লৈছে কি কি?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা সমষ্টিত পৰিবহন বিভাগে বৰ্ত্তমানে কোনো উন্নয়ন মূলক আঁচনি হাতত লোৱা নাই।

(খ)
(গ)
(ঘ) প্ৰশ্ন নুঠে।
(ঙ)
(চ)

**বিষয় : মঙ্গলদৈ বহুমুখী সমিতি।**

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে সুধিছে ঃ

১৩১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(১) দৰং জিলাৰ মঙ্গলদৈ সমবায় সমিতিৰ অন্তৰ্গত মঙ্গলদৈ বহুমুখী সমিতিৰ নামত থকা মঙ্গলদৈ গাওঁৰ ৭ ( সাত ) বিঘা ২ কঠা ১৯ লেচা ( পট্টা নং ১৩৯, দাগ নং ১০২, ১০৪ ) মাটি বৰ্ত্তমান কি কামত ব্যৱহাৰ কৰা হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(১) প্ৰশ্নত উল্লেখিত মঙ্গলদৈ বহুমুখী শিল্প সমবায় সমিতি লি: ( যোৱা ১১।২।৮০ তাৰিখত ) অৱসায়ন ঘটা পট্টা নং ১৩৯ দাগ নং ১০২ আৰু ১০৪ চপাই মৌজা মঙ্গলদৈ গাওঁৰ মুঠ ৭ বিঘা ২ কঠা ১৯ লেচা জমি ইং ৭।১০।৬৪ তাৰিখে উক্ত সমিতিৰ ভূতপূৰ্ব্ব সম্পাদক শ্ৰীজগত চন্দ্ৰ শৰ্মাৰ নামত নামজাৰি হৈছিল। এই সম্পৰ্কে চৰকাৰী প্ৰবক্তাৰ পৰামৰ্শ বিবেচনাক্ৰমে বিহিত ব্যৱস্থা লবলৈ বিভাগীয় বিষয়াক নিৰ্দ্দেশ দিয়া হৈছে।

**বিষয় : অসমত All India Tourist Bus :**

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

১৩২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত All India Tourist Bus কিমানখন আছে ?

(খ) এই গাড়ী কেইখনে নিজৰ নিজৰ মুখ্য স্থানত (Head Quarter ) নাথাকি বেলেগ বেলেগ ঠাইত থকা বুলি উঠা অভিযোগ সত্য নে ?

(গ) এই গাড়ী সমূহে পৰ্যাটক অনা নিয়া কৰাটো বাদ দি সাধাৰণ যাত্ৰী অনা নিয়া কৰা কথাটোও সত্য নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) অসমত মুঠ ৫২ খন সদৌ ভাৰত পৰ্য্যটক বাছ আছে।

(খ) এই গাড়ী বিলাকৰ নিৰ্দ্দিষ্ট কোনো মূখ্য স্থান নাই।

(গ) এই গাড়ী সমূহক কেৱল সদৌ ভাৰত পৰ্য্যায়ত পৰ্য্যটক অনা-নিয়া কৰিবৰ বাবেহে অনুজ্ঞাপত্ৰ দিয়া হয়। পৰ্য্যটক অনা-নিয়া নকৰি সাধাৰণ যাত্ৰীক অনা-নিয়া কৰাটো এই গাড়ী বিলাকৰ অনুজ্ঞাপত্ৰত কোনো বিধি নাই। এনে ধৰণে সাধাৰণ যাত্ৰী অনা-নিয়া কৰাটো ধৰা পৰাৰ লগে লগে আইন মতে শাস্তিমূলক ব্যৱস্থা লোৱা হয়।

**Re : Electrification of Wadrengdisa Bazar etc. :**

Shri G.C. Langthasa asked :

133. Will the Minister, Power be pleased to state.

(a) Whether (1) Wadrengdisa Bazar area, (2) Nuton Wadrengdisa village (3) Khailmadisa (4) Yabra and (5) Datuhoja Railway Station area of N.C. Hills district under Haflong Electrical Division have been electrified and if of when ?

(b) If not when those areas will be electrified ?

(c) So far the number of villages towns and markets electrified throughout the entire N.C. Hills district ?

Shri Lalit Chandra Rajkhowa (Minister, power) replied :

(a) (1) Wadrengdisa Bazar area (2) Nuton Wadrengdisa village (3) Yabra (4) Dutohoja Railway Station have not been electrified ; but village Khailimadisa is already electrified.

(b) (1) Wadrengdisa Bazar area (2) Nuton Wadrengdisa (3) Yabra are expected to be electrified during 1988-89. Village Datuhoja Railway Station would be electrified within 1987-88.

(c) Out of 175 nos. of villages where works are completed 130 nos. have been electrified. 45 nos village could not be electrified for want of Railway crossing permission.

**Re. : Remodelling Irrigation Scheme.**

Shri G.C. Langthasa asked :

134. Will the Minister of Irrigation Department be pleased to State :

(a) The reason for non-completion of the Remodelling Irrigation Schemes of (1) Mailu, (2) Insongwari and (3) Nutan Hoja of N.C. Hills District which was sanctioned and started in 1984 ?

(b) Whether remodelling scheme of Kalachand phase—I will be executed during the current year ?

(c) Whether it is a fact that ?

(1) Torogahadi Irrigation scheme and (2) Matibra Irrigation scheme could not be repaired as yet though they were completely washed away during the last flood and if so, what is the reason ?

(d) Whether any new Irrigation scheme in N.C. Hills District will be taken up during the current year and if so names of the schemes and its areas be furnished ?

Sri pabindra Deka ( Minister Irrigation ) replied :

(a) The reasons are manifold, such as—Inaccessibility of work sites, poor condition of approach/Leading roads, nonavailability of experienced local contractors, short duration of working period in the hilly terrain etc. which creat much difficulties in timely execution of schemes deleted.

(b) No. The proposal will be considered after ascertaining its technical feasibility and availability of fund. Collection of hydrological data necessary for design of the Head works in progress.

(c) Repairs to the flood damages to the Irrigation works.

will be taken up according to availability of fund for flood damage repairs.

(d) Yes.

(1) Chottolokha Irrigation scheme under Harangajao Block for an area of 20 Hect.

(2) Golapbari Irrigation scheme under Harangajao Block for an area of 40 Hect.

(3) Maharejpur Irrigation scheme under Harangajao Block for an area of 26 Hect.

In addition to the above schemes there are also proposals of New Scheme to be taken up during 1987-88 as given below :

(1) Retzol Irrigation scheme for an area of 40 Hect. under Jatinga valley Block.

(2) Remodelling of Douchur Irrigation scheme under Harangajao Block. The above two Remodelling schemes at Sl. 2 and 3 are proposed for proper destribution of water over the cammand area of the original schemes without any additional coverage and hence area against these two remodelling schemes are treated as nil.

**Re : New Flood Control Schemes.**

Shri G, C Langthasa, asked :

135. Will The Minister Of Flood Control be pleased to state.

(a) How many New Flood Control Schemes will be taken up for N. C Hills Dist. during the current year ?

(b) Furnish the names of the Schemes alongwith the expenditure involved in each Scheme ?

Shri Samsing Hanse (Minister, Flood Control) Replied :

(a) One new Flood Control Scheme is at present proposed

to be taken up in the **N. C.** Hills Dist. during the current year

(b) The name of the Sch eme is "Protection of paddy field area of Maibong including producti on of relies of Dimasha Kingdom from the erosion of river Mahur in **N.** C. Hills, the estimated amount of which is Rs. 8.37 lakhs.

**বিষয় ঃ ভূৰা গাওঁৰ বিদ্যুৎ উপসংমণ্ডলৰ অৱস্থা।**

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

১৩৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ বিদ্যুৎ সংমণ্ডলৰ অন্তৰ্গত ভূৰা গাওঁত এখন বিদ্যুৎ উপসংমণ্ডল থকাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উপসংমণ্ডলটো বৰ্ত্তমান কি অৱস্থাত জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( শক্তি ৰিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাওঁ বৈদ্যুতিক সংমণ্ডলৰ অধীনত ভূৰা গাওঁত কোনো বৈদ্যুতিক উপসংমণ্ডল নাই।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ নগাও, তেজপুৰ, জখলাবন্ধা, শিলঘাটলৈ বেচৰকাৰী বাচৰ প্ৰবৰ্ত্তন।**

শ্ৰীগুনীণ হাজৰিকাই সুধিছে ঃ

১৩৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কলিয়া ভোমোৰা দলং মুকলি কৰাৰ পাচত চমু ভ্ৰমণৰ যাত্ৰীৰ সুবিধালৈ লক্ষ্য ৰাখি নগাও, তেজপুৰ-জখলাবন্ধা, তেজপুৰ-শিলঘাটলৈ বেচৰকাৰী বাচ প্ৰৱৰ্ত্তনৰ বাবে ৰাজহুৱা দাবী থকা সত্বেও এতিয়ালৈকে কিয় কৰা হোৱা নাই ?

(খ) অতি সোনকালে এই সম্পৰ্কে কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ আশ্বাস দিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) কলিয়া ভোমোৰা দলঙৰ ওপৰেদি এই পথচোৱা মাত্ৰ পৰিবহন নিগমৰ বাচহে চলাচল কৰিব পৰাকৈ ৰাষ্ট্ৰীয়কৃত কৰা হৈছে।

আৰু অৱশ্যে যাত্ৰীৰ সুবিধাৰ কাৰণে দলং পাৰকৰি দক্ষিণ পাৰৰ পৰা তেজপুৰলৈকে আৰু উত্তৰ পাৰৰ পৰা জখলাবন্ধালৈকে বেচৰকাৰী বাছ

(খ) চলিবলৈ দিয়া বিষয়ে বিবেচনা কৰি থকা হৈছে আৰু সোনকালেই সিদ্ধান্ত লোৱা হব।

বিষয় : মানকাছাৰ শ্মশান সম্পৰ্কে।

শ্ৰীআমিনুল ইছলামে সুধিছে :

১৩৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি উত্তৰ দিবনে ?

(a) Is it a fact that the centuries old Mankachar cremation Ground is at the verge of total destruction due to continuous erosion of river kalo ?

(b) If yes measures taken for protecting the cremation ground ?

শ্ৰীছামছিং হাঞ্চে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) মানকাছাৰ শ্মশানখন গড়াখহনীয়াৰ কবলত পৰাটো হয়।

(খ) যোৱা বছৰ বাৰিষাৰ সময়ত সাময়িক ভাবে খহনীয়া ৰোধ কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছিল। ইয়াৰ স্থায়ী ব্যৱস্থা হিচাবে প্ৰতিৰোধৰ এখন প্ৰাক্কলন কাৰিকৰী উপদেষ্টা কমিটিৰ অনুমোদন হৈ থকা স্বত্বেও ধনৰ অভাবত কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লব পৰা নাই।

বিষয় : গাচুৱা কবিটৰমাৰি জান গভীৰতা সম্পৰ্কে।

শ্ৰীআমিনুল ইছলামে সুধিছে :

১৩৯। মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি উত্তৰ দিবনে ?

(a) Whether the Government is aware of the fact that Gasua-Kabitormari E&D Canel ( in Mankachar Constituency) needs immediate re-excavation and widening for leting out heavily accumulated waterhyacinth along with stangnant water which debarred former from cultivating on over ten thousand bighas of highly fertile land ?

(b) If yes, will the Government sanction a reasonable amount for reexcavation and widening works of the Canel, which may be taken up during the coming winter ?

শ্ৰীছামছিং হাঞ্চে ( বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) চৰকাৰে পানী মেটেকা বাহিৰ কৰিবলৈ গাচুৱা কবুটৰমাৰি জানটো দ বা বহল কৰাৰ আৱশ্যকতা অনুভৱ কৰা নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয় : জিঞ্জিৰাম নদীৰ খহনীয়া সম্পৰ্কে।

শ্ৰীআমিনুল ইছলামে সুধিছে :

১৪০। মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি উত্তৰ দিবনে ?

(a) Whether Government is aware of the fact that Khalisamari (in Mankachar Constituency) area is at the verge of total destruction due to yearly erosion of the river Zinjiram?

(b) If yes, what measures are going to be taken for the protection of the area ?

শ্ৰীছামছিং হাঞ্চে ( বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) খহনীয়া হোৱাটো সঁচা।

(খ) সেই এলেকাত বৰ্ত্তমান অনুসন্ধান চলোৱা হৈছে আৰু অহা কাৰিকৰী উপদেষ্টা পৰিষদত প্ৰতিবেদন আৰু প্ৰাক্কলন উপস্থাপন কৰাৰ ব্যৱস্থা কৰিবলৈ লোৱা হৈছে।

বিষয় : ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ মঠাউৰি।

শ্ৰীআমিনুল ইছলামে সুধিছে :

১৪১। মাননীয় বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি উত্তৰ দিবনে ?

(a) Is it a fact that a 3 K.M long E & D Embankment is in existence in between Diara Pepulabari P.W.D Road (length 8 K.M) and H.M.P.W.D. Road (length 22 K.M) ?

(b) Has this embankment any function as deferent to flood, while having a cannal creating outlet, over which a bridgs exists ?

(c) If so, whether the E & D embankment will be handed over to the P.W.D. ( Roads ) for converting it to a connecting road from western belt to eastern most part of Mankachar Constituency and Vice-Versa ?

শ্ৰীছামছিং হাঞ্চে ( বান-বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) নহয়, অৱশ্যে ডায়েৰাৰ পৰা পিপুলাবাৰীলৈকে কালু নদীৰ সোঁপাৰে এই বিভাগৰ এটা মঠাউৰি আছে। এই মঠাউৰিৰ দৈৰ্ঘ্য ৭·৪৫ কিঃ মিঃ হে।

(খ) দলং সুৰুঙাইদি পানী সোমাই মঠাউৰিৰ দ্বাৰা বানপানীৰ পৰা সংৰক্ষিত কৰা অঞ্চল বিশেষ প্লাবিত হয়।

(গ) গড়কাপ্তানী বিভাগৰ পৰা এনে প্ৰস্তাৱ পালে হস্তান্তৰৰ কথা বিবেচনা কৰা হব।

**বিষয় : দেৰগাওঁ চেনি কলৰ লাভ-লোকচান।**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

১৪২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম সমবায় চেনিকল দেৰগাওঁ ১৯৮৬-৮৭ চনত লাভ-লোকচানৰ খতিয়ান কেনে ধৰণৰ ?

(খ) ১৯৮৭-৮৮ চনত কিমান লোকক ঋণ দি উপকৃত কৰাৰ বাবে চৰকাৰে আঁচনি হাতত লৈছে ?

(গ) ঋণৰ বিপৰীতে কিমান কুহিয়াৰ সংগ্ৰহৰ বাবে চৰকাৰে ঠিৰাং কৰিছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( সমবায়-বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ১৯৮৬-৮৭ চনৰ উদ্বৃত পত্ৰ ( বেলেঞ্চ চিট ) এতিয়াও প্ৰস্তুত হোৱা নাই।

(খ) ১৯৮৭-৮৮ চনৰ বাবে মুঠতে ৩০৭৭ জন খেতিয়কক চেনিকলৰ তৰফৰ পৰা ঋণ দিয়া হৈছে।

(গ) ১০ (দহ) লাখ কুইন্টল।

**Re: Electrification of Derapathar village.**

Shri Ardhendu Kr. Dey asked :

143. Will the Minister, power be pleased to state :

(a) Whether it is a fact that as per records the Derapathar village under Lumding Constituency was already been electrified ?

(b) If the answer is affirmative when the village was electrified ?

(c) Who were/are the Supervising officers during that period when Derapathar was electrified ?

Shri Lalit Chandra Rajkhowa (Minister, Power) replied :

(a & b) According to records, Derapathar village has been shown as electrified. However, on physical varification, it was observed that this village was enoneously included in the list of electrified villages during 1982-83. The record has since been corrected and it has been decided to electrify this village during 1987-88.

(c) Does not arise.

**বিষয় : তেজপুৰ মহকুমাৰ মিনিষ্টেডিয়াম স্থাপন।**

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছেঃ

১৪৪। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আমাৰ চৰকাৰে মিনি ষ্টেডিয়াম স্থাপন কৰি খেলা-ধূলাৰ উন্নতিৰ বাবে যি পৰিকল্পনা কৰিছে এই পৰিকল্পনা মতে তেজপুৰ মহকুমাৰ কোন কোন ঠাইত মিনি ষ্টেডিয়াম দিয়াৰ সিদ্ধান্ত কৰা হৈছে জনাবনে ?

(খ) বিহগুৰি মৌজাৰ টুমুকী বাকৰীত এনে ষ্টেডিয়াম হোৱাৰ বাবে ধন ধাৰ্য্য কৰা হৈছিল কিন্তু এতিয়ালৈ ইয়াৰ কাম আৰম্ভ নকৰাৰ কাৰণ কি ?

(গ) চৰকাৰে অতি সোনকালে ইয়াৰ কাম আৰম্ভ কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ ( ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) তেজপুৰ মহকুমাৰ নতুৱাৰ উন্নয়ন খন্দত এখন মিনি ষ্টেডিয়াম তৈয়াৰ কৰিবলৈ লোৱা হৈছে।

(খ) বিহগুৰি মৌজাৰ টুমুকী বাকৰীত ষ্টেডিয়াম নিৰ্ম্মাণৰ বাবে টকা ধাৰ্য্য কৰা হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

**বিষয় : ব্ৰডগজ ৰেল পথ।**

শ্ৰীময়িতুল ইছলাম বৰাই সুধিছেঃ

১৪৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিধান সভাত ঘোষণা কৰামতে গুৱাহাটীৰ বাহিৰেৰে ৰেলপথটো নিয়াৰ কিবা প্ৰাৰম্ভিক কাম হাতত লৈছে নেকি ?

(খ) যদি লোৱা নাই, কিয় লোৱা নাই অনুগ্ৰহ কৰি জনাব নে ?

(গ) যদি লৈছে, তেন্তে কি কি ব্যৱস্থা লৈছে জনাব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) ৰেল পথটো গুৱাহাটীৰ বাহিৰলৈ নিয়াৰ কাম কেন্দ্ৰীয় চৰকাৰৰ।

(খ) ৰাজ্য চৰকাৰে এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ

(গ) কৰি আছে।

**Miscellaneous Discussion :**

Mr. Speaker : The time for questions is over. Now Hon'ble Member, Shri Hemen Das has given a notice for raising a matter. Shri Das to raise the matter ( then in Assamese ).

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। আমাৰ গুৱাহাটী আৰু তাৰ ওচৰতে থকা কেইবাটাও উদ্যোগ বন্ধ হৈ গ'ল। তাৰ ভিতৰত কালাপাহাৰৰ ওচৰত বন্ধ হোৱা উদ্যোগ কেইটা হৈছে—চাইকেল ফেক্টৰী, গ্লাচ ফেক্টৰী, টেক্সটাইল ইউনিট। ব্ৰহ্মপুত্ৰ জুট মিলটোৰ অৱস্থা শোচনীয়, ই এতিয়া মৃত্যুৰ মুখত। আজি কিছুদিন ধৰি এই মিলটোত লে-আউট চলি আছে। এই লে-আউট দিয়া মানে কেৱল মজদুৰক চাকৰিৰ পৰা বঞ্চিত কৰাই নহয় শেষত লক আউটৰ ব্যৱস্থাই কৰিব। গতিকে উদ্যোগৰ এনেকুৱা এটা অৱস্থাত চৰকাৰে হস্তক্ষেপ কৰিব-লগীয়া হৈছে। আৰু যদি নকৰে তেতিয়াহলে এই মিলৰ মালিকে আন-বোৰ মিলৰ মালিকৰ দৰে যিকোনো সময়ত বন্ধ ঘোষণা কৰিব পাৰে কাৰণ এই মিলটোৰ মালিকৰ মতি-গতি ঠিক নহয়। এতিয়া যিটো লে-আউট ঘোষণা কৰিছে এইটো বে-আইনী ভাৱে কৰিছে। তদুপৰি এই জুট মিলৰ মালিকে চৰকাৰৰ যিবিলাক নিৰ্দ্দেশ সেই বিলাক নেমানে। আৰু চৰকাৰৰ বিভিন্ন বিভাগ বিলাকত প্ৰচুৰ টকা দিবলগীয়া হৈ আছে। আনকি গুৱাহাটী মিউনিচি-পাল কৰ্পোৰেচনকো পইচা দিবলগীয়া হৈ আছে। উপায় নাপাই কৰ্পোৰেচনে মিলৰ ফেন উঠাই লৈ আহিছে। গতিকে এই বিষয়ত উদ্যোগ বিভাগে মিলটো জীয়াই ৰখাৰ কাৰণে সকলো প্ৰকাৰৰ ব্যৱস্থা লবলগীয়া হৈছে। মই জানিব বিচাৰিছো উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে এই মিলটো জীয়াই ৰখাৰ কাৰণে কি কি ব্যৱস্থা লৈছে ?

Mr. Speaker . Now Hon'ble. Minister, Shri Digen Bora to speak.

শ্ৰীদিগেন চন্দ্ৰ বৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমাৰ বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই বিষয়ে আমি অনুসন্ধান কৰি চৰকাৰৰ ফালৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা লম।

Mr. Speaker : Now another matter will be raised by the Hon'ble Member Dr. Ardhendu Kumar Dey.

Dr. Dey please.

শ্ৰী অৰ্দ্ধেন্দু কুমার দে: মাননীয় অধ্যক্ষ মহোদয়, একটা খুব জরুরী ব্যাপার সদনের দৃষ্টি আকর্ষণের জন্য আমি উত্থাপন করছি। স্যার, এনকে-ফেলাইটিস নামক এক ব্যাধি আজ কিছুদিন যাবত সারা আসামে মহামারি

রূপে দেখা যাচ্ছে। বিশেষ করে এবছর এই রোগের ব্যপকতা এত বেশী যে এই রোগ নিয়ন্ত্রণ ধীরে ধীরে স্বস্থ্য বিভাগের আয়ত্বের বাইরে চলে যাচ্ছে। এই মহামারী ব্যাধি কি ভাবে কন্টোল করা যায় সে ব্যাপারে একটা আলোচনা হওয়া দরকার। এই রোগ এতই মারাতমক যে—যখন এই রোগের ডাইগনসিস করা হয় ঠিক তখনই রোগী মারা যায়। তার আগে পর্য্যন্ত এটা যে এনকেফেলাইটিস রোগ তা বোঝাই যায় না। আমি গত বাজেট সেসনেও এই ব্যাপারে স্বাস্থ্য মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করেছিলাম। এই রোগ প্রথমত: ফুটহিল ডিষ্ট্রিকটগুলোতে দেখা দেয় এবং নানাস্থানে সংক্রামিত হয়।

স্যার, কিছুদিন আগে আমাদের স্বাস্থ্য মন্ত্রী মহোদয় এ ব্যাপারে এক বিবৃতি দিয়েছেন এবং বলেছেন যে কেন্দ্রীয় সরকার নাকি এই রোগ নিয়ন্ত্রণের ব্যাপারে বিশেষ সারা দিচ্ছে না। এটাই যে একমাত্র কারন তা আমি মনে করি না। কারণ, এই রোগ নিয়ন্ত্রণের জন্য যত সংখ্যুক সার্ভিলেন্স ওয়ার্কার দরকার তার শতকরা ৫০ ভাগও আমাদের হাস্পাতাল গুলিতে নেই। বিশেষ করে ফুটহিল জেলাগুলোতে এইসব সার্ভিলেন্স ওর্য়াকাররা কোন কাজ করে না। সুতরাং এই সার্ভিলেন্স ওয়ার্কের সংখ্যা অতি সত্বর বাড়াতে হবে এবং এই রোগ নিয়ন্ত্রণের জন্য বিশেষ ব্যবস্থা নিতে হবে। তা না হলে অদুর ভবিষ্যতে হয়তো আমরা আমাদের কোন নিকট আতমীয়কেও হারাবো। সেইজন্য এ ব্যপারে আমি স্বাস্থ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি।

Mr. Speaker : Now another matter on the subject is to be raised by Hon'ble Member Shri Debeswar Bora.

শ্রীদেৱেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ বৰ্ত্তমান অসমত এনকেফেলাইটিছ বেমাৰটোৱে যি ভয়াবহ ৰূপ ধাৰণ কৰিছে সেই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সমগ্ৰ অসমতে এই বেমাৰটোৱে ভয়াবহ পৰিস্থিতিৰ উদ্ভৱ কৰিছে। যোৰহাটতেই এই বেমাৰত আক্ৰান্ত হৈ প্ৰায় ৩৫ জন মানুহ মৃত্যু মুখত পৰিছে। সেইদৰে অসমৰ অন্যান্য ঠাইতো বহুতো মানুহ মৰিছে। যোৱা বছৰেই যেতিয়া লক্ষীমপুৰত এই বেমাৰে দেখা দিছিল আমি আগতীয়াকৈ চৰকাৰক ব্যৱস্থা লবলৈ অনুৰোধ কৰিছিলো।

কিন্তু এইবাৰ বহুতো মানুহ এই বেমাৰত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিছে। এইবাৰো কোনো ব্যৱস্থা লব নোৱাৰিলে। যোৱা বছৰেই কৈছিলো বিভিন্ন অঞ্চলত ভেকচিনৰ ব্যৱস্থা কৰিব লাগে। কিন্তু সেই ব্যৱস্থা কৰা

নহ'ল। কেৱল কৰবাত কৰবাত ডিডিটি চটিয়ালে। ইয়াৰ দ্বাৰা যথেষ্ট কাম নহয়। এটা বিভাগ থাকোতেও আমি গোলাঘাটত চাহ বাগান বিলাকত স্প্ৰে ব্যৱস্থা নিজে কৰিবলগীয়া হৈছে। যি বা এটা ফৰ্গী মেচিন আছে তাৰ দ্বাৰা গোটেই অসম কভাৰ কৰাতো সম্ভৱপৰ নহয়। মই আশা ৰাখিছো এই ক্ষেত্ৰত চৰকাৰে বিশেষ চকু দিব। জাপানৰ পৰা এই মেচিন অনাৰ আশ্বাস দিছিল। গতিকে গোটেই বিষয় টোৰ এটা স্পষ্ট খতিয়ান ডাঙি ধৰিব লাগে।

Mr. Speaker : Now Hon'ble Minister of Health, Shri Patowari to speak.

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত উৎথাপিত হোৱা বিষয়টোৰ গুৰুত্ব আমি চৰকাৰে বাৰুকৈ উপলব্ধি কৰিছো। এই সম্পৰ্কে গুৰুত্ব বুজিয়েই আমাৰ চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ স্বাস্থ্য বিভাগৰ বাহিৰত গুছি গৈছে, এই কথাটো মই স্বাস্থ্য মন্ত্ৰী হিচাবে মানি লোৱা অসুবিধা হব। কাৰণ যোৱাবাৰ এনকেফেলাইটিছ হৈছিল। তাৰ আগে আগে মই এটা কথা সদনৰ জ্ঞাতাৰ্থে জনাই থওঁ যে এই ৰোগটো অসমত নতুন ৰোগ নহয়। এই ৰোগটো অসমত বহু দিন আগৰ পৰাই হৈ আছে। এই এনকেফেলাইটিছ ৰোগৰ কাৰণে আগৰ চৰকাৰে কি কৰিছিল নাজানো, কিন্তু আমাৰ গণ পৰিষদ চৰকাৰে এই ৰোগ নিৰ্ম্মূল কৰিবৰ কাৰণে বিভিন্ন ব্যৱস্থা লৈছে আৰু লগতে স্বাস্থ্য বিভাগে সকলো ধৰণৰ প্ৰচেষ্টা হাতত লৈছে। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ নিচিনাকৈ স্বাস্থ্য বিভাগৰ নিয়ন্ত্ৰণত যোৱা নাই সেইটো নহয়।

অধ্যক্ষ মহোদয়, যোৱাবাৰ ১৩ খন জিলাত এনকেফেলাইটিছৰ আক্ৰমণ হৈছিল। তাৰ ভিতৰত ৮৮২ জনৰ এনকেফেলাইটিছ হৈছিল আৰু ৩১১ জনৰ মৃত্যু হৈছিল। তাৰ পাছত ৬ খন জিলাত হৈছে আৰু ২২১ জন মানুহ আক্ৰান্ত হৈছে। তাৰ ভিতৰত ১১২ জন মৃত্যু মুখত পৰিছে। কিন্তু নিয়ন্ত্ৰণৰ বাহিৰত হোৱা হলে এইবাৰ বেছি আক্ৰান্ত আৰু মৃত্যু হলহেতেন। এই ৰোগাৰ পৰা হাত সাৰিবৰ কাৰণে ডি, ডি, টি চটিওৱা হৈছে; যিবিলাক জিলাত এনকেফেলাইটিছ হৈছে, সেইবিলাকত মেলেথিয়ান দিয়া হৈছে। মাননীয় সদস্য শ্ৰীদেবেশ্বৰ ডাঙৰীয়াই কোৱাৰ নিচিনা ডি, ডি, টি, নিদিয়াটো সত্য নহয় এই ক্ষেত্ৰত সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই বিষয়ে আমি অল ইণ্ডিয়া ইন্‌ষ্টিটিউটলৈ লিখিছো। পুনে, কলিকতা আদিলৈ লিখা হৈছে যে তাৰ পৰা

মানুহ আহি সহায় কৰিব লাগে। তাৰোপৰি নেশ্বনেল মেলেৰিয়া এৰাডিকে চনৰ অফিছাৰ আহি ভ্ৰমণ কৰি আছে। যোৱাবাৰ ভাৰতবৰ্ষৰ হাইড্ৰোল'জি ইনষ্টিটিউটৰ পৰা মাতি আনি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আনহাতে মই নিজেই এন্‌কেফেলাইটিছ হোৱাৰ পিছত নতুন দিল্লীলৈ গৈছো আৰু কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীৰ লগত আলোচনা কৰিছো।

অধ্যক্ষ মহোদয় ভেক্‌চিন দিয়া হোৱা নাই বুলি কোৱা হৈছে। কিন্তু তাক ভাৰতবৰ্ষত পোৱা নেযায়। এই ভেক্‌চিন জাপানত পোৱা যায়। এই সম্পৰ্কত আমি ভাৰত চৰকাৰলৈ লিখা চিঠি আছে। ভেক্‌চিন, মেলেথিয়ান দিব লাগে বুলি লিখিছো। এই ক্ষেত্ৰত ষ্টেট প্লেনৰ পৰা পইচা দিব নোৱাৰি। ভাৰত চৰকাৰেহে দিব লাগে। নেশ্বনেল প'লচিত শতকৰা ৫০ ভাগ ভাৰত চৰকাৰে খৰছ কৰিব। গতিকে আমাক কোনো সুবিধা দিয়া হোৱা নাই। এইবাৰ যি বেমাৰ হৈছে আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত যোৱা নাই। এই বিষয়ত পুনেৰ হাড্ৰোল'জি ইনষ্টিটিউটত পৰীক্ষা কৰিবলৈ পঠিওৱা হৈছে। ইয়াৰ ভিতৰত ১২ টা পজেটিভ আৰু ৬ টা নিগেটিভ হৈছে। নিয়-ন্ত্ৰণৰ ক্ষেত্ৰত যথেষ্ট চেষ্টা কৰা হৈছে। মাননীয় সদস্য দে ডাঙৰীয়া নিজেই ডাক্তৰ, তেখেতে নিজেই জানে যে এই বেমাৰৰ ঔষধ নাই। এই বেমাৰ হোৱাৰ কাৰণ হৈছে গৰু, গাহৰি ইত্যাদিৰ পৰা আহে এই বেমাৰ নিৰ্মূলৰ কাৰণে আমি ইতিমধ্যে সকলো ধৰণৰ ব্যৱস্থা হাতত লৈছো আৰু যিখিনি দৰ্কাৰ এই বিষয়ে দৃষ্টিগোচৰ হৈছে, লগতে তাৰ ব্যৱস্থাও লোৱা হৈছে।

**Ruling from the Chair**

Hon'ble Speaker: Report of the Business Advisory Committee Under Rule 230 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 12 hrs. on 8th October, 1987 in my chamber to discuss about the priority to be given to the different grants contained in the List of Supplementary Demands for Grants for 1987-88 which will be taken up on 12th October, 1987 in the House. After a brief discussion, the Committee decided to take up the following grants on priority basis and rest of the grants will come up for voting in the order

in which these are listed in the list of Supplementary Demands for 1987-88.

1) Grant No. 41—Natural Calamities.

2) Grant No. 56—Rural Development (Panchayat)

3) Grant No. 17—Administrative and functional Building

4) Grant No. 9—Transport Services.

5) Grant No. 37—Civil Supplies.

I hope this has the approval of the House.

* Shri Santi Ranjan Dasgupta : Sir, I also suggested that Grant No. 44—Roads Bridges should also be taken up along with Natural Calamities, because the roads and bridges are also victims of natural Calamities.

Hon'ble Speaker : That is a separate grant. Hon'ble Members may kindly recall that on 5th October, 1987, I informed the House that three Hon'ble Members had given notices of adjournment motions on three different subjects and that I would allow that matters to be raised on 7th October, 1987. I am sure that all Hon'ble Members are aware that the Speaker has to decide admissibility of adjournment motion in accordanee with the provision of the rules of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. Since the incident of murder, police firing and flood on which three adjournment motions were brought took place quite some time back, it was expected that Hon'ble Members might have given notices of question, resolutions, etc. On the aforesaid subjects and there was no time for the Speaker to verify all the records within the course of half an hour before the comencement of the session. Besides, according to the

prevailing Parliamentary Practice and procedure the Speaker is empowered to postpone consideration of a notice of an adjournment motion as pointed out by me on 5th October. 1987, vide pages-423 of practice and procedure of Parliament by Kaul and Shakdhar. I may mention here that the subject matters of the adjournment motions were different and if the iucidents had taken place immediately preceding the session, I would have allowed the members to raise them on same day. Hon'ble Member, Shri Altaf Hussain Mazumder has read out certain portions from the same book which related to giving notice adjournment motion at the earliest opportunity and by giving notices on the first day requirement of the rule was complied with. But giving consent to raise the matter requires consideration of various conditions for which I had to postpone my consent for allowing the matters to be raised.

In this connection, I would like to bring to the notice of the House that Hon, Member, shri Altaf Hussain Mazumdar who has given notice of an adjournment motion had given notice of a question on the very subject and the question was admitted as original Unstarred Questions which reads as follows :

"Will the Minister, Home be pleased to state :

(a) The number of persons murdered from Ist January 1986 in Assam for political or similar reasons and those murdered by extremists (with names address and respective Case Nos.) and the names of the persons arrested casewise with address and the agency investigating the cases ?

(b) Has any of these cases charge sheeted ?

Since the question had been admitted it will come

before the House on 13th October, 1987. Similar'y, resolutions have been admitted on continuing floods in Assam and will come up before the House from 9th October, 1987 onwards. The notices of these resolutions have been given by Hon'ble Members, sarbasree Zoii Nath Sarma, Deba Kumar Bora, Bharat Chandra Narah, Ramendra De. Again I may also point out that a notice of question was received by the Assembly Secretariat on police firing at Lailangpara under Dalgaon police Station in Darrang District in the afternoon of 9th September, 1987 given by Hon'ble Member Shri Abdul Jabbar. This question will come up for discussion on 13th October, 1987 in the starred list of questions. Hon'ble Member Shri Binoy Khungur Basumatari has also given the notice of the adjournment motion on the same subject.

Rnle 57 ( IV ) of the Bules of procedure and Conduct of Business in Assam Legislative Assembly lays down that the adjournment motion shall not anticipate a matter which has been previously appointed for consideration and the questions and resolutions have already been admitted and appointed for consideration.

There is no doubt that several murders have taken place in Assam and police biring also took place in Darrang District. I am however very much distressed to note that the Hon'ble Member Shri Altaf Hussain Mszumdar has termed the murders as "a systemetic killing of the leaders of a partioular politicai party, i. e. Congress' ) in order to stifle democratic opposition and to silence the voice of dissent." I am sure no sensl ble persnn will support sich aeinous crime The Hon'ble Home Miuister in

his statement made on the floor of the House has stated that about one hundred persons were arrested in connection with various murders. It shows that the Government have taken steps to bring the culprits to book but the adjournment motion has been drafted in such a manner which unfortunately casted a reflect on as if Government has made a systematic plan to silence the voice of dissent. Every one knows that extremist activities have become very common not only in India but in many parts of the world and this has been condemned every where in various forms. Great anxity has been expressed throughout Commonwealth countries as to how terrorism can be containcd We the members of this highest democratic and authoritative forum of our State should be and must be cautious enough in placing such matters in the floor of the House so that the law and order enforcing machinery of the the Government will not loose its moral in combating terrorism in our State. So far ss the police firing is concerned, it is indeed a tratio incident and the Hon'ble Minister, Home has said that the police resorted firing to bring the law and order aituation under control. He has said that cases have been registered and investigation have been proceeding relating to murders and police firing.

So far as flood is concerned I need not elaborate the human sufferings and loss of lives. It is, however, a continuing matter. I have heard the Hon'ble movers of the adjournment motion other Hon'ble members and the Hon'ble Minister of State, Parliamentary Affairs. The Hon'ble Minister of State, parliamentary Affairs has referred to the ovseration of the then Hon'ble Speaker, Lok Sabha who said that an adjournment motion will be admissible if the question proposed to be raised had arisen suddenly and created emergent situation, necessitating the adjournment of the House to take up the consideration of urgent matter. I am sure the murders and the police firing had not created sueh an emergency through out the State. The Hon'ble Minister of State Parliamentary Affairs had also referred to page 422 of the Practice and proeedure of parliament wherein it has been stated that I quote:—

"a matter which can be raised under any other procedural devices viz. calling attention notices, questions, short notice questions, half an hour discussion, short duration discussion etc. cannot be raised through an adjournment motion unquote.

I quite agree with the observation of the Hon'ble Minister of state, Parliamentary affairs in this regard. I have already mentioned that questions have been admitted on the subject of murders and police firing and resolutioss have also been admitted on flood stuation in Assam. Hon'ble Members will get ample opportunity to ventilate their grievsnces when these matter come up before the House.

I therefore hold the adjournment as out of orders as per rule 57 (IV) as well as the subject matter being not fit sjubject for adjournment motion.

Shri Binai Khungur Besumatary : Mr. Speaker Sir, I accept the ruling of the Hon'ble Speaker ; but I protest against this and on my protest I walk out from the House. ( Walks out )

## Matter under Rule 301

• শ্ৰীদেৱ কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা বিধিৰ ৩০১ নং নিয়ম অনুসৰি এই প্ৰস্তাৱটো আলোচনা কৰিবলৈ বিচাৰিছো যে যিহেতু ৰাজ্যখনৰ গ্ৰাম্য অঞ্চললৈ বিদ্যুত যোগানৰ অনিয়মিত পৰিস্থিতিয়ে সৰ্ব্বসাধাৰণ ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট পৰিমাণে অশান্তি আৰু ক্ৰোধৰ ভাৱ জগাই তুলিছে, সেয়েহে এই অঞ্চললৈ বিজুলী যোগান নিয়মীয়া হোৱাটো একান্ত বাঞ্চনীয়'। এই সম্পৰ্কীয় বিষয়টো উত্থাপন কৰাৰ জৰিয়তে বিদ্যুত বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰি মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা তিনিমাহৰ কথাকে কব বিচাৰিছো। তাৰ আগৰ কথা বিলাকো আমাৰ মাননীয় সদস্য সকলে জানে। সেয়েহে যোৱা কিছুদিনৰ কথাৰেই বিষয়টো উত্থাপন কৰিব বিচাৰিছো আৰু বিষয়টোৰ এটা সিদ্ধান্ত হোৱাৰ কাৰণে আশা কৰিছো। যোৱা তিনিমহে যদি আমাৰ গ্ৰাম্যাঞ্চলৰ ফালে চোৱা যায় তেনেহলে এক অসহনীয় অৱস্থাৰ ছবি আমাৰ চকুত ভাহি উঠে। সেই পৰিস্থিতি আমি অনুভৱ কৰিব পাৰিছো। অধ্যক্ষ মহোদয়, গধূলি হলেই আন্ধাৰ নামি আহে, এইটো প্ৰকৃতিৰ নিয়ম। এই নিয়ম পৃথিৱীয়ে মানি লৈছে, কিন্তু গধূলি হলেই আন্ধাৰ অহাৰ লগে লগে বিদ্যুত পৰিষদেও আন্ধাৰ মানি লৈছে।

সেইটো পৃথিৱীয়ে মানি লব নোৱাৰে। বিদ্যুতেৰে আন্ধাৰ আতঁৰোৱাৰ হে ব্যৱস্থা আছে কিন্তু তাৰ সলনি গধূলি আন্ধাৰ অহাৰ পিচত বিদ্যুত পৰিষদেও বিদায় লয়। ইয়াৰ ফলত অসম ৰাজ্যিক বিদ্যুত পৰিষদ অসমৰ ৰাইজৰ অপ্ৰিয়ভাজন হৈছে। ইয়াৰ কাৰণে কোন ঠাইত কি ত্ৰুটি-বিচ্যুতি হৈছে সেইটো চাই আতঁৰাবলৈ শক্তিশালী ব্যৱস্থা লব লাগে বুলিয়েই বিষয়টো মই উত্থাপন কৰিছো। বাতৰি কাকত সমূহত এই বিষয়ত বিভিন্ন সময়ত লিখা হৈছে : দৈনিক জনমভূমিৰ ১৭ চেপ্তেম্বৰৰ তাৰিখত সম্পাদকীয় লিখা হৈছে 'বিদ্যুত শক্তিহীন অসম'। আকৌ সেই কাকতৰে পোন্ধৰ চেপ্তেম্বৰত বিদ্যুত বিজুতি লিখিছে শ্ৰীশ্ৰী বিষ্ণু বালি কুঞ্চি, সত্ৰাধিকাৰ গোস্বামী, আকৌ বিদ্যুত ব্যাহত হোৱাত 'ছাত্ৰ-ছাত্ৰী অতীষ্ঠ"-লিখিছে টিংখং বাগিচাৰ পৰা হীৰেণ দত্তই। আকৌ ৰাইজৰ অভাৱ-অভিযোগ শিতানতে লিখিছে সঘন বিদ্যুত বিজুতিত ৰাইজ অতীষ্ঠ : লিখিছে—তিলোত্তমা বৰুৱা-নাহৰকটীয়া নগৰ। আকৌ সঘনে বিদ্যুত বিজুতিৰ অভিযোগ—লিখিছে লামডিঙৰ পৰা। আকৌ এক কাকতত লিখিছে : বিদ্যুতৰ লীলা-খেলা : ৰাইজৰ অতীষ্ঠ। গোলাঘাটৰ কানুগাওঁৰ পৰা লিখিছে ৰাইজৰ অভাৱ-অভিযোগ শিতানত গ্ৰাম্য বিদ্যুত যোগান শীৰ্ষক চিঠিৰে। লংকাৰ পৰা লিখিছে লাইত নজ্বলে কিন্তু বিদ্যুত বিল আহে আকৌ চেণ্টেনেল কাকততো লিখিছে পোন্ধৰ চেপ্তেম্বৰ, উনত্ৰিশ আগষ্টত লিখিছে মৃণাল সিংমন চৰকাৰী সত্ৰ, গুৱাহাটী। আকৌ পাঁচ চেপ্তেম্বৰত লিখিছে যোৰহাটৰ পৰা বিশেষ সংবাদাতাই "ফ্ৰিকুৱেণ্ট পাওৱাৰ ফেইলুৰ কজিং একুইট ইনকনভেনিয়েন্স' আকৌ এক কাকতৰে পচিশ আগষ্টত লিখিছে জয়ন্ত বৰুৱাই 'কনভেনিয়েন্স অব এন এ-এচ ই-বি এম্পলয়ি'—ইত্যাদি আৰু বহুত ঠাইৰ পৰা অভাৱ-অভিযোগৰ শিতানত লিখা হৈছে। আন আন কাকততো লিখা হৈছে। ৰাজ্যিক বিদ্যুত পৰিষদৰ ১১৩২ কোটি টকাৰ ধাৰ দৈনিক জনমভূমিৰ তেৰ চেপ্তেম্বৰৰ দিনাৰ ষ্টাফ ৰিপোৰ্টাৰৰ খবৰ পৰিবেশিত হৈছে। আকৌ সেই কাকতৰে ২১ চেপ্তেম্বৰৰ তাৰিখত বেগম মফিদা আহমদ, প্ৰাক্তন সংসদ সদস্যা, যোৰহাটৰ পৰা এটি শীৰ্ষক লিখা প্ৰকাশ পাইছে। এই সকলো বিলাক কথা লৈ আঙুলিয়াই মই বিদ্যুত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি সেই বিষয়টোৰ সুস্থিৰ সমাধানৰ কাৰণে আশা ৰাখিছো। এই বছৰ মেট্ৰিকত শতকৰা বাইশ জন মাত্ৰ পাচ কৰিছে আৰু শতকৰা আঠাত্তৰ জনেই অকৃতকাৰ্য্য হৈছে। এইটোৰ কাৰণে আমি এতিয়া শিক্ষা

মন্ত্ৰীক দোষ দিম নে' বিদ্যুত মন্ত্ৰীক দোষ দিম, ঠিক কৰিব লাগিব কাক সমালোচনা কৰি ইয়াৰ কেৰোণ বিলাক নিৰ্ম্মূল কৰাৰ দৰকাৰ।

যোৱা বিধান সভাত আমাৰ বিদ্যুত মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে ৪৭৫ মেগাৱাট বিদ্যুত উৎপাদন কৰা হব। এতিয়া কওঁকচোন কিমান বিদ্যুত উৎপাদন কৰা হৈছে? চালেকাটিত 475 MW installed Capacity বহি আছে যোৱা ৫ বছৰে। এতিয়া সকলো বিলাক 5 years plan এই বিষয়ে ক্ষমতা ২৬০ মেগাৱাট target complete এটা জেনেৰেটৰে ৬০ মেগাৱাট বিদ্যুত উৎপাদন কৰিছে আৰু ৪ টা বহি আছে। ইয়াৰ উত্তৰ হয়তো বিদ্যুত বিভাগৰ মন্ত্ৰীয়ে ধুনীয়াকৈ দিব মাননীয় অধ্যক্ষ মহোদয়, এ এচ ই বিৰ যিটো ভিতৰুৱা পৰিবেশ সেই পৰিবেশত কেৰুণ ধৰিছে। এই কেৰুণ সম্পূৰ্ণ ভাবে অপৰেচন কৰি দৰব দিয়াৰ ব্যৱস্থা কৰিব লাগিব চালেকাটিৰ সম্পৰ্কত চুপ্ৰিম কৰ্টত কেচ চলি আছে বুলি বিদ্যুত মন্ত্ৰীয়ে কব। আমি কোটি টকীয়া এটা প্ৰজেক্ট পৰি থাকিবলৈ দিব নোৱাৰো। আগৰ চৰকাৰে ভেজাল বস্তু কিনাৰ কাৰণেই বিদ্যুত যোগানত ব্যঘাট জন্মিছে। এই বিলাক পুনৰ চালু কৰাৰ ব্যৱস্থা কৰিব লাগিব। অকল চুপ্ৰিম কৰ্টত কেচ কৰি বহি থাকিলেই নহব। এই দৰে চুপ্ৰিম কৰ্টত কেচ কৰি বহি থাকিলে আমাৰ সমস্যাৰ সমাধান নহব। মই এই খিনিতে এটা পৰামৰ্শ দিব বিচাৰিছো যে আমাৰ ৪ টা নতুন জেনেৰেটৰ কিনক। আমাৰ অসমৰ গোটেই বিলাক গাঁৱত লাইত দিবলৈ কিমান জেনেৰেটৰ পাৱাৰ লাগে? গুৱাহাটী নগৰখন চলিবলৈ ৪০ মেগাৱাট পাৱাৰ লাগে। চন্দ্ৰপুৰতে ৩০ মেগাৱাট উৎপাদন হয়। চন্দ্ৰপুৰৰ পৰা উৎপাদন হোৱা বাবেই গুৱাহাটী নগৰখন ধৰিব পাৰে। সেই দৰে যোৰহাট টাউনখন চলিবলৈ ৪ মেগাৱাট পাৱাৰ লাগে। যোৰহাটত মই নিজে থাকো কাৰণে আৰু সকলো বিলাক কথা জানো। যোৰহাটত প্ৰায়েই লাইট নাথাকে। সেই দৰে লক্ষীমপুৰ, ধেমাজি, শদিয়া, বৰপেটা ধুবুৰী আদিত লাইত নজলেই বুলিব পাৰি। দেখা গৈছে গোটেই অসমতেই বিদ্যুত যোগানত ব্যাঘাট জন্মিছে।

মাননীয় অধ্যক্ষ মহোদয়, অলপতে আমাৰ উদ্যোগ মন্ত্ৰীয়ে এখন ধুনীয়া পলিচিৰ কথা ঘোষনা কৰিলে। এই পলিচিৰ কথা শুনি আমি ভাল পালো। কিন্তু বিদ্যুত নহলে উদ্যোগ বিভাগৰ মেচিন চলিব কেনেকৈ? আমি এটা কথা লক্ষ্য কৰিছো যে আমাৰ অসমত মমবাতিৰ কাৰখানা বাঢ়িব লাগিছে।

তাৰোপৰি বহুতো জেনেৰেটৰ বিক্ৰী কৰা কোম্পানী বাঢ়িব লাগিছে। এই সকলৰ কথা হল যে যিমানেই লাইট নাইকীয়া হয় সিমানেই এওঁলোকৰ লাভ হয়। লাইট নহলে মমবাতি কিনিব বা জেনেৰেটৰ উদ্যোগ বিলাকত চলাব। তেওঁলোকে যিমানে আন্ধাৰ হয় সিমানেই ভাল পায়। হস্পিতালত লাইট বন্ধ হৈ যোৱাৰ কাৰণে ৰুগীৰ মৃত্যু হোৱাৰ কথা মই নিজে জানো।

এইবিলাক কাৰণতে মই এইবিলাক কথা ৰেইজ কৰিছো। এই বিদ্যুত যোগানৰ কাম এইদৰে চলি থাকিবলৈ দিলে নহব। আমি বিদ্যুত পৰিষদৰ ওপৰত কিয় ব্যৱস্থা বিচাৰিছো আমি ৭ টা ৰাচিয়ান গেচ টাৰবাইন অনাৰ কথা শুনিছিলো। তাৰে ৩ টা আহি পালে, আৰু সেই কেইটা লাকুৱা, মাইবং আদিত বহুৱাইছে। কিন্তু বাকী ৪ টা কি হল ? এই ৪টা কলৈ গ'ল, কিয় অনা নহল ? এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে। টাউনত লাইট নহলে বাতৰি কাকতত ওলাই, কিন্তু গাঁৱত লাইট নহলে সেই কথা গাঁৱৰ মানুহৰ বাহিৰে কোনেও জানিবলৈ নাপায়। আৰু এটা কাম কৰা হৈছে যে গ্ৰাম্য বৈদ্যুতিকৰণৰ নামত কিছুমান গাঁৱত খুটা পোটা হৈছে। সেই খুটা বিলাক এখন গাঁৱৰ ১০ কিঃ মিঃ আতৰে গলেও সেইখন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে বুলি ধৰি লোৱা হয় আচনিমতে। আমাৰ চৰকাৰে ১৯৯০ চনৰ ভিতৰত অসমৰ সকলো বিলাক গাৱঁতে বৈদ্যুতিকৰণ কৰা হব বুলি ঘোষণা দিছে। গতিকে সেই সময়ত এই কাম সম্পূৰ্ণ কৰিবলৈ হলে এতিয়াৰ পৰাই কাম আৰম্ভ কৰিব লাগিব। অন্ধ্ৰ প্ৰদেশত এই ব্যৱস্থা আছে যে তাত পাৱাৰ কৰপৰচনে বিদ্যুত উৎপাদন কৰে আৰু বিদ্যুত পৰিষদে পাৱাৰ কৰপৰেচনৰ পৰা বিদ্যুত কিনি লৈ যোগান ধৰে। তেনে কৰাৰ কাৰণে বৰ্ডৰ ওপৰত বেচি কাম নপৰে। কিন্তু আমাৰ ইয়াত এটা বৰ্ডেই সকলো বিলাক কাম কৰিব লাগে। সেই কাৰণে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে আমাৰ ইয়াতো এটা পাৱাৰ কৰপৰেচন ক্ৰিয়েট কৰিব লাগে। পাৱাৰ কৰপৰেচনে বিদ্যুত উৎপাদন কৰিব আৰু বিদ্যুত পৰিষদে বিদ্যুত যোগান ধৰিব।

শ্ৰীদেৱ কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয় এই বিল বিলাকৰ আমি এনেকুৱা কমপ্লেইন পাইছো যে বিলবিলাক বছৰলৈ নাযায় বিলৰ পইছা নিজে দিবলৈ গলেও পইছা নলয় কিন্তু তাৰ পাছতে নোটিশ আহেযে আপোনাৰ লাইন কাতি দিয়া হৈছে। সকলো ঠাইতে এই অৱস্থা হৈ আছে। গতিকে এই বিলৰ ক্ষেত্ৰত কি কৰা হব এই বিষয়ে উপায় উদ্ভাৱন কৰিব লাগে। আমাৰ যিটো কমিটি কৰিব বুলি ঘোষণা কৰা হৈছে তেওঁলোকে সামগ্ৰিকভাবে এই বেমাৰবিলাক চাব লাগে। তেওঁলোকে ভিতৰুৱাভাবে এই খবৰবিলাক লৈ অনুসন্ধান কৰি

এটি পূর্ণ ৰিপোৰ্ট দিব বুলি আশা কৰিলো।

এইখিনি কৈয়ে মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীভৰত চন্দ্ৰ নৰহঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদেৱ কুমাৰ বৰা ডাঙৰীয়াই ৩০১ নং নিয়ম অনুসৰি যিটো বিষয় উত্থাপন কৰিছে মই তাক সমৰ্থন জনাইছো। আমাৰ বৰা ডাঙৰীয়াই কোৱাৰ নিচিনা অলপ পিছতে আমাৰ শক্তি মন্ত্ৰী শ্ৰীৰাজখোৱাদেৱে আমাৰ বিদ্যুত পৰিষদৰ চেয়াৰ-মেনে প্ৰস্তুত কৰি দিয়া আৰু তাৰে ইফাল সিফাল কৰি দি সচিৱ আৰু উপ সচিৱে যি নোট তৈয়াৰ কৰি দিছে তাকে পঢ়ি শুনাৰ আৰু সেই নোটতে লিখা থাকিব যে কি কাৰণত বিদ্যুতৰ নাটনি হৈছে বিদ্যুতৰ সমস্যা হৈছে লগতে ইয়াকো কব যে বঙ্গাইগাও তাপ বিদ্যুত প্ৰকল্প চাৰিটা তাৰবাইনৰ দুটাই বেয়া হৈ আছে ৪০ মেগাৱাট উৎপন্ন হব লাগিছিল ৩৫ মেগাৱটহে হৈছে, চন্দ্ৰপুৰত ৫টাৰ তিনিতাই বেয়া হৈ আছে লাকুৱাৰ তিনিটা গেচ টাৰবাইনৰ এটা বেয়া হৈ আছে কঠালগুৰীৰ ৪টাৰ ভিতৰত এটা বেয়া হৈ আছে। এই বিলাক কাৰণত বিদ্যুতৰ নাটনি হৈছে বুলি এটা স্পষ্টিকৰণ শুনাব আৰু কব যে এই বিলাক টেকনিকেল সমস্যা তাত বাহিৰে তেখেতৰ উপায় নাই। আমাৰ কথা হ'ল সত্য কথাবিলাক অপ্ৰিয় শুনিবলৈ বেয়া লাগে কবলৈ বেয়া লাগে। আমি বিধান সভাৰ সদস্য হিচাবে বিদ্যুত কিয় নোহোৱা হৈছে সেইটো শুনিব খোজা নাই বেয়া কিয় হৈছে সেইটো শুনিব খোজা নাই আমি জানিব লাগে যে বেয়া হোৱাটো কিয় ভাল কৰিব পৰা নাই। আমাক লাইট লাগে বেয়া হোৱাটো আপোনালোকে ঠিক কৰি লওক। মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য সকলে কৈছে যে সদনৰ কমিটি গঠন কৰি দিয়া হৈছে আৰু এই কমিটিয়ে সকলো দিশ সামৰি অনুসন্ধান কৰিব। সদনৰ কমিটিয়ে কিয় বেয়া হৈছে কি বেয়া হৈছে কিয় নাটনি হৈছে বঙ্গাই-গাও লাকুৱা চন্দ্ৰপুৰ আদিৰ পাৱাৰ চৰ্ট হোৱা কাৰণে হৈছে বুলি এটা ৰিপোৰ্ট দাখিল কৰিব আৰু সেইটোৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। মোৰ বোধেৰে বিদ্যুতৰ নাটনি বা বেয়া হোৱাৰ সেইবিলাক কাৰণ নহয়। বিদ্যুত পৰিষদখন গঠন কৰোতেই ভুল হৈছে। অসম বিদ্যুত পৰিষদখন পলিটিকেল ৰিহেবিলিটেচন কেম্প হৈছে। কোনোবা চৰকাৰী বিষয়াক উচ্চ পদ দিব লাগিলে আপুনি অনুগ্ৰহ কৰি বোৰ্ডলৈ যাওক। কোনোবা অৱসৰ পোৱা বিষয়া থাকিলে চৰ-কাৰলৈ লিখিব যে 'মই এতিয়া কৰ্ম্মহীনভাবে বহি থাকিবলগীয়া হৈছে' গতিকে চৰকাৰে কব আপুনি বোৰ্ডৰ সদস্য হওক। তিকে ফাইনেনচিয়েল বা টেক-নিকেল অভিজ্ঞতা থকা লোক বিদ্যুত পৰিষদত নাই বা থকা বুলি সন্দেহ নহয়। গতিকে মই সদনৰ কমিটি গঠন কৰাৰ ওপৰিও এটা পৰামৰ্শ দিব খুজিছো এই বোৰ্ডখন পুনৰ গঠন কৰিব লাগে। কাৰণ আমি এটা কথা চাব লাগিব

যি সকলক সদস্য কৰা হৈছে তেওঁলোকৰ বিদ্যুতৰ প্ৰতি ইণ্টাৰেচ আছে নে নাই ? কাৰণ ইণ্টাৰেচ নাথাকিলে অভিজ্ঞতা হব নোৱাৰে। এই বোৰ্ডখনক চৰকাৰে ৰাজনৈতিক সংস্থাপন কেন্দ্ৰ বা প্ৰশাসনিক সংস্থাপন কেন্দ্ৰ বুলি ভবাটো উচিত নহব। দেশৰ বৃহত্তৰ স্বাৰ্থত ই উচিত কামত ব্যৱহৃত হব লাগিব। যিহেতু এই বোৰ্ডখনৰ ওপৰত ৰাইজৰ আস্থা নাই গতিকে ইয়াক পুনৰগঠন কৰিব লাগে আৰু পুনৰগঠনৰ পাছত যিহেতু এই বোৰ্ড স্বায়ত্ব শাসিত গতিকে তেওঁলোকৰ ওপৰত ৰাজনৈতিক হস্তক্ষেপ বাদ দিব লাগিব তেওঁলোকক স্বাধীনভাবে কাম কৰিব দিব লাগিব। ৰাজনৈতিক হস্তক্ষেপ থাকিলে লাইট জলাত অসুবিধা নিশ্চয় হব। বৰ্ত্তমান এনে হৈছে যে এই বোৰ্ডৰ চেয়াৰমেন কোন বা মন্ত্ৰী কোন কোনেও নাজানে কিন্তু শিৰসন্সৰ সকলোৰে জানে। চেয়াৰমেন কোন শিৰসন্সেই নেকি এনেকুৱা প্ৰচাৰো মানুহৰ মাজত চলিছে। ৯-১০ তাৰিখৰ সাপ্তাহিক জনমভূমিত কাৰ্বি আংলঙত বিদ্যুত শিৰোনমাৰ চিঠি এখন প্ৰকাশ পাইছে। ৰাজনৈতিক হেচাত কাৰ্বি আংলংত লংপি প্ৰজেক্ট দিয়া হৈছে বুলি কৈছে। আমি জানো আমি অসমৰ থলুৱা ঠিকাদাৰক চাব লাগিব কিন্তু থলুৱা ঠিকাদাৰৰ কাৰণে বা থলুৱা ঠিকাদাৰক বচাবলৈ গৈ আমি বোৰ্ডখন ধ্বংস কৰিব নোৱাৰো। এজন অসমীয়া ঠিকাদাৰ বা থলুৱা ঠিকাদাৰক বচাবলৈ গৈ আমি ৰাইজৰ মূৰত গছকিব নোৱাৰো। গতিকে চৰকাৰে বিদ্যুত বোৰ্ডখনৰ ওপৰত গুৰুত্ব দিব লাগে। মই বক্তৃতা দিঘলীয়া কৰিব খোজা নাই, মোৰ এটা প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিয়া শুনিলো। অধ্যক্ষ মহোদয় আপুনি শুনিলে আচৰিত হব মোৰ সমষ্টিত ঘিলামৰাত ৬৬ কিলোৱট ষ্টেচন ১৯৮১ চনতে বহুৱাব হৈছিল, আজি ১৯৮৭। আজিলৈকে এখন ৱালৰ বাহিৰে একো কাম হোৱা নাই। মই চেয়াৰমেনক সুধিলো সেই একে শিৰসন্স। মই এই বিধান সভাৰ এজন সদস্য হিচাবে শিৰসন্স কোন নাজানো মই জানো চেয়াৰমেনক বা মন্ত্ৰীক। ইয়াৰ কাৰণে আজি মোৰ সমষ্টিৰ ৰাইজে কৈছে যে আমাৰ বিধায়কৰ মেৰুদণ্ড নাই আমাৰ বিধায়কৰ কথা কোনো মন্ত্ৰী বা বিষয়াই নুশুনে কোনোৱে পাট্টা নিদিয়ে। শিৰসন্স বৰা মন্ত্ৰীৰ কাৰণে মই অহাবাৰ নিৰ্ব্বাচনত নিজিকাৰে সম্ভাবনা অ ছে। ( হাহিৰ ৰোল ) অধ্যক্ষ মহোদয় আপুনি আৰু এটা কথা শুনিলে আচৰিত হব মোৰ সমষ্টি ঢকুৱাখানাত এটা আৰ-ই-চিৰ চাব ডিভিজন আছে। তাত কিন্তু এজনো ষ্টাফ এতিয়ালৈকে যোৱা নাই। মই তেতিয়া কাৰ্য্যবাহী অভিযন্তাক সুধিলো— তেখেতে কলে যে এচ-দি-ও এজন দিছো কিন্তু যাব নোখোজে। তিনিবাৰ বিষয়া দিছে কিন্তু দুই তিনিদিন থাকিয়ে গুচি আহে। বিষয়া নোযোৱা কাৰণে মই বিধায়ক হিচাবে কাকো শাস্তি দিব নোৱাৰো তাৰ কাৰণে শাস্তি দিব

মন্ত্ৰী বা উচ্চ পদস্থ বিষয়াই যদি নিদিয়ে তাৰ কাৰণে অহাবাৰ নিৰ্ব্বাচনত মই হাৰিব লাগিব নেকি ?

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বিষয়া দিছে কিন্তু তেওঁলোক নাযায় তাৰ কাৰণে মই চাফাৰ কৰিব লাগিব নেকি ? অহা নিৰ্বাচনত মই পৰাজয় বৰণ কৰিব লাগিব নেকি ? এই বিষয়া সকলক শাস্তি দিয়াৰ দায়িত্ব বিদ্যুত বিভাগৰ। আজিকালি বাতৰি কাকত মেলিলেই সকলোতে কেৱল বিদ্যুতৰ নাটনিৰ খবৰ। যোৱা ১৪ চেপ্তেম্বৰৰ দৈনিক জনমভূমিত প্ৰথম পৃঃতে বিদ্যুতৰ নাটনিত ৰাইজ দুৰ্যোগৰ সন্মুখীন হোৱাৰ বাতৰি ওলাইছে। যোৱা ১০ তাৰিখৰ দৈনিক অসমৰ সম্পাদকীয়তো এই সম্পৰ্কত লিখিছে। এই বিদ্যুত বিভাগটো পুনৰ গঠন কৰক আৰু গোটেই বিদ্যুত পৰিষদটোও পুনৰ গঠন কৰাৰ প্ৰয়োজন হৈ পৰিছে।

Shri A.F. Golam Osmani : The Treasury Bench might have lost a Minister and Hon'ble Member, but on the opposition Bench, it is a great advantage that we will have more scope for humurous lecture.

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই কেইটামান কথা কব বিচাৰিছো। মই ৰুলিং পাৰ্টিৰ বিধায়ক হিচাপে গধুলি ওলাব নোৱাৰা অৱস্থা হৈছে। গধুলিৰ পিচত বিয়া খাবলৈ গলেই লাইট অফ হয় আৰু আমাক উকিয়াই। মন্ত্ৰী মহোদয়ে এই পৰিস্থিতি পাইছে নে নাই মই নাজানো কিন্তু মই পাইছো। গধুলি আৰু বিয়া খাবলৈ যাব নোৱাৰা হৈছো। আন এটা কথা হৈছে ইলেক্ট্ৰিচিটি বৰ্ডৰ চেয়াৰমেনৰ ৰেঙ্ক আৰু পাৱাৰ বিভাগৰ সচিৱৰ ৰেঙ্কৰ কথাটো অলপ চাবলগীয়া হৈছে। কাৰণ ইজনে সিজনলৈ কিবা চিঠি পঠালে ইজনে ভাবে মইহে ওপৰৰ মই কমিচনাৰ গতিকে তেওঁ মোলৈ কিয় এইদৰে লিখিব আকৌ সচিবে চিঠি পঠালে চেয়াৰমেনে ভাৱে মইহে ওপৰৰ তেওঁ কিয় মোলৈ এইদৰে লিখিব এইদৰে খামখিয়ালী হৈ থাকোতেই আচল কাম একো নহয়গৈ। মই এইটো কথা কোৱা নাই যে বিদ্যুত পৰিষদৰ সকলো বিষয়া বেয়া। আমি জানো তাতো যথেষ্ট দক্ষ বিষয়া আছে কিন্তু ইউনিয়নৰ উৎপাতৰ কাৰণে একো কৰিব নোৱাৰে। আনকি এজন চেয়াৰমেনে এজন চকীদাৰক কিবা কাৰণত শাস্তি দিলেও গোটেই ইউনিয়ন আহি হাজিৰ হয়। আকৌ মিটাৰ ৰিডাৰক চাওতা কোনো নাই। আজি গোটেই অসমত কিমান চাহ বাগান আছে ? এই চাহ বাগান বিলাকে কিমান টকাৰ ৰাজহ

দিবলৈ বাকী আছে এইটো মন্ত্রী মহোদয়েও নাজানে আৰু চেয়াৰমেনেও নাজানে। আকৌ এই বিভাগে বস্তু কিনি আছে বস্তুবোৰ কিনি কৰবাত পুলত জমা কৰে, কিন্তু পুলৰ পৰা বস্তু কলৈ যায় কোনেও কব নোৱাৰে। কোনো হিচাপ নাই। প্রত্যেক ঠাইত ফিডাৰ মীটাৰ ৰাখিব লাগে। এতিয়া অৱশ্যে কৈছে যে ২ বছৰমানৰ ভিতৰত ৰাখিব পৰা যাব। ৰেভিনিউ কালেক্ট কৰিবৰ কাৰণে বা মিটাৰ বহুৱাব কাৰণে দুবছৰ লগাৰ কোনো অৰ্থ নাই। আজিকালি প্ৰায়েই গধূলি লোড চেডিং হয়. গধূলি কিয় বেচিকৈ হয় ? ইয়াৰ লগত হোন্দা কোম্পানীৰ. কিবা ব্যৱসায়ৰ কথা নাইতো বা কোম্পানীৰ লগত কোনোবা বিষয়াৰ কমিছনৰ কথা আছেনেকি ? আছে বুলি ডাঠি কব নোৱাৰোঁ কাৰণ প্ৰমাণ মোৰ হাতত নাই কিন্তু নাই বুলিও কব নোৱাৰোঁ।

তাৰোপৰি আজি দিনটোত ভাৰাঘৰৰ নামত বিদ্যুত পৰিষদে কিমান টকা দিছে কব পাৰো নে ? কোটি কোটি টকা দিবলগা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা অধিবেশনত এটা প্ৰশ্ন কৰিছিলো যে বিদ্যুত পৰিষদৰ বিষয়া সকলে ১৯৮১ চনৰ পৰা কিমান টকাৰ টি, এ লৈছে ? মন্ত্ৰী মহোদয়ে কিন্তু উত্তৰ নিদিলে। মই এই বিষয়ে বিধান সভা সচিবালয়ৰ সচিবলৈকে এখন চিঠি দিছিলো আৰু এটা চৰ্ট নোটিচ কুৱেচনো কৰিছিলো (ভয়চ- পেট্ৰোলত কিমান যায় ? )। পেট্ৰোলৰ কথাটো অৱশ্যে মই নকও এইবোৰ টেকনিকেল কথাৰ হেনো কোনো গেৰান্টি নাই। কিন্তু টি, এ,ৰ নামত বহুত লাখ লাখ টকা গৈ আছে—গতিকে এইটো অলপ চাব লাগে। আন এটা কথা হ'ল কিছুমান ক্ষেত্ৰত বোৰ্ড মনে মনে থাকে, যেনে ক'ৰবাত খুটা চুৰি হ'ল কৰবাত তাৰ হ'ল, কৰবাত লাইন চুৰি হ'ল। তেতিয়া বোৰ্ডে থানাত এখন এজ্‌হাৰ দি মনে মনে বহি থাকে, পিচত ৰিমাইন্দাৰ এখন দিয়াৰ প্ৰয়োজন বোধ নকৰে—তাৰ মানে মনে মনে চোৰৰ লগত ইঞ্জিনীয়াৰ সকলো একে লাইনতে আছে বুলি ৰাইজে কয়. মই অভিযোগ হে আনিছো. মোৰ হাতত স্পষ্ট প্ৰমাণ নাই। মই বোৰ্ডৰ বিষয়া সকলক দোষাৰোপ নকৰো, কথাটো হৈছে গোটেই বোৰ্ডখনেই আজি মিচ-মেনেজমেণ্ট হৈছে। মন্ত্ৰী মহোদয়ে এই বোৰ্ড খনক অন্ততঃ 'ন' প্ৰফিট, 'ন' লচ জোনলৈ' অনাৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা বোৰ্ড বিষয়া, কৰ্ম্মচাৰী কিছুমানে নিজৰ ঘৰত থাকিও হাউচৰেণ্ট লয়, আনহাতে তেওঁলোকক বোৰ্ডৰ পৰা বিল্ডিং এডভান্সো দিয়া হয়। গতিকে নিজৰ ঘৰত থকা সকলক কমকৈ হলেও কিয় হাউচৰেণ্ট দিয়া হয় ? এইবোৰ কথাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে। আমাৰ মাননীয় সদস্য শ্ৰীদেব বৰাই কৈছে

যে উদ্যোগ, জলসিঞ্চন আদিৰ ক্ষেত্ৰত আচনি হৈছে কিন্তু পাৱাৰ লাইনৰ অভাবত হোৱা নাই, সেয়ে এই গোটেই কথাবোৰ মন্ত্ৰী মহোদয়ে চালিজাৰি চাব লাগে। বিদ্যুত পৰিষদৰ তাৰ অট'নমাচ বৈশিষ্ট ৰক্ষা কৰিও তাৰ ওপৰত অসম বিধান সভাৰ কিবা এটা কণ্ট্ৰোল থকা উচিত বুলি মই ভাবো। কাৰণ বিদ্যুত পৰিষদ এটা ষ্টেটুটৰী বডি হলেও আমিতো তেওঁলোকক টকা দিছো। আমি যদি তেওঁলোকক পাচ পইচাও দিছো সেই পইচাটো ক'ত খৰচ হয় জনাৰ আমাৰ অধিকাৰ আছে। মোৰ বিয়াত মই মেনেজ কৰিম। কিয়নো মন্ত্ৰীৰ বিয়াত যেতিয়া লাইট অফ হোৱা নাই মোৰ বিয়া হলেও লাইট অফ নহব মই এইটো মেনেজ কৰিব পাৰিম। মই এটা কথাৰ ওপৰত জোৰ দিব খুজিছো বৰ্ডৰ বহুত বস্তু চুৰি হয়, হৈ আছে-তাৰ চুৰি হয়, খুটা চুৰি হয় আৰু বোৰ্ডে পুলিচ থানাত কেচটো এন্ট্ৰি দিয়েই বহি থাকে-এইটো ঠিক কথা নহয় তেও-লোকে পিচত থানাৰ লগত যোগাযোগ কৰিব লাগে, ৰিমাইন্দাৰ দিব লাগে, কেছৰ অগ্ৰগতিৰ বিষয়ে বুজ লব লাগে। নহলে চুৰি বস্তু ক'ৰ পৰা উদ্ধাৰ হব ? আৰু এটা কথা আমাৰ যিবোৰ চাহ বাগানে বোৰ্ডক বিদ্যুত ৰাজহ দিবলৈ বাকী আছে, তেওঁলোকৰ পৰা এডভান্স টকা লোৱাৰ ব্যৱস্থা কৰিব লাগে। যিবোৰে ফাকি দিয়ে আৰু বেছি টকা বাকী ৰাখিছে তেনেবোৰ বাগানৰ পৰা আগতীয়াকৈয়ে ২-৩ বছৰৰ কাৰণে বোৰ্ডে টকা আদায় কৰিব লাগে। আমাৰ বোৰ্ড'ৰ বিষয়া সকলৰ বাবে এটা নিৰ্দ্দিষ্ট 'ফিক্সড টি, এ' দিয়াৰ ব্যৱস্থা কৰিব লাগে। মন্ত্ৰী মহোদয়ে নিজা ৰবীয়াকৈ তেখেতৰ ক্ষমতাৰে, এই সদনত গঠন কৰি দিয়া কমিটিৰ টাৰ্মচ এণ্ড ৰেফেৰেন্স যোগে সকলো বিষয়ে অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়।

Mr. Speaker : Now, next item.

Shri A F Golam Osmani : Sir, before that I want only five minutes. It is a very important discussion. Sometimes we lost most of the time in superfluous issue. But fortunately today the issue of State Electricity Board has come.

Sir, you were gracious enough to give us a Committee which will examine all the aspects relating to the workings of the State Electricity Board because simply the criticism of the power Ministry of this nature about its function will not do without a deep problem.

Because I acted as a power Minister once and I had a great difficulty to establish authority over the State Electricity Board. I remember at that time also Members were very critical for very many reasons. As a Minister when you want to regulate the activities of the Board the vested interest in the Baord stand in the way. I was advised by the then Secretary, Power in a particular issue that Electricity Act has given autonomous status to the Electricity Board and we can deal only with the policy matter and accordingly for the Board's activities are concerned we cannot go into its appraisal of daily activities

I was then enquiring into the matter of a very big con. tract on receipt of allegation of corruption. I went deep and deep into the matter and got a note written to the Secretary: "I am being apprised of your assessment of the situation and I have gone through the provision of the Indian Electricity Act under which the State Electricity Board was created. On the perusal of the relevant section I have got an idea that the State Government has got responsibility to see as to how the Board is functioning because according to the provision of the Indian Electricity Act the Borad is created by Government and according to the Indian Electricity Act Government can dissolve it. So the position is we can give birth to the Electricity Board and also can kill it. And, in between the birth and death why Government. is not able to supervise its day to day functioning. So, there should be a liasion and the Minister in-charge of this portfolio is able to know what the Electricity Board is doing at."

We have got as many as 3 Members to act in the Board, viz., the Secretary, power, the Secretary of the State Electricity Board and another Member appointed by the power

Minister. In every month there is a meeting of the State Electricity Board. Along with the notice the agenda is given. Then I worte to Secretary, Power "You please come three days before the meeting of the State Electricity Board with the agenda and discuss each item with the Minister and take his direction and when you attend the meeting of the Board try to execute the desire of the Government." It went to such an extent because the vested interest in the State Electricity Board stood in the way. Now, what is the generation ? How much loss is there which is called generation loss ? Sir, these are the important questions that shall have to be looked into. How much power is used by the industry ? How much the consumer is to pay for the supply of power. Perhaps due to the wrong functioning of the metres they make bills on the basis of average consumption if the metre is not functioning they will bill you making an average. These are the important points which you will have to see, Now I come to Bongaigaon Thermal project. When this was under construction I requested the then pragmatic Governor Shri L. P. Sing to visit the Thermal project and that request was for specific purpose because the fund was coming from the NEC. This project was based on without making a comprehensive study. There were four units. At that time two units were in existence. Now to feed this Bongaigaon Thermal Project you are require to bring two rakes of coal every day. And, this coal was to come from Bengal and Bihar. Now Assam is connected with a single phase broad gauge line and everyday you are required to bring two rakes of coal and send back another two rakes everyday through an already congested line.

There was no provision for storing the coal, etc. Sir, our observation at that time was that Government should

not proceed with two further units. Two units are sufficient until and unless Bongaigaon had a double B. G. line connecting New Bongaigaon with New Jalpaiguri. Sir, I have pointed out these short comings because some members have taken serious not of it. When the Committee is formed they may examine these basic problems. Sir, Hon'ble Member Shri Bora has mentioned about Chandrapur Thermal Unit. Sir, at that time there was a proposal for a second unit but they were more interested for Bongaigaon unit. Gas was sufficiently available and that Japanese firm which executed Chandrapur project was competent enough. to do it. Sir, a pragmatic approach is to be made. Whatever mistake is done in the past need not be recapitulated. You have got three and half years to go. You may not get the result but if you can give a projection i. e. a comprehensive programme for which people will remember even if you are not in power. With these words Sir, I conclude.

Shri Binai Khungur Basumatari : Sir, I wish to raise a point of order under Rule 301, Sir, the tradition of the House is that the discussion on such matters is restricted to a certain limit. But today you have allowed everyone to speak. We also recognise the importance of it. But, Sir, other important business are there. May I request you to kindly try to limit and stick to the tradition ?

Hon'ble Speaker : Because of the importance of the subject I have allowed the Hon'ble member to speak on the subject.

Shri Surendra Nath Medhi ( Minister ) : Sir, there is nothing under Rule 301.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (বিদ্যুত শক্তি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় সদস্য শ্ৰীদেব কুমাৰ বৰা ডাঙৰীয়াক জয়জয়তে ধন্যবাদ

জনাইছো এই বিষয়টো উত্থাপন কৰি আলোচনা কৰাৰ কাৰণে। দ্বিতীয়তে যি সকল মাননীয় সদস্যই এই উত্থাপিত বিষয়টোত আলোচনাত ভাগ লৈ যিখিনি পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে তেখেত সকললৈও এই সুযোগতে মই ধন্যবাদ জনাইছো। তেখেতসকলে বহুখিনি কথা মোলৈ আঙুলিয়াই দিয়া বাবে ধন্যবাদ জনাইছো। মন্ত্ৰী হিচাবে নাথাকিলে মোৰো এই বিষয়ত বহুত কবলগীয়া আছিল। কিন্তু যিহেতু মই মন্ত্ৰী সেই কাৰণে উত্তৰটো ময়েই দিবলগীয়া হৈছে। যিমানখিনিয়েই সমালোচনা কৰা নহওক কিয় মই মন্ত্ৰী হিচাবে প্ৰতিশ্ৰুতি দিব নোৱাৰো যে কাইলৈ সমগ্ৰ অসমতে বিজুলী শক্তি যোগান ধৰিব পৰা হ'ব। এইটো নোৱাৰো এই কাৰণেই যে এইটো প্ৰেকটিকেল নহয়। সেই কাৰণে তেনেকৈ নকওঁ। আৰু যিমান ডাঙৰকৈয়েই নকওক শুনিয়েই আছো। আমাৰ বিজুলী শক্তি আছে। কিন্তু তাৰ কাৰণে উপায় উদ্ভাৱন কৰিব লাগিব। ইয়াৰ কাৰণে উপায় নোহোৱা নহয়। কিন্তু এই অৱস্থা কিয় হবলৈ পালে সেইটো চাব লাগিব। আমাৰ অসমৰ সৰ্ব্বোচ্চ ইনষ্টল কেপাচিটি ৪৬৯ মেগাৱাট কিন্তু আমি বৰ্ত্তমান পাই আছো ১৭৫ মেগাৱাট আৰু আমাৰ ১০০ মেগাৱাট চৰ্ট আছে। বঙ্গাইগাওঁত প্ৰকল্প ১৯৭৫-৭৬ চনত স্থাপন কৰা হৈছিল। ১৯৮১-৮২ চনতো এইটো পুনৰ নীৰিক্ষণ কৰা হৈছিল আৰু সেই হিচাবে এতিয়া আমি ২৪০ মেগাৱট পাব লাগিছিল যদিও মাত্ৰ পঞ্চাশ মেগাৱাটহে পাইছো। এটা ইউনিটৰ পৰাহে পাই আছো। মেচিনবিলাক ঠিক নহয়। এতিয়া প্ৰশ্ন কৰিব যে মেচিন কিয় বেয়া হ'ল কিন্তু সেইটো কলেই নহব। কিন্তু বেয়া হৈ আছে। এতিয়া দেখা গৈছে চাপ্লাইৰ সময়ত এই বিলাক ডিফেকটিভ আছিল এতিয়া ডিজাইন ডিফেক্ট বুলি প্ৰমানিত হৈছে। ২৪০ মেগাৱট পাব লাগিছিল যদিও ডিজাইন ডিফেক্টৰ কাৰণে এতিয়া কম পাই আছো। 'ভেল'ৰ পৰা বিশেষজ্ঞ আহিছে আৰু তেওঁলোকেই কৈছে। আমাৰ এ-এচ-ই-বিৰ ইঞ্জিনিয়াৰে এইটো কৰিব নোৱাৰে। বিশেষজ্ঞ আহি ব্লেন্ট ( ব্লক ) কটাই দিয়াৰ কাৰণে তিনি মেগাৱাট কম ২৩৭ মেগৱাট পাম। কিন্তু ডিজাইন ডিফেক্ট বুলি প্ৰমাণিত হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মাঃ ডিজাইন ডিফেক্ট থকা বস্তু বিলাক কিয় গ্ৰহণ কৰিছিল ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( শক্তি আৰু বিদ্যুত মন্ত্ৰী ): কিয় গ্ৰহণ কৰিছিল ১৯৭৫-৭৬ চনত সেইটো নাজানো। তেতিয়া আমি নাছিলো। ডিফেক্ট বুলি বিশেষজ্ঞই কৈছে আৰু মই নিজে বিশেষজ্ঞ নহও যে চুযটছ্ টিপি

দিলেই বিজুলী বাতি জ্বলি উঠিব। আৰু দুশ মেগাৱাট পালে আমাৰ অৱস্থা ভাল হলহেতেন।

আমাৰ বিদ্যুতৰ চাহিদা ৩২০ মেগাৱাট। যিমানেই মোক নকওক আৰু মইও খং কৰি লাভ নাই। এইবিলাক মেচিন যদি কিনা নহলহেতেন তেন্তে এই কথাবিলাক নহলহেতেন। এই বিলাক কথা লৈ মুখ্যমন্ত্ৰীৰ সৈতে কেন্দ্ৰীয় শক্তি মন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীৰ লগত কথা পাতিছো। এই ক্ষেত্ৰত প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰিছো। লাকুৱাৰ ৪ৰ্থ ইউনিটৰ বাবে গেছ টাৰবাইন কিনিবলৈ লৈছো। এইটো আমদানি কৰিবলৈ দিছো আৰু ই বিদেশৰ পৰা আহিলে ভাল হব। বিবেশৰ পৰা অনা মেচিন কেইটা ভাল। লাকুৱাত বিদেশৰ পৰা অনা মেচিন কেইটাৰ ভাল ধৰণে কাম কৰি আছে। কিন্তু ভাৰত চৰকাৰে বাধা দিছে। ভেলৰ পৰা কিনিব লাগে। আমি ভেলৰ মেচিন নিকিনো। এই কথাখিনি কোৱাৰ পিছতো ভেলৰ পৰা কিনিবৰ বাবে ইনচিষ্ট কৰি আছে। ভেলে যদি চাপ্লাই দিব পাৰে তেন্তে অসমে কিয় বাহিৰৰ পৰা কিনিব নোৱাৰে। অসমক বাহিৰৰ পৰা কিনিবৰ বাবে এলাউ কৰিব লাগিব। ইলেকট্ৰিছিটি নোহোৱাৰ কাৰণে মইও ভাল পোৱা নাই। এনেকুৱা অৱস্থা যাতে নহয় তাৰ বাস্তৱ ব্যৱস্থা লব লাগিব। মেচিনৰ কাৰণে প্ৰধান মন্ত্ৰী, শ্ৰীচাথেকো কৈছো। ভেলে স্বীকাৰ কৰিবলৈ টান পাইছে। যদি মেচিনৰ ডিফেক্ট নাছিল তেন্তে কিয় তিনি মেগাৱাট কাটি দিব লগা হল? এইটো এডমিট কৰে। এইটো বহু দিনীয়া পুৰণি বেমাৰ। এই বেমাৰটো আমাৰ চৰকাৰৰ দিনৰ নহয়। শক্তি মন্ত্ৰীৰ লগত কথা পাতিছো। এক্সপাৰ্ট ইয়ালৈ পঠাই দিয়া হৈছে। বিদ্যুত পৰিষদৰ ইঞ্জিনিয়াৰে এইটো ভাল কৰিব নোৱাৰে। গেছ টাৰবাইন প্ৰকল্পত আমাৰ ইঞ্জিনিয়াৰ এক্সপাৰ্ট আৰু তেওঁলোকে কাম কৰিব পাৰে। লাকুৱাৰ ৪৫-৫০ মেগাৱাট উৎপাদন হৈছে। গেছৰ সমস্যাৰ কাৰণে তাত কমকৈ পাইছো। তাৰ পৰা ৩৫ মেগৱাট পাইছো। গেছৰ প্ৰেছাৰ কমাৰ কাৰণে গেছ দিব পৰা নাই। বিদ্যুত পৰিষদৰ দোষ নাই বুলি নকও আৰু প্ৰটেকচন দিবলৈ নাযাওঁ। প্ৰতি বৃহস্পতিবাৰে বিদ্যুতৰ ক্ষেত্ৰত মনিটৰিং কৰিছো আৰু মই বেয়াবোৰ বাদ দিবলৈ কৈছো। আমি ভাল কৰিবলৈ যত্ন কৰিব লাগিব এই কথা বিলাক মেম্বাৰ আৰু চেয়াৰমেনক কোৱা হৈছে। কিছুমান ঠাইত চুৰি আদি কথা চলি আছে। বিদ্যুত পৰিষদে নজনাকৈ ৰাতি কৰবাত কিবা লগাই থয় আৰু ৰাতিপুৱাৰ লগে লগে খুলি দিয়ে। গতিকে তেনেকুৱা ধৰণৰ কথাবিলাক

নাইকিয়া কৰিবৰ কাৰণে কৈছো। প্ৰত্যেক চাবদিভিজনত মানুহ আছে, তেওঁলোকে ঠিক মতে কাম কৰিব লাগে বুলি কৈছো। নামৰূপত মেচিনৰ দিফেক্‌ট হোৱাৰ কাৰণে এটা মেচিন সম্পূৰ্ণৰূপে জ্বলি গৈছে আৰু ১৩৩ মেগাৱাটৰ বিপৰীতে মাত্ৰ ৪৫ মেগাৱাট পাইছো। গতিকে আমাৰ বিদ্যুতৰ অৱস্থাৰ উন্নতি হোৱা নাই। ঠিক তেনে ধৰণে চন্দ্ৰপুৰত ফাৰ্ণিচ অইল বন্ধ হৈ যায় আৰু ফলত ৩০ মেগাৱাট বন্ধ হৈ যায়। কেতিয়াবা বঙাইগাৱৰ পৰাও বন্ধ হৈ যায়। এই বিষয়ত ইঞ্জিনিয়াৰ সকলক মাতি আনি ব্যৱস্থা লবৰ কাৰণে কৈছো। আমাৰ বাস্তৱ সমস্যাৰ কথা কব বিচাৰিছো। আমাৰ ৫টা হাইদেল প্ৰজেক্‌টৰ কথা কৈছো। সোৱনশিৰি প্ৰজেক্‌টটো কৰিব পাৰিলে আমাৰ অৱস্থাৰ উন্নতি হলহেঁতেন। কিন্তু অৰুণাচল চৰকাৰে বহু গাওঁ পানীত ডুব যাব বুলি আশংকা কৰি অনুমতি দিয়া নাই। কিন্তু আমি যেনেকৈ নহওক বিদ্যুত ভাল কৰিব লাগিব। ভেলৰ এক্সপৰ্ট ইয়ালৈ আহিছে। গেছৰ বিষয়ে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি আছে। আমাৰ যিখিনি বিদ্যুতৰ প্ৰয়োজন সেইখিনি সম্পুৰ্ণৰূপে পাম বুলি আশা কৰিছো। স্কুলৰ ল'ৰা-ছোৱালী ফেইল কৰিছে বুলি শিক্ষামন্ত্ৰী দোষী হব নেকি ? আমি বাস্তৱলৈ চাই কাম কৰিব লাগিব। আমি বিদ্যুত বাহিৰৰ পৰা পোৱাৰ ক্ষেত্ৰত কেতিয়াবা অসুবিধা হৈছে। লগটকৰ মেচিন বেয়া হোৱাৰ কাৰণে দুই মাহ ধৰি কম পৰিমাণৰ বিদ্যুত পাইছো। ঠিক সেই ধৰণে কেতিয়াবা মেঘালয়ৰ পৰা কম পাইছো। ইতিমধ্যে ৩নং ইউনিট বঙাইগাৱত চলি আছে। ৪নং ১নং ইউনিটৰ কাম কাজ নবেম্বৰৰ শেষৰ ফালে ভাল হলে ডিচেম্বৰৰ পৰা আৰম্ভ হব বুলি আশা কৰিছো। ১৫ দিন চলিব আৰু তাৰ পিছত বন্ধ হব এনেকুৱা এটা বেয়া অৱস্থা হৈছে। এটা কমিটি গঠন কৰি দিয়াত ভাল পাইছো। কাৰণ লুক-ঢাক কৰাৰ কথা নাই। কথা হল বিদ্যুত যোগান ভাল হব লাগে। বিদ্যুত যোগান ভাল নহলে উদ্যোগ নহয়। আমি উদ্যোগক বিদ্যুত যোগান দিব পৰা নাই। দৈনন্দিন ভাল দৰে চলি আছে আৰু এক চেকেণ্ড ট্ৰিপিং হলে কব গল আৰু এনে ধৰণৰ মানুহৰ মনৰ কথা দুই কৰিব নোৱাৰো।

মাননীয় চেয়াৰমেন মহোদয়, গতিকে মই ভাবো যে, ভৱিষ্যতৰ দিনবোৰত এই ব্যৱস্থা বিলাক ভাললৈ আহিব আৰু আমিও এই বিলাক ভাল কৰিবলৈ নিতান্তই চেষ্টাৰ অকনো ত্ৰুটি নকৰো।

আজি আমাৰ যিবিলাক অভিযোগ আহিছে সেইবিলাক অভিযোগৰ ক্ষেত্ৰত মই ইতিমধ্যে কৈছোৱেই। আজি আমাৰ মাজত মুকলিমূৰীয়াকৈ কথা

বিলাক আলোচনা হৈছে। আমি ভাল পাইছো। এই বিলাক এতিয়াৰ কথা নহয়। আগৰ পৰাই এই বিলাক চলি আহিছে। সচাঁ কথাই। ইয়াত উল্লেখ বা উত্থাপন কৰাত আমি বেছ ভাল পাইছো। মইও আজি বাস্তৱ কথা বিলাক ইয়াত কবলৈ পোৱাৰ এটা সুযোগ পাইছো। এইটো এটা দীঘলীয়া বেমাৰ। বেমাৰ ভাল কৰিবলৈ ভাল চিকিৎসা কৰাৰ দিহা কৰিব লাগিব। আমি সেইটোৰ ব্যৱস্থা কৰিম। এই খিনিকে কৈ মই এই বিষয়টো উত্থাপন কৰাৰ কাৰণে ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

